www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীবনটোও একপ্ৰকাৰৰ পৰ্বত আৰোহণ। অসীম দুখ-কষ্ট আৰু দুৰ্লংঘ্য বাধা আছে বাবেই সি বোমাঞ্চকৰ। - হোমেন বৰগোহাঞি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩২৪ | শুকুৰবাৰ | ০২ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 324 | Friday | 02nd October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ নাগালেণ্ডৰ পৰা অহা নাগামিজ অ'ডিঅ' বার্তাত আতংক ■

পুনৰ বানপানীৰ আশংকাত উজনি অসম

নিউজ ডেস্ক, অসম বার্তা, ১ অক্টোবৰ ঃ যোৱা নিশাৰ পৰা সামাজিক মাধ্যমত ভাইৰেল হোৱা এক নাগামিজ ভাষাৰ অ'ডিঅ' বার্তাই উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ৰাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি কৰিছিল। বার্তাত দাবী কৰা হৈছিল যে নাগালেণ্ডৰ লংলেং জিলাৰ এক স্থানত ভূ-সংস্থলনৰ ফলত দিখৌ নদীৰ প্ৰায় ৮০ শতাংশ পুতি গৈছে আৰু মাত্ৰ ২০ শতাংশ পানী বৈ আছে। ইয়াৰ ফলত যোৰা ১৯ জুলাইৰ দৰেই পুনৰ ভয়াবহ দুৰ্যোগ হ'ব পাৰে বুলি সতৰ্কবাণী দিয়া হৈছিল। এই অ'ডিঅ' বার্তা বিয়পি পৰাৰ লগে লগে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে সামাজিক মাধ্যমৰ জৰিয়তে ৰাইজক সজাগ কৰি দিয়ে। তেওঁ লগে লগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মালৈ ৰাটছএপ বার্তা প্ৰেৰণ কৰি বিষয়টোত স্পষ্টীকৰণ বিচাৰে। ইয়াৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে বিধায়কগৰাকীক জনায় যে- "River is flowing normally as of now." অৰ্থাৎ ❑ ৬ পৃষ্ঠাত



লাহৰীঘাটত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাৰ ফ্লায়িং কিচেৰে আৰম্ভ নিৰ্বাচনী প্ৰচাৰ

আছিফ নাজাৰ পাগলা টাইপৰ, একো কাম নাই, ৰকিবুল জন্তু ঃ ড° হিমন্ত বিশ্ব শর্মা



অসম বার্তা, ভৰাগাঁও, ১ অক্টোবৰ ঃ নগাঁও, লোকসভা উপ-নিৰ্বাচনত দেৰাশিষ শর্মাক উদ্ধাৰ কৰিবৰ বাবে প্ৰচাৰত নামিছে মুখ্যমন্ত্ৰীকে ধৰি ৰথি মহাৰথী। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই লাহৰীঘাট সমষ্টিত চাষন নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে। লাহৰীঘাট সমষ্টিৰ তিনিচুকীয়া ৰাজীব গান্ধি খেল পথাৰত অনুষ্ঠিত বৃহৎ নিৰ্বাচনী সভা খনত দেবাশীষ শর্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় হিমন্ত বিশ্ব শর্মাই কেৱল যেন টাৰ্গেট কৰি লয় লাহৰীঘাটৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰক। বৃহৎ সভাখনত প্ৰায় ২০ সহস্ৰাধিক লোকৰ বৃহৎ উপস্থিতিয়ে মুখ্যমন্ত্ৰীক যেন মোহাচ্ছন্ন কৰে। সভাত উপস্থিত হৈয়ে ফ্লায়িং কিচেৰে বক্তব্য আৰম্ভ কৰা মুখ্যমন্ত্ৰী গৰাকীয়ে শালিনতা অতিক্ৰম কৰি কয় - যে ❑ ৬ পৃষ্ঠাত

ABVP চাৰিখন, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি তিনিখন আসনত বিজয়ী

কটন বিশ্ববিদ্যালয়ৰ CUSUৰ নিৰ্বাচনত আছু সমৰ্থিত প্ৰার্থীৰ সাতখন আসনত জয়



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ অক্টোবৰ ঃ কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভা (CUSU)ৰ নিৰ্বাচনত সদ্যে অসম ছাত্ৰ সস্থা (AASU) সমৰ্থিত প্ৰার্থীয়ে সভাপতি আৰু সাধাৰণ সম্পাদকৰ পদসহ মুঠ সাতখন আসনত জয়লাভ কৰিছে। অখিল ভাৰতীয় বিদ্যার্থী পৰিষদ (ABVP) সমৰ্থিত প্ৰার্থীয়ে চাৰিখন আসন দখল কৰিছে। আনহাতে, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি সমৰ্থিত ❑ ৬ পৃষ্ঠাত

চামগুৰিত বেলতলীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাৰ নিৰ্বাচনী সভা

চামগুৰিৰ মানুহৰ তেজ খাই খাই ৰকিবুলৰ পেট ডাঙৰ হৈছে ঃ মুখ্যমন্ত্ৰী



অসম বার্তা, ৰূপহীহাট, ১ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি নিৰ্বাচনী প্ৰচাৰ তুংগত উঠাৰ সময়তে চামগুৰিৰ বেলতলীত বিজেপিৰ প্ৰার্থী দেৰাশিস শর্মাৰ সমর্থনত অনুষ্ঠিত হয় এক বিশাল নিৰ্বাচনী সভা। সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই অংশগ্ৰহণ কৰি কংগ্ৰেছ নেতা ৰকিবুল ভুঞেইন আৰু এআইইউডিএফ নেতা বদৰুদ্দিন আজমলক তীব্ৰ সমালোচনা কৰে। সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই ❑ ৬ পৃষ্ঠাত

নিকা শক্তিৰে চাহ উদ্যোগ সবল কৰাৰ লগতে সেউজ অসমৰ লক্ষ্য

ৰৰাক উপত্যকাত ৫৯৫ কিলোৱাট সৌৰ বিদ্যুৎ প্ৰকল্প উদ্বোধন মুখ্যমন্ত্ৰীৰ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই আজি পুৰা ৰৰাক উপত্যকাৰ কুদ্ৰ চাহ বাগিচাত ৫৯৫ কিলোৱাট শক্তিসম্পন্ন এটা সৌৰ বিদ্যুৎ প্ৰকল্প উদ্বোধন কৰে। এই প্ৰকল্প ৩.১১ মেগাৱাটৰ গুডৰিক চাহ বাগিচা সৌৰ শক্তি কার্যসূচীৰ অংশ। ই ৰাজ্যৰ চাহ উদ্যোগক নিকা আৰু নবীকৰণযোগ্য শক্তিৰে ❑ ৬ পৃষ্ঠাত

মুছলমানক উচ্ছেদৰ বাবে হিমন্তই ক্ষমা বিচাৰাৰ দাবী ৰকিবুল হুছেইনৰ

'মিঞাৰ ভোট লাগে নে নালাগে, উত্তৰ দিয়ক মুখ্যমন্ত্ৰীয়ে' ঃ ৰকিবুল



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনৰ ভোটগ্ৰহণ আহ ৬ অক্টোবৰত অনুষ্ঠিত হ'ব। ভোটগ্ৰহণ সন্নিকট হোৱাৰ লগে লগে নগাঁৱৰ ৰাজনীতি ক্ৰমাৎ উত্তপ্ত হৈ পৰিছে। কংগ্ৰেছ, বিজেপি আৰু AIUDFৰ নেতা-কৰ্মীয়ে প্ৰতিদিনে হাইভল্টেজ নিৰ্বাচনী প্ৰচাৰ চলাইছে। ভোটগ্ৰহণৰ দিন চমু চাপি ❑ ৬ পৃষ্ঠাত

"ৰক্তৰ নাটনি দূৰ কৰিবলৈ সচেতনতা আৰু সঠিক তথ্যৰ প্ৰয়োজন"

ৰক্তদান মহাদান ঃ ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱসত মুখ্যমন্ত্ৰীৰ আহ্বান



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১ অক্টোবৰ ঃ ভাৰতত প্ৰতি বছৰে ১ অক্টোবৰৰ দিনটো ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিবস হিচাপে পালন কৰি অহা হৈছে। এই দিবসৰ মূল উদ্দেশ্য হৈছে ৰক্তদানৰ প্ৰতি সমাজত সচেতনতা বৃদ্ধি কৰা আৰু স্বেচ্ছা ৰক্তদাতাৰ সংখ্যা বঢ়োৱা। ৰক্ত সঞ্চালনৰ ক্ষেত্ৰত আ ক্ত ৰ্ ি তিক খ্যাতিসম্পন্ন বিশেষজ্ঞ ডাঃ জয়গোপাল জলীৰ জন্মদিনত এই দিবস পালন কৰি তেওঁৰ অবদানক স্মৰণ আৰু সম্মান ❑ ৬ পৃষ্ঠাত

উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কার্যালয়কে ধৰি জিলাই-জিলাই শ্ৰহীদ তৰ্পণ

কর্তব্য আৰু ত্যাগৰ বীৰগাথা স্মৰণ কৰি ৰাজ্যজুৰি 'অসম আৰক্ষী দিৱস' উদযাপন

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ অক্টোবৰ ঃ সমগ্ৰ ৰাজ্যজুৰি আজি উলহ-মালহেৰে 'অসম আৰক্ষী দিৱস' উদযাপন কৰা হয়। গুৱাহাটীৰ উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কার্যালয়কে ধৰি ৰাজ্যৰ বিভিন্ন জিলা, আৰক্ষী বেটেলিয়ন, আৰক্ষী থানা আৰু আৰক্ষী চকীত এই দিৱসৰ কার্যসূচী অনুষ্ঠিত হয়। ১৯৫১ চনৰ ১ অক্টোবৰত প্ৰথমগৰাকী ভাৰতীয় আৰক্ষী বিষয়া কে. আৰ. চৌধুৰীয়ে অসম আৰক্ষীৰ মুৱৰী হিচাপে কার্যভাৰ গ্ৰহণ কৰিছিল। সেই ঐতিহাসিক দিনটোক স্মৰণ কৰি প্ৰতি বছৰে ১ অক্টোবৰত অসম ❑ ৬ পৃষ্ঠাত



ৰাজ্যজুৰি আন্দোলনৰ ঘোষণা অখিল গগৈৰ

বান সাহায্যৰ ধন মুকলি নকৰাৰ প্ৰতিবাদত ২ অক্টোবৰৰ পৰা ৰাজ্যজুৰি আন্দোলনৰ ঘোষণা অখিল গগৈৰ

ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১০ লাখ টকা ক্ষতিপূৰণ, মথাউৰি দুর্নীতিৰ চিবিআই তদন্ত দাবী



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ অক্টোবৰ ঃ বানপীড়িত ৰাইজক জৰুৰী বান সাহায্যৰ ধন বিতৰণ কৰিবলৈ অসম চৰকাৰে দিয়া ৰ অক্টোবৰৰ সময়সীমা উকলি যোৱাৰ পাছতো ধন মুকলি নকৰাত প্ৰতিবাদত বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে অহা ২ অক্টোবৰৰ পৰা সমগ্ৰ ৰাজ্যজুৰি প্ৰতিবাদী আন্দোলন আৰম্ভ কৰাৰ ঘোষণা কৰিছে। উল্লেখ্য, যোৱা ২৩ ছেপ্টেম্বৰত ওৱাহাটীৰ চচল বৰ্ণাঢ্যলীত অনুষ্ঠিত বৃহৎ ৰাজহুৱা সমাৱেশত অখিল গগৈ আৰু দুগম অঞ্চলৰ বানপীড়িত ৰাইজে চৰকাৰলৈ ৰ অক্টোবৰ পর্যন্ত সময়সীমা বান্ধি দিছিল। কিন্তু ❑ ৬ পৃষ্ঠাত

শিলচৰৰ ঘটনাৰ পাছতেই মুখ্যমন্ত্ৰীৰ কার্যালয়ৰ নির্দেশ

মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাবে ৰখাব নোৱাৰিব এম্বুলেন্স

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাৰ কনভয় সম্পর্কত মুখ্যমন্ত্ৰীৰ কার্যালয়ে কঠোৰ নির্দেশনা জাৰি কৰিছে। জনসাধাৰণৰ সমস্যা তথা অসুবিধা নোহোৱাকৈ কনভয় চলাচল নিশ্চিত কৰিবলৈ ৰাজ্যৰ সকলো জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক এই নির্দেশ দিয়া হৈছে। বুধবাৰে শিলচৰত বোগী কঢ়িয়াই নিয়া এখন এম্বুলেন্স মুখ্যমন্ত্ৰীৰ কনভয় পাৰ হ'বলৈ ৰখাই দিয়া হৈছিল। এই ঘটনাৰ পাছতে কর্তব্যত গাফিলতিৰ অভিযোগত চাৰিজন আৰক্ষী বিষয়া-জোৱানক নিলম্বন কৰা হয়। মুখ্যমন্ত্ৰীয়ে ঘটনাটোক 'গ্ৰহণযোগ্য নহয়' বুলি উল্লেখ কৰি বোগী আৰু তেওঁৰ পৰিয়ালবৰ্গৰ ওচৰত সামাজিক ❑ ৬ পৃষ্ঠাত

'সামাজিক মাধ্যমত স্ব-নিয়োজনৰ ৰীল দিয়ক, নেতিবাচক নহয়' ঃ নীলিমা দেৱী

অসম বার্তা, মণ্ডলদৈ, ১ অক্টোবৰ ঃ মণ্ডলদৈ বেজপাৰাৰ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ কেন্দ্ৰত ৮০ গৰাকী প্ৰশিক্ষার্থীক প্ৰমাণ-পত্ৰ বিতৰণ কৰে মণ্ডলদৈৰ বিধায়িকা তথা মন্ত্ৰী নীলিমা দেৱীয়ে। প্ৰশিক্ষার্থীক প্ৰমাণ- ❑ ৬ পৃষ্ঠাত

শেষ মুহূৰ্তত অভিষেকৰ নির্ণায়ক গ'লেৰে পাকিস্তানক ধৰাশায়ী

এছিয়ান গেমছৰ পুৰুষ হকী ছেমিফাইনেলত ভাৰতৰ জয়



নিউজ ডেস্ক, অসম বার্তা, ১ অক্টোবৰ ঃ চলিত এছিয়ান গেমছত ভাৰতৰ দুর্দান্ত প্ৰদর্শন অব্যাহত আছে। বৃহস্পতিবাৰে অনুষ্ঠিত পুৰুষ হকীৰ ছেমিফাইনেলত ভাৰতে চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তানক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ১ অক্টোবৰত অনুষ্ঠিত বোমাঞ্চকৰ এই মেচখনত ভাৰতে ৪-৩ গোলত জয়লাভ কৰে। মেচখন শেষ মুহূর্তলৈকে তীব্ৰ উত্তেজনাৰে ভৰপুৰ আছিল। ৫৯ মিনিটলৈ দুয়োটা দলৰ স্কৰ আছিল ৩-৩। কিন্তু ৬০ মিনিটত অভিষেকে নির্ণায়ক গ'ল ❑ ৬ পৃষ্ঠাত

গোলাঘাটৰ কমাৰবন্ধা কানুগাঁৱত শোকাৱহ ঘটনা

স্বামীৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু; শোকত পত্নীৰো মৃত্যু

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১ অক্টোবৰ ঃ গোলাঘাটৰ কমাৰবন্ধা কানুগাঁৱত সংঘটিত এক শোকাৱহ ঘটনাই সমগ্ৰ অঞ্চলটোতে ❑ ৬ পৃষ্ঠাত

ছেমি ফাইনেলত ৪৫ ৰানতে অলআউট শ্ৰীলংকা

এছিয়ান গেমছৰ ক্ৰিকেটৰ ফাইনেলত ভাৰত-পাকিস্তানৰ মহাৰণ

নিউজ ডেস্ক, অসম বার্তা, ১ অক্টোবৰ ঃ চলিত এছিয়ান গেমছৰ পুৰুষ ক্ৰিকেটৰ দ্বিতীয়খন ছেমিফাইনেলত শ্ৰীলংকাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতীয় দলে। এই মেচখনত ভাৰতে শ্ৰীলংকাক ১২৪ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ লগে লগে ভাৰতৰ সম্মুখত এতিয়া সোণৰ পদকৰ যুঁজ। ৰোমাঞ্চকৰ ফাইনেলত সোণৰ পদকৰ বাবে ভাৰতৰ মুখামুখি হ'ব চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তান। বৃহস্পতিবাৰে অনুষ্ঠিত ছেমিফাইনেলত ভাৰতে শ্ৰীলংকাৰ সম্মুখত ১৭০ ৰানৰ লক্ষ্য বান্ধি দিছিল। কিন্তু লক্ষ্য অনুসৰণ কৰিবলৈ গৈ মাত্ৰ ৪৫ ৰানতে থমকি ৰয় শ্ৰীলংকা। এয়া T20 আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত শ্ৰীলংকাৰ সর্বনিম্ন দলীয় স্কৰ। ইয়াৰ ❑ ৬ পৃষ্ঠাত



জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত প্ৰবাসী অসমীয়াৰ সাক্ষ্যদান অব্যাহত

চতুর্থ দিনৰ বাবে আদালতত উপস্থিত প্ৰবাসী অসমীয়া তন্ময় ফুকন



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১ অক্টোবৰ ঃ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শর্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্যদান প্ৰক্ৰিয়া অব্যাহত আছে। আজি ছিংগাপুৰৰ প্ৰবাসী অসমীয়া তন্ময় ফুকনে চতুর্থ দিনৰ বাবে অভিযুক্ত পক্ষৰ জেৰাৰ বাবে আদালতত উপস্থিত হৈছে। কালি এই গোচৰত অভিযুক্ত সিদ্ধার্থ শর্মা, শ্যামকানু মহন্ত আৰু অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই আৰম্ভণিতে তন্ময় ❑ ৬ পৃষ্ঠাত

১১, ১২ আৰু ১৩ ডিচেম্বৰত গীতা ভাগৱত চর্চা কেন্দ্ৰ শিৰোমনি ভকত সেৱা আশ্রমৰ গুৰু আসন প্রতিষ্ঠা

মাংগলিক ধ্বনিৰে লাইখুঁটা স্থাপন



অসম বার্তা, বনগাঁও, ১ অক্টোবৰ ঃ "আধ্যাত্মিক জ্ঞান, চিন্তা-চর্চ্চা, ধ্যান -ধাৰণাৰ ব্যতিৰেকে এখন সমাজ কেতিয়াও সুস্থ-সৰল হ'ব নোৱাৰে" উক্ত বাক্যাবাৰকেই শিৰোগত কৰি মহাপুৰুষ দুজনাৰ আদর্শৰ মাজেদি সমাজত কৃষ্ণ সংস্কৃতিৰ সুবাস বিস্তাৰিত ভাৰে প্রচাৰ আৰু প্রসাৰ কৰা মানসৰে পুণ্যভূমি মাজুলীৰ দক্ষিণপাটত বৰ নৈ ব্রহ্মপুত্ৰ ৰ দাতিকাষৰীয়া অফলামুখ "দক্ষিণ পাটত" শিৰোমনি ভকত সেৱা আশ্রম নামৰ এক গীতা ভাগৱত চর্চ্চা কেন্দ্ৰ প্রতিষ্ঠাৰ ব্যাপক প্রস্তুতি গ্রহণ কৰা হৈছে। যোৰহাট নগৰৰ পদ পথত শাক-পাচলিৰ দোকান দি জীৱন নির্বাহ কৰা মাজুলী দক্ষিণ পাট কৈবর্ত্তগাঁও নিবাসী লক্ষ্মীৰাম দুৱৰা দাসৰ ঐকান্তিক চিন্তাৰে-আঞ্চলিক বাইজৰ সহযোগত হাতত লোৱা মহান পদক্ষেপক বাইজে বিপুল আদৰনি জনাইছে। মহাপুৰুষ দুয়োজনাৰ আদর্শৰে মাজত থাকি লক্ষ্মীৰাম দুৱৰা দাসে প্রায় কুৰিখনৰোধিক ধর্ম্মীয় গ্রন্থ লিখি সাহিত্য ক্ষেত্রলৈ বিশেষ অৱদান আগবঢ়ায়। তেনে এগৰাকী আদর্শবান লেখকৰ মহান প্রচেষ্টাৰে ১১, ১২ আৰু ১৩ ডিচেম্বৰত তিনিদিনীয়া বিস্তৃত কার্যসূচীৰ মাজত অনুষ্ঠিত হ'ব "গীতা ভাগৱত চর্চ্চা কেন্দ্ৰ-শিৰোমণি ভকত সেৱা আশ্রমৰ গুৰু আসন প্রতিষ্ঠা। তিনিদিনীয়াকৈ আয়োজন কৰা কার্যসূচীত মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ-মাধৱ দেৱ দুয়োজনৰ চৰণ ধূলি সিচঁৰতি হৈ থকা কোচ বিহাৰস্থিত শ্রীশ্রী মধুপুৰ ধাম সত্র, কাকটকুটা সত্র, ভেলা সত্র, চুনপোৱা সত্র, গনককুচি সত্র, পাট বাউসী সত্র, ববপেটা সত্র, আৰু ৰবদোৱা সত্র সহ অষ্টম ধামৰ ভূমি, টোৱাছা নদী, আকাশী গংগা, আৰু ব্রহ্মপুত্র নদীৰ জল সযতনে আহৰন কৰি সম্পত্তি নিতৌ মাংগলিক কর্ম্মৰ মাজেদি নাম ঘৰত সুৰক্ষিত কৰি ৰখা হৈছে। যাৰ জৰিয়তে সন্মিলিত ভাৰে প্রস্তাৰিত "শিৰোমনি ভকত সেৱা আশ্রমৰ গুৰু আসন সংস্থাপন আৰু ভাগৱত প্রতিষ্ঠা আদিত কার্যত আধ্যাত্মিকতাৰে ব্যবহাৰ কৰা হ'ব। ৩০ চেপ্টেম্বৰৰ বিয়লি এক বজাত "শিৰোমনি ভকত সেৱা আশ্রমৰ" "তিনিদিনীয়া কার্যসূচীৰ সভাস্থলীত "লাইখুঁটা আনুষ্ঠানিক ভাৱে স্থাপন কৰা হয়। বাইজ আই সকলৰ মাংগলিক ধ্বনিৰে আৰম্ভ হোৱা লাইখুঁটা স্থাপনৰ পূৰ্বে দেউৰী দাসৰাম দাস, ভোলা দাসে বন্তি প্রস্তুলন কৰে। উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক প্রবীন চন্দ্র দাসে আঁত ধৰা অনুষ্ঠানত ভূমিদাতা জীতেন দাসক উদযাপন সমিতিৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বর্ধনা জনোৱা হয়। অনুষ্ঠানত মাজুলী জিলা সাংবাদিক সঙ্ঘৰ সভাপতি দি বাকৰ শই কীয়া, জাতীয়তাবাদী যুৱ ছাত্র পৰিষদৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি পৰিত্র ৰবা, যুৱ লেখক-সাংবাদিক গোবিন কুমাৰ খাউণ্ডুয়ে বিশিষ্ট অতিথি হিচাবে উপস্থিতৰ ভাষণ প্রদান কৰে। অনুষ্ঠানত আন আন সকলৰ উপৰিও আজিৰ কার্যসূচীত এক শৰণ ভাগৱতী সমাজৰ বিষয়ৰবীয়া আই-মাতৃৰ সমন্বিতে উদ্‌যাপন সমিতিৰ সভাপতি টিটুল দাস, উপ সভাপতি অতুল দাস, সহ সম্পাদক পৰন দাস, ৰিবণ দাস আদি উপস্থিত থাকে।

'স্বচ্ছতা হি সেৱা' উপলক্ষে 'পুনঃব্যৱহাৰ, পুনর্নিমাণ, পুনঃচক্রীকৰণ'ৰ বার্তাৰে মাকুমত সজাগতা আৰু প্রদর্শনী অনুষ্ঠান

অসম বার্তা, মাকুম, ১ অক্টোবৰ ঃঃ স্বচ্ছ আৰু পৰিষ্কাৰ পৰিবেশ গড়ি তোলাৰ লক্ষ্যৰে সমগ্র ৰাজ্যৰ লগতে মাকুম পৌৰসভাতো চলি আছে 'স্বচ্ছতা হি সেৱা-২০২৬' অভিযান। যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা বন্তি প্রস্তুলনেৰে আৰম্ভ হোৱা এই অভিযানৰ অংশ হিচাপে আজি মাকুম পৌৰসভাৰ উদ্যোগত 'পুনঃব্যবহাৰ, পুনর্নিমাণ আৰু পুনঃচক্রীকৰণ' বিষয়ক সজাগতা কার্যসূচী আৰু প্রদর্শনী অনুষ্ঠিত হয়। মাকুম পৌৰসভাৰ পৌৰপতি অর্চনা শইকীয়া আৰু উপ-পৌৰপতি তীর্থৰাজ প্রসাদৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে উপস্থিত থাকি আত্মসহায়ক গোটৰ সদস্যাসকলে পেলনীয়া সামগ্রীৰে সৃষ্টিশীলভাৱে প্রস্তুত কৰা বিভিন্ন সামগ্রী পৰিদর্শন কৰে। পেলনীয়া সামগ্রীবোৰে ফুলদানি, ফুলৰ টাব, বেগাৰ ধৰি বিভিন্ন ব্যবহাৰযোগ্য সামগ্রী প্রস্তুত কৰা দেখি বিধায়কগৰাকীয়ে আত্মসহায়ক গোটৰ মহিলাসকলৰ সৃষ্টিশীলতা আৰু কর্মদক্ষতাৰ শলাগ লয়। ইয়াৰ উপৰি আগন্তুক দুর্গাপূজাত আত্মসহায়ক গোটৰ মহিলা সদস্যাসকলে প্রস্তুত কৰা সামগ্রী বিক্রীৰ বাবে এখন বজাৰৰ ব্যবস্থা কৰাৰ চিন্তা-চর্চা কৰা হৈছে বুলিও বিধায়ক সঞ্জয় কিষাণে সংবাদ মাধ্যমৰ জৰিয়তে জানিবলৈ দিয়ে। অনুষ্ঠানত মাকুম পৌৰসভাৰ পৌৰপতি অর্চনা শইকীয়া, উপ-পৌৰপতি তীর্থৰাজ প্রসাদ আৰু কার্যবাহী বিষয়া দিলাক্ষী কলিতা, বার্ড সদস্যা বিপাশা বৰা আৰু জয়া দাস আত্মসহায়ক গোটৰ মহিলা সদস্যাসকলৰ কর্মৰ শলাগ লোৱাৰ লগতে অনাগত দিনত অধিক উৎসাহ আৰু উদ্যমেৰে আগুৱাই যাবলৈ আহ্বান জনায়। উল্লেখ্য যে, ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ চলিবলগীয়া 'স্বচ্ছতা হি সেৱা-২০২৬' অভিযানৰ অংশ হিচাপে যোৱা ২৫ ছেপ্টেম্বৰত মাকুম পৌৰসভাৰ ১০টা ৱার্ড পৌৰসভা আৰু স্থানীয় নাগৰিকৰ যৌথ উদ্যোগত ব্যাপক চাফাই অভিযান চলোৱা হয়। আনহাতে, ২৭ ছেপ্টেম্বৰত ছাত্র-ছাত্রীসকলৰ মাজত চিত্রাংকন প্রতিযোগিতাও অনুষ্ঠিত কৰা হয়। অভিযানৰ পৰৱর্তী কার্যসূচী হিচাপে ৩০ ছেপ্টেম্বৰত স্বচ্ছতা আৰু আৱর্জনামুক্ত পূজা কর্মীসকলক সম্বর্ধনা জনোৱা হ'ব। ১ অক্টোবৰত 'এদিন, এঘণ্টা, একেলগে' শীর্ষক কার্যসূচীৰে মাকুম শ্মশানত চাফাই অভিযান চলোৱা হ'ব। ২ অক্টোবৰত গান্ধী জয়ন্তী উপলক্ষে গছপুলি ৰোপণ আৰু বিভিন্নী অনুষ্ঠান অনুষ্ঠিত হ'ব। ইফালে, ১৭ অক্টোবৰত 'আৱর্জনামুক্ত পূজা', 'প্রদূষণমুক্ত মণ্ডপ' আৰু 'স্বচ্ছতা পূজা' প্রতিযোগিতাৰ আয়োজনৰ জৰিয়তে 'স্বচ্ছতা হি সেৱা-২০২৬' অভিযানৰ সামৰণি পৰিব।

ধোদৰ আলিৰ নির্মাণ শীঘ্রে সম্পূর্ণ কৰাৰ দাবী

চেলেংহাটত আটোৱা টীয়ক শাখাৰ অৱস্থান ধর্মঘট



অসম বার্তা, চেলেংহাট, ১ অক্টোবৰ ঃ ঐতিহাসিক ধোদৰ আলিৰ নকছাৰী-আমগুৰি অংশৰ ২০ কিলোমিটাৰ পথৰ নির্মাণকার্য শীঘ্রে সম্পূর্ণ কৰাৰ দাবীত অসম চাহ জনজাতি মহিলা সমিতি (আটুৱা), আটচাৰ টীয়ক শাখাৰ উদ্যোগত তথা চেলেংহাট উপ শাখা, আমগুৰি মৰিয়নি মেজিক সম্বা আৰু স্থানীয় বাইজৰ সহযোগত চেলেং কলীয়াপানীত এক অৱস্থান ধর্মঘট কার্যসূচী পালন কৰি এই বিষয়ত অসমৰ মুখ্যমন্ত্রীলৈ এখন স্মাৰকপত্র প্রেৰণ কৰে। আটুৱা কেন্দ্রীয় সমিতিৰ সাধাৰণ সম্পাদিকা জ্যোতি কুশল দাস, সভানেত্রী বজন্তি চাওৱা, কেন্দ্রীয় কার্যবাহী সদস্য দীনেশ চাহু, হিমানি কুমী আৰু টীয়ক শাখাৰ ভাৰপ্রাপ্ত সম্পাদিকা অমি তাঁতীয়ে স্বাক্ষৰ কৰা স্মাৰক পত্রত উল্লেখ কৰা অনুসৰি, মৰিয়নিৰ পৰা আমগুৰিলৈ ঐতিহাসিক ধোদৰ আলিৰ মুঠ ৩০ কিলোমিটাৰ পথৰ ভিতৰত মৰিয়নি-নকছাৰী অংশৰ প্রায় ১০ কিলোমিটাৰ পথৰ নির্মাণকার্য সম্পূর্ণ হোৱাৰ দিশে আগবাঢ়িছে যদিও নকছাৰী-আমগুৰি অংশৰ ২০ কিলোমিটাৰ পথৰ নির্মাণকার্য এতিয়াও সম্পূর্ণ হোৱা নাই। বিগত প্রায় পাঁচ মাহ ধৰি পথছোৱাৰ নির্মাণকার্য স্থবিৰ হৈ থকাৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। ইয়াৰ লগতে মৰিয়নি সমষ্টিৰ বাইজৰ বাবে ধোদৰ আলি এক গুৰুত্বপূর্ণ ঐতিহাসিক পথ। দৈনিক অসংখ্য ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্রী আৰু সাধাৰণ বাইজে এই পথটোৰে অহা-যোৱা কৰে। যোৱহাট চিকিৎসা মহাবিদ্যালয়লৈ যাতায়াতৰ ক্ষেত্রতো পথছোৱাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কিন্তু পথটোৰ দুৰৱস্থাৰ বাবে ৰোগী, গর্ভৱতী মহিলা, নৰজাতকসহ সাধাৰণ বাইজে যাতায়াতত যথেষ্ট সমস্যাৰ সম্মুখীন হোৱা বুলি উল্লেখ কৰে। পথ নির্মাণৰ সংশ্লিষ্ট বিভাগৰ গাফিলতি আৰু ঠিকাদাৰৰ দায়িত্বহীনতাৰ ফলতে নির্মাণকার্য দীঘলীয়া হোৱা বুলি অভিযোগ উত্থাপন কৰি সংগঠনটোৰে বিষয়টোত চৰকাৰৰ তাৎক্ষণিক হস্তক্ষেপ দাবী কৰে। আনহাতে, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান আঁচনিৰ বাবে ধোদৰ আলিৰ পথছোৱাৰ নির্মাণকার্য স্থবিৰ হৈ থকাৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৰে। ইয়াৰ লগতে মৰিয়নি সমষ্টিৰ বাইজৰ বাবে ধোদৰ আলি এক ভোলা দাসে বন্তি প্রস্তুলন কৰে। উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক প্রবীন চন্দ্র দাসে আঁত ধৰা অনুষ্ঠানত ভূমিদাতা জীতেন দাসক উদযাপন সমিতিৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বর্ধনা জনোৱা হয়। অনুষ্ঠানত মাজুলী জিলা সাংবাদিক সঙ্ঘৰ সভাপতি দি বাকৰ শই কীয়া, জাতীয়তাবাদী যুৱ ছাত্র পৰিষদৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি পৰিত্র ৰবা, যুৱ লেখক-সাংবাদিক গোবিন কুমাৰ খাউণ্ডুয়ে বিশিষ্ট অতিথি হিচাবে উপস্থিতৰ ভাষণ প্রদান কৰে। অনুষ্ঠানত আন আন সকলৰ উপৰিও আজিৰ কার্যসূচীত এক শৰণ ভাগৱতী সমাজৰ বিষয়ৰবীয়া আই-মাতৃৰ সমন্বিতে উদ্‌যাপন সমিতিৰ সভাপতি টিটুল দাস, উপ সভাপতি অতুল দাস, সহ সম্পাদক পৰন দাস, ৰিবণ দাস আদি উপস্থিত থাকে।

গোলাঘাট জিলাৰ বোকাখাতত উন্মোচন হ'ল প্রাণৰ শিল্পী জুবিন গার্গৰ পূর্ণাংগ প্রতিমূর্তি

জুবিন অসমৰ সকলোৰে প্রাণে প্রাণে, বন্ধে বন্ধে জীয়াই থাকিব; জুবিনে ন্যায় পাবই ঃ গৰিমা শইকীয়া গার্গ



অসম বার্তা, নুমলীগড়, ১ অক্টোবৰ ঃ অসমৰ প্রাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গার্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে বৃহস্পতিবাৰে বোকাখাতত উন্মোচন কৰা হয় শিল্পীগৰাকীৰ এটা পূর্ণাংগ প্রতিমূর্তি। বোকাখাত নাটা মন্দিৰ, ফেচ্‌ভেৰৰ হেৰিটেজ আৰু ইমজাৰ উদ্যোগত তথা বোকাখাতস্থ বিভিন্ন জাতীয় দল-সংগঠনৰ সহযোগত নির্মাণ কৰা এই প্রতিমূর্তিটো বোকাখাতৰ বিধায়ক তথা কেবিনেট মন্ত্রী অতুল ববাৰ বিধায়ক উন্নয়ন পুঁজিৰে নির্মাণ কৰা হৈছে। পুৰাৰ ভাগত অনুষ্ঠিত এক গম্ভীৰ আৰু আবেগঘন অনুষ্ঠানত বস্তি প্রস্তুলন কৰি প্রতিমূর্তিটো উন্মোচন কৰে জুবিন গার্গৰ সহধর্মিণী তথা সাংস্কৃতিক কর্মী গৰিমা শইকীয়া গার্গ আৰু কেবিনেট মন্ত্রী অতুল ববাই। প্রতিমূর্তি উন্মোচনৰ পাছত গৰিমা শইকীয়া গার্গে কয় যে জুবিন গার্গ শাৰীৰিকভাৱে নাথাকিলেও অসমৰ মানুহৰ হৃদয়ত তেওঁ চিৰদিন জীয়াই থাকিব। তেওঁৰ ভাষ্য, "জুবিন গার্গ অসমৰ সকলোৰে প্রাণে প্রাণে, বন্ধে বন্ধে জীয়াই থাকিব। জুবিনে ন্যায় পাবই আৰু আমি ন্যায়ালয়ৰ ওপৰত সম্পূর্ণ আশাবাদী।" ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত প্রকৃততে কি ঘটিছিল, সেই সত্য উদঘাটন হোৱাটো অতি গুৰুত্বপূর্ণ বুলিও গৰিমা শইকীয়া গার্গে উল্লেখ কৰে। তেওঁ ন্যায়িক প্রক্রিয়াৰ ওপৰত আস্থা প্রকাশ কৰি কয় যে সেই দিনটোৰ ঘটনাক্রমৰ প্রকৃত সত্য পোহৰলৈ আহিব লাগিব। উল্লেখ্য যে জুবিন গার্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত চলি আছে। ২০২৬ চনৰ মে' মাহত বিশেষ ফাষ্ট-ট্রেক আদালতে অভিযুক্তসকলৰ বিৰুদ্ধে অভিযোগ গঠন কৰি বিচাৰ আগবাঢ়ই নিছে। ইফালে, জুবিন গার্গৰ মৃত্যুৰ ঘটনাৰ সামগ্রিক পৰিস্থিতি অনুসন্ধানৰ বাবে গঠিত এক-সদস্যৰ ন্যায়িক আয়োগৰ তদন্তও গুৰুত্বপূর্ণ পর্যায়ত আছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০২৬ চনৰ জুলাইত এইতদন্ত আদালতে নিৰীক্ষণ কৰি থকাৰ কথা উল্লেখ কৰি আয়োগৰ ফলাফললৈ অপেক্ষা কৰাৰ সিদ্ধান্ত লৈছিল; পৰৱর্তী শুনানিৰ তাৰিখ ১২ অক্টোবৰ ২০২৬ নির্ধাৰণ কৰা হৈছে। বোকাখাতত প্রতিমূর্তি স্থাপনৰ বাবে নির্বাচিত স্থানটো পৌৰাণিক কাককার্য আৰু নান্দনিক কাপোৰে সজাই তোলাত বিশেষ আকর্ষণৰ সৃষ্টি হয়। শিল্পীগৰাকীৰ স্মৃতিক সৈতে সংগতি ৰাখি স্থানটোৰ পৰিবেশ সজাই তোলাৰ প্রচেষ্টাই গৰিমা শইকীয়া গার্গকো আপ্লুত কৰে। প্রতিমূর্তিটোৰ নির্মাণ সম্পূর্ণ হোৱাত মন্ত্রী অতুল ববায়ো সন্তুষ্টি প্রকাশ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গার্গৰ প্রতিমূর্তিৰ সম্মুখত গীতা পাঠ অনুষ্ঠিত হয়। ইয়াৰ পাছত বোকাখাত বাৰোৱাৰী বিবাহ ভবনত নাম-প্রসঙ্গ আৰু কীর্তন পাঠ অনুষ্ঠিত হয়। আধ্যাত্মিক পৰিবেশৰ মাজতে শিল্পীগৰাকীৰ স্মৃতি সুঁবৰি উপস্থিত বাইজে শ্রদ্ধা নিবেদন কৰে। একেদৰে পুৰাৰ কার্যসূচীৰ অংশ হিচাপে বোকাখাত নাটা মন্দিৰৰ স্থায়ী তোৰণ আৰু স্মৃতি তর্পণৰ স্থানো উন্মোচন কৰা হয়। বোকাখাতৰ বিশিষ্ট ব্যক্তি, সাংস্কৃতিক কর্মী, বিভিন্ন জাতীয় দল-সংগঠনৰ প্রতিনিধি আৰু জুবিন অনুৰাগীসকলে এই অনুষ্ঠানত অংশগ্রহণ কৰে। মন্ত্রী অতুল ববাই জুবিন গার্গৰ স্মৃতি সংৰক্ষণৰ ক্ষেত্রত বোকাখাতবাসীৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায়িক তদন্ত আৰু গোচৰ সম্দর্ভত চৰকাৰৰ তৰফৰ পৰা ন্যায়িক প্রক্রিয়া আগবঢ়াই নিয়াৰ কথা উল্লেখ কৰে। দিনটোৰ ছেটাৰ্যাই জুবিন গার্গৰ সৃষ্টিবাজি, সংগীত আৰু সাংস্কৃতিক অৱদানৰ ওপৰত আলোকপাত কৰা হয়। ইয়াৰ লগতে শিল্পীগৰাকীৰ জন্মপ্রয় গীত-মাত পৰিবেশন কৰি তেওঁক স্মৰণ কৰা হয়। জুবিন গার্গৰ পূর্ণাংগ প্রতিমূর্তি উন্মোচনৰ এই অনুষ্ঠান কেৱল এটা স্মাৰক উন্মোচনতে সীমাবদ্ধ নাথাকি অসমৰ সংগীত, সংস্কৃতি আৰু জনমানসত শিল্পীগৰাকীয়ে এৰি যোৱা গভীৰ প্রভাৱৰ প্রতি বোকাখাতবাসীৰ এক আবেগঘন শ্রদ্ধাঞ্জলি হিচাপে পৰিগণিত হয়।

বকোৰ শিংৰাত 'স্বচ্ছতাই সেৱা'ৰ বাণীৰে SBI লুকী শাখাৰ গছপুলি ৰোপণ



অসম বার্তা, বকো, ১ অক্টোবৰ ঃ 'স্বচ্ছতাই সেৱা' শীর্ষক বাণীৰে বকোৰ শিংৰাত ষ্টেট বেংক অৱ ইণ্ডিয়া, শিংৰাস্থিত কার্যালয়ে উদ্যোগত গ্রহণ কৰা হয় এক ব্যতিক্রমী আৰু প্রশংসনীয় পদক্ষেপ। আজি পুৰা অনুষ্ঠিত এই কার্যসূচীৰ অংশ হিচাপে শাখা চৌহদৰ ৰাস্তাৰ কাষত গছপুলি ৰোপণ কৰা হয়। পৰিবেশ সংৰক্ষণৰ লগতে বহনক্ষম উন্নয়নক মূল চাবিকাঠি হিচাপে লৈ গ্রহণ কৰা এই পদক্ষেপৰ জৰিয়তে সেউজ পৰিবেশ গঢ়ি তোলাৰ লগতে সমাজত পৰিবেশ সুৰক্ষাৰ প্রতি সজাগতা সৃষ্টি কৰাৰ প্রয়াস কৰা হয়। এই গছপুলি ৰোপণ কার্যসূচীত শিংৰা লুকী শাখাৰ শাখা প্রবন্ধক প্রীতম সোণোৱাল, ক্ষেত্র পর্যায়ৰ বিষয়া প্রিয়ম এলেমায়ান, হিচাপ পৰীক্ষক মনোজ শর্মা আৰু সহকর্মী প্রাণজিৎ দাসে সক্রিয়ভাৱে অংশগ্রহণ কৰে। ইয়াৰ উপৰি শিংৰাৰ নবপ্রজন্মৰ সমাজকর্মী জগন্নাথ নাথেও কার্যসূচীটোত সহযোগিতা আগবঢ়ায়। স্বচ্ছতাই সেৱাৰ দৰে এনে কার্যসূচীয়ে কেৱল পৰিবেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাই নহয়, সমাজৰ প্রতিগৰাকী নাগৰিকক প্রকৃতি সংৰক্ষণ আৰু সেউজ পৰিবেশ গঢ়াৰ ক্ষেত্রত অধিক দায়বদ্ধ কৰি তুলিব বুলি আশা প্রকাশ কৰা হয়।

নৈশ অভিযানতো নামিছে ডিচি-এছপি

নগাঁৰত অব্যাহত ফ্লেগ মার্চ

অসম বার্তা, নগাঁও, ১ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনক কেন্দ্র কৰি জিলাখনৰ স্পর্শকাতৰ অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। সম্ভাব্য আশান্তিকৰ পৰিস্থিতি প্রতিৰোধৰ লক্ষ্যৰে জিলা প্রশাসন আৰু আৰক্ষী উদ্যোগত অব্যাহত আছে ফ্লেগ মার্চ তথা এলেকা আধিপতা অভিযান। বৃহস্পতিবাৰে দিনৰ ভাগত বহা বিধানসভা সমষ্টিৰ কাকতিগাঁও আৰু শালমাৰা, লগতে চামগুৰি বিধানসভা সমষ্টিৰ পেনাই অঞ্চলত সশস্ত্র আৰক্ষী আৰু অর্ধসামৰিক বাহিনীৰ ব্যাপক সঞ্চালন পৰিলক্ষিত হয়। সংশ্লিষ্ট বাজহ চক্রৰ চক্র বিষয়া আৰু জেষ্ঠ আৰক্ষী বিষয়াসকলেও নিৰাপত্তাৰক্ষীৰ সৈতে এই ফ্লেগ মার্চত অংশগ্রহণ কৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শর্মাই জানিবলৈ দিয়া মতে, যোৱা নিশা ৰূপহীহাট আৰু নগাঁও-বটদৱা বিধানসভা সমষ্টিৰ অন্তর্গত ভিতৰুৱা তথা স্পর্শকাতৰ অঞ্চলসমূহতো এলেকা আধিপতা অভিযান চলোৱা হয়। এই অভিযানত জিলা আয়ুক্ত আৰণ্যক শইকীয়া আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি. ভি. ৰাকেশ ৰেড্ডীয়েও অংশগ্রহণ কৰে। প্রায় ২০খন বাহনেৰে চলোৱা নৈশ অভিযানৰ জৰিয়তে অঞ্চল সমূহত নিৰাপত্তাৰ বার্তা প্রদান কৰাৰ লগতে সাধাৰণ বাইজৰ মাজত নিৰাপত্তাৰ অনুভূতি বৃদ্ধি কৰাৰ প্রচেষ্টা চলোৱা হৈছে। উপ-নির্বাচনৰ পৰিপ্রেক্ষিতত জিলাখনৰ বিভিন্ন প্রান্তত প্রায় প্রতিদিনে স্পর্শকাতৰ অঞ্চল সমূহত এনে ফ্লেগ মার্চ অনুষ্ঠিত কৰা হৈছে। শেহতীয়াকৈ নির্বাচনী দায়িত্ব পালনৰ বাবে জিলাখনলৈ অধিক সংখ্যক নিৰাপত্তাৰক্ষী বাহিনী অহাৰ পাছত নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী হৈছে। ইফালে, চামগুৰিৰ বর্মা বজাৰৰ ঘটনাৰ পাছতো স্পর্শকাতৰ অঞ্চল সমূহত নিৰাপত্তা অভিযান আৰু জনসজাগতা অভিযান অধিক তীব্রতৰ কৰা হৈছে। আনহাতে, জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত চামগুৰি, ধিং আৰু ৰূপহীহাট বিধানসভা সমষ্টিৰ বিভিন্ন স্পর্শকাতৰ অঞ্চলত ভ্রাম্যমাণ প্রচাৰ অভিযান অব্যাহত আছে। ছখন বাহনেৰে ছটাকৈ দলে মাইকযোগে জনসাধাৰণক সজাগ কৰাৰ লগতে শান্তি-সম্প্রীতি বজাই ৰখাৰ আহ্বান জনাইছে। এই প্রচাৰ অভিযানৰ জৰিয়তে সমাজত আশান্তি সৃষ্টি কৰিব বিচৰা যিকোনো শক্তিক সকীয়াই দিয়াৰ লগতে শান্তিপূর্ণ পৰিবেশ অটুট ৰখাত সর্বসাধাৰণ বাইজৰ সহযোগিতা কামনা কৰিছে জিলা প্রশাসনে।

লংকাত কলেজীয়া ছাত্রীক শালীনতা হানিৰ চেষ্টাৰ অভিযোগ; উত্তপ্ত পিপলপুখুৰী

অসম বার্তা, লংকা, ১ অক্টোবৰ ঃ লংকা-লামডিং সংযোগী বাষ্ট্রীয় ৰাষ্টপথৰ পিপলপুখুৰী অঞ্চলত এগৰাকী কলেজীয়া ছাত্রীক এগৰাকী নিগাজু যুৱকে শালীনতা হানিৰ চেষ্টা কৰাৰ অভিযোগক কেন্দ্র কৰি মঙ্গলবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাক কেন্দ্র কৰি স্থানীয় বাইজ, কলেজীয়া ছাত্র-ছাত্রী আৰু বজৰং দলৰ কর্মীসকল ঘটনাস্থলীত উপস্থিত হোৱাত পৰিস্থিতি অধিক উত্তেজনাপূর্ণ হৈ পৰে। অভিযোগ অনুসৰি, পিপলপুখুৰীৰ বাষ্ট্রীয় ৰাষ্টপথৰ কাষত থকা এখন ধাবাত সুবা সেৱন কৰি ওলাই অহা এজন যুৱকে পথত এগৰাকী কলেজীয়া ছাত্রীক জোকোৱাৰ লগতে শালীনতা হানিৰ চেষ্টা কৰে। ঘটনাটো স্থানীয় লোকসকলৰ মাজত বিয়পি পৰাত পৰৱর্তী সময়ত একাংশ কলেজীয়া শিক্ষার্থী, স্থানীয় বাইজ আৰু বজৰং দলৰ কর্মী ঘটনাস্থলীত উপস্থিত হয়। ইয়াৰ পাছতে ঘটনাস্থলীৰ কাষতে থকা এখন ধাবাক কেন্দ্র কৰি পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। একাংশ উত্তেজিত লোকে ধাবাখনত প্রবেশ কৰি আচবাব লণ্ডভণ্ড কৰাৰ লগতে ধাবাখনত থকা কেইবাগৰাকীও মহিলাক মাৰধৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, উক্ত ধাবাখনত দীর্ঘদিন ধৰি অনৈতিক কার্যকলাপ চলি থকাৰ অভিযোগ স্থানীয় বাইজে উত্থাপন কৰি আহিছিল। পৰিস্থিতি নিয়ন্ত্রণৰ বাবে ঘটনাস্থলীত লংকা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্রণ কৰে। আৰক্ষীয়ে অভিযান চলাই মূল অভিযুক্ত হিচাপে চিনাক্ত কৰা বিনাৰাম চন্দ্র দাস নামৰ যুৱকজনৰ লগতে কেইবাজনো লোকক আটক কৰে। লগতে ধাবাখনত অনৈতিক কার্যকলাপৰ সৈতে জড়িত থকাৰ অভিযোগত কেই বাগৰাকীও মহিলাকো আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, পিপলপুখুৰী অঞ্চলৰ উক্ত ধাবাসমূহত দীর্ঘদিন ধৰি বিভিন্ন অনৈতিক কার্যকলাপ চলি থকাৰ অভিযোগ স্থানীয় বাইজে আৰক্ষীক অবগত কৰি আহাৰ কথা জানিবলৈ দিয়ে। কিন্তু অভিযোগ অনুসৰি, এই সন্দর্ভত পূর্বেও আৰক্ষীক অবগত কৰাব পাছতো সমস্যাটোৰ স্থায়ী সমাধান নোহোৱাত মঙ্গলবাৰে পুনৰ ক্ষোভ প্রকাশ কৰে স্থানীয় বাইজে। ঘটনাৰ পাছত স্থানীয় বাইজে লংকা আৰক্ষী থানাত উপস্থিত হৈ পিপলপুখুৰী অঞ্চলৰ ধাবাসমূহত চলি থকা বুলি অভিযোগ কৰা অনৈতিক কার্যকলাপৰ বিৰুদ্ধে কঠোৰ আৰু বিহিত ব্যৱস্থা গ্রহণ কৰিবলৈ আৰক্ষীৰ ওচৰত দাবী জনায়। সমগ্র ঘটনাক লৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আটক কৰা লোকসকলৰ বিৰুদ্ধে কি ধৰণৰ আইনগত ব্যৱস্থা গ্রহণ কৰা হয়, সেয়া আৰক্ষীৰ তদন্তৰ পাছতহে স্পষ্ট হ'ব।

NAME CORRECTION

My actual and correct name is SAIBENI BIBI which has been recorded in my relevant all documents including Aadhar Card, vide No. 9591 8490 0372, PAN Card vide no DZYPB0117B but my Name has erroneously been recorded MR SAIBANI BEWA in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150026000846 of Lakhiganj Branch as MR SAIBANI BEWA instead of correct name SAIBENI BIBI. That both MR SAIBANI BEWA and SAIBENI BIBI signifies the same and one identical person, i.e. myself.

Sd/-
SAIBENI BIBI
C/O: Monowar Hussain
Vill: Bakuabhangi
PO: Futkibari, Pin: 783345
SD: Bilasipara
Dist: Dhubri, Assam.

AB-184/2026

মোৰ জীৱনেই মোৰ বাৰ্তা

মহাত্মা গান্ধীৰ নৈতিক জীৱন-দৰ্শন

১৯৪৬-৪৭ চন। ভাৰতৰ স্বাধীনতা আৰু দেশ বিভাজনৰ প্ৰাক্‌ক্ষণত সমগ্ৰ দেশ সাম্প্ৰদায়িক অশান্তি আৰু হিংসাৰ জুইত জৰ্জৰিত হৈ পৰিছিল। সেই সময়ত হিন্দু-মুছলিমৰ মাজত অবিশ্বাস, ভয় আৰু সংঘৰ্ষই বহু অঞ্চলৰ সামাজিক জীৱন বিপৰ্যস্ত কৰি তুলিছিল। বিশেষকৈ ১৯৪৬ চনৰ শেষভাগত নোৱাখালী আৰু পূৰ্ববংগৰ বিভিন্ন অঞ্চলত সংঘটিত সাম্প্ৰদায়িক হিংসাই পৰিস্থিতি অতি জটিল কৰি তুলিছিল। এনে এক সংকটময় সময়তে মহাত্মা গান্ধীয়ে শান্তি আৰু সম্প্ৰীতিৰ বাণী লৈ নোৱাখালীৰ গাঁৱে গাঁৱে পদযাত্ৰা আৰম্ভ কৰিছিল। কেৱল হিংসা ৰোধ কৰাই তেওঁৰ উদ্দেশ্য নাছিল। মানুহৰ হৃদয়ৰ পৰা ভয় আৰু ঘৃণা আঁতৰাই পুনৰ বিশ্বাস, সহমৰ্মিতা আৰু সম্প্ৰীতিৰ সেতু নিৰ্মাণ কৰাহে তেওঁৰ প্ৰকৃত উদ্দেশ্য আছিল।

গান্ধীজীৰ জীৱনক বুজিবলৈ তেওঁৰ ভাষণসমূহতকৈ তেওঁৰ জীৱনটোক অধ্যয়ন কৰা অধিক প্ৰয়োজনীয়। সত্য, অহিংসা, আত্মসংযম আৰু মানৱীয়তাৰ যি আদৰ্শ তেওঁ প্ৰচাৰ কৰিছিল, সেই আদৰ্শসমূহ তেওঁ নিজৰ জীৱনতেই পৰীক্ষা কৰি চাইছিল। সেয়ে গান্ধীজীৰ 'মোৰ জীৱনেই মোৰ বাৰ্তা' কেৱল এটা উক্তি নহয়। ই গান্ধীজীৰ নৈতিক জীৱন-দৰ্শনৰ এক সংক্ষিপ্ত প্ৰকাশ।

কলিকতা আৰু নোৱাখালীৰ পৰিৱেশ শান্ত কৰি তেওঁ যেতিয়া দিল্লীলৈ যাবলৈ সাজু হৈছিল, তেতিয়া এগৰাকী সাংবাদিকে কলিকতাৰ বেলিয়াঘাটৰ 'হাইদৰী মঞ্জিল'ত (বৰ্তমান গান্ধী ভৱন) তেওঁক ভাৰতবৰ্ষ তথা বিশ্বৰ জনসাধাৰণৰ উদ্দেশ্যে এটা বাৰ্তা বা বাণী দিবলৈ অনুৰোধ কৰিছিল। সেই সময়ত গান্ধীজীৰ হাতত দীঘলীয়া ভাষণ বা বাৰ্তা লিখাৰ সময় নাছিল। গতিকে তেওঁ চুটি আৰু সাৰগৰ্ভকৈ লিখি দিছিল- 'My life is my message' (মোৰ জীৱনেই মোৰ বাৰ্তা)। এই চমু বাক্যশাৰীৰ অন্তৰালত লুকাই আছে গান্ধীজীৰ সমগ্ৰ জীৱন-দৰ্শনৰ এক গভীৰ তাৎপৰ্য। সত্যৰ অন্বেষণ, অহিংসাৰ সাধনা, আত্মসংযম, সৰল জীৱন-যাপন, শ্ৰমৰ মৰ্যাদা, স্বদেশী-চেতনা, সামাজিক সমতা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি- এই বোৰ গান্ধীজীয়ে কেৱল উপদেশ হিচাপে মানুহক কোৱা নাছিল। নিজৰ জীৱন আৰু কৰ্মৰ মাজেৰে সেই আদৰ্শসমূহ বাস্তৱায়িত কৰাৰ নিৰন্তৰ চেষ্টাও কৰিছিল। তেওঁৰ বাবে আদৰ্শ আৰু আচৰণৰ মাজত কোনো ব্যৱধান থকাটো বাঞ্ছনীয় নাছিল। সেইবাবেই গান্ধীজীৰ জীৱন কেৱল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক গৌৰৱময় অধ্যায় নহয়। ই সত্য, অহিংসা, আত্মশুদ্ধি আৰু মানৱীয়তাৰ ওপৰত প্ৰতিষ্ঠিত এক নৈতিক জীৱন-দৰ্শনৰো অনন্য আখ্যান।

তেওঁৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে যেন সেই একেটি বাৰ্তাই প্ৰতিধ্বনিত হৈছে- মানুহে যি বিশ্বাস কৰে, তাক নিজৰ জীৱনত ধাৰণ কৰিহে সমাজৰ সন্মুখত প্ৰকৃত আদৰ্শ দাঙি ধৰিব পাৰে।

১৮৬৯ চনৰ ২ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত মোহনদাস কৰমচান্দ গান্ধীৰ জন্ম হৈছিল। তেওঁৰ পিতৃ কৰমচান্দ গান্ধী আৰু মাতৃ পুতলীবাই আছিল। পৰিয়াল ৰাজকোটলৈ স্থানান্তৰিত হোৱাৰ পিছত তেওঁ ৰাজকোটতে শিক্ষা গ্ৰহণ কৰে। ১৮৮৮ চনত আইনৰ শিক্ষা অধ্যয়নৰ বাবে ইংলেণ্ডলৈ যায় আৰু ১৮৯১ চনত ভাৰতলৈ উভতি আহে। পিছত ১৮৯৩ চনত এটা ভাৰতীয় প্ৰতিষ্ঠানৰ আইনী কামত দক্ষিণ আফ্ৰিকালৈ যায়। তাত তেওঁ বৰ্ণবৈষম্যৰ সন্মুখীন হয়। এই অভিজ্ঞতাই তেওঁৰ জীৱন আৰু চিন্তাত গভীৰ পৰিৱৰ্তন আনে।



দক্ষিণ আফ্ৰিকাতেই গান্ধীজীৰ সত্যাগ্ৰহৰ চিন্তাই ক্ৰমে বাস্তৱৰূপ লাভ কৰে। অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলেও প্ৰতিপক্ষৰ প্ৰতি ঘৃণা বা হিংসাৰ আশ্ৰয় নোলোৱাৰ এক নতুন পদ্ধতি তেওঁ গঢ়ি তুলিছিল। ১৯০৬ চনৰ পৰা দক্ষিণ আফ্ৰিকাত বৈষম্যমূলক আইনৰ বিৰুদ্ধে তেওঁ সত্যাগ্ৰহ আৰম্ভ কৰে। ১৯০৭ চনত বাধ্যতামূলক পঞ্জীয়ন ব্যৱস্থাৰ বিৰুদ্ধেও সত্যাগ্ৰহ চলিছিল। এই আন্দোলনৰ বাবে তেওঁ ১৯০৮ চনৰ জানুৱাৰীত কাৰাবাসো খাটিবলগীয়া হৈছিল। ১৯০৯ চনত তেওঁ 'হিন্দ স্বৰাজ' নামৰ গুৰুত্বপূৰ্ণ গ্ৰন্থখন ৰচনা কৰে। দক্ষিণ আফ্ৰিকাৰ অভিজ্ঞতাই গান্ধীজীক এটা কথা স্পষ্ট কৰি দিছিল যে- অন্যায়ৰ ওচৰত নতিস্বীকাৰ নকৰিও হিংসাৰ পথ পৰিহাৰ কৰিব পাৰি। সত্যৰ ওপৰত দৃঢ় হৈ অন্যায়ৰ প্ৰতিবাদ কৰাটোৱেই সত্যাগ্ৰহৰ মূল ভাবনা। তেওঁৰ বাবে সত্যাগ্ৰহ কেৱল ৰাজনৈতিক অস্ত্ৰ নাছিল। ই আছিল আত্মশুদ্ধি আৰু নৈতিক সাহসৰ এক পথ।

প্ৰায় একৈশ বছৰ দক্ষিণ আফ্ৰিকাত থকাৰ পিছত ১৯১৫ চনত গান্ধীজী ভাৰতলৈ উভতি আহে আৰু আহমেদাবাদৰ কোচৰবত তেওঁ সত্যাগ্ৰহ আশ্ৰম স্থাপন কৰে। ১৯১৭ চনত এই আশ্ৰমখন সাবৰমতী নদীৰ পাৰলৈ স্থানান্তৰিত হয়। ভাৰতলৈ উভতি অহাৰ পিছত তেওঁ প্ৰথমে দেশৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি সাধাৰণ মানুহৰ জীৱন আৰু সমস্যাৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিছিল। ১৯১৭ চনৰ চম্পাৰণ সত্যাগ্ৰহ তেওঁৰ ভাৰতীয় ৰাজনৈতিক জীৱনৰ উল্লেখযোগ্য অধ্যায়। নীল খেতিৰ সৈতে জড়িত কৃষকসকলৰ সমস্যাক কেন্দ্ৰ কৰি তেওঁ চম্পাৰণত আন্দোলনৰ নেতৃত্ব দিছিল। ১৯১৮ চনত আহমেদাবাদৰ এটা বস্ত্ৰ বয়ন কলৰ শ্ৰমিকসকলৰ আন্দোলনক তেওঁ নেতৃত্ব দিয়ে। সেই একে সময়তে খেড়াৰ কৃষকৰ সমস্যাৰ সৈতেও তেওঁ জড়িত হয়। কৃষক, শ্ৰমিক আৰু সাধাৰণ মানুহৰ দৈনন্দিন সমস্যাও তেওঁৰ ৰাজনৈতিক চিন্তাৰ কেন্দ্ৰবিন্দু আছিল।

১৯১৯ চনত ৰাওলাট আইন গৃহীত হোৱাৰ পিছত গান্ধীজীয়ে ইয়াৰ বিৰুদ্ধে সৰ্বভাৰতীয় সত্যাগ্ৰহৰ আহ্বান জনায়। কিন্তু আন্দোলনৰ সময়ত হিংসাত্মক ঘটনা সংঘটিত হোৱাত তেওঁ গভীৰভাৱে ব্যথিত হয়। পৰৱৰ্তী সময়ত তেওঁ অহিংসা নীতিৰ প্ৰতি অধিক দৃঢ় হয়। তেওঁৰ ৰাজনীতিৰ এটা বিশেষ বৈশিষ্ট্য আছিল- আন্দোলন জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে আন্দোলনৰ নৈতিক শৃংখলাৰ ওপৰত গুৰুত্ব দিয়া। ১৯২০ চনত অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে স্বাধীনতা সংগ্ৰামে ব্যাপক জনআন্দোলনৰ ৰূপ লয়। এই আন্দোলনত বিদেশী সামগ্ৰী বৰ্জন, স্বদেশী সামগ্ৰীৰ ব্যৱহাৰ আৰু জনসাধাৰণক অন্যায় শাসনৰ সৈতে অসহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছিল। ১৯২১ চনত গান্ধীজীয়ে বিদেশী বস্ত্ৰ বৰ্জনৰ আঁচনি গ্ৰহণ কৰে আৰু সৰল জীৱনযাপনৰ প্ৰতীক হিচাপে কেৱল খাদী আৰু নিজ হাতে কটা সূতাৰ পৰা তৈয়াৰী বস্ত্ৰ পৰিধানৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু ১৯২২ চনৰ চৌৰীচৌৰাত সংঘটিত গুলিচালনা ঘটনাৰ ফলত আন্দোলনকাৰীয়ে থানাত অগ্নিসংযোগ কৰাত ব্যথিত হৈ গান্ধীজীয়ে অসহযোগ আন্দোলন স্থগিত কৰে। এই সিদ্ধান্তই তেওঁৰ জীৱন-দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ দিশ প্ৰকাশ কৰে। স্বাধীনতাৰ লক্ষ্য যিমানেই গুৰুত্বপূৰ্ণ নহওক কিয়, সেই লক্ষ্য লাভৰ পথ হিংসাত্মক হোৱাটো তেওঁ মানি লোৱা নাছিল। পিছত ১৮ মাৰ্চ ১৯২২ত তেওঁ গ্ৰেপ্তাৰ হয় আৰু ছয় বছৰৰ কাৰাদণ্ডৰে দণ্ডিত হয়।

১৯৩০ চনৰ লোণ আইন অমান্য আন্দোলন গান্ধীজীৰ জীৱনৰ অন্যতম ঐতিহাসিক ঘটনা। সেই বছৰৰ ১২ মাৰ্চত তেওঁ ৭৮জন সত্যাগ্ৰহী সহযোগীৰ সৈতে সাবৰমতীৰ পৰা দাণ্ডীলৈ পদযাত্ৰা আৰম্ভ কৰে। প্ৰায় ২৪০ মাইলৰ এই পদযাত্ৰাৰ অন্তত ৬ এপ্ৰিলত দাণ্ডীৰ সাগৰপাৰত লোণ আইন অমান্য কৰা হয়। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত লোণক আন্দোলনৰ প্ৰতীকৰূপে ব্যৱহাৰ কৰাৰ ফলত এই আন্দোলনে দেশজুৰি বিশেষ গুৰুত্ব লাভ কৰে। এই আন্দোলনে গান্ধীজীৰ সত্যাগ্ৰহ পদ্ধতিৰ এটা গুৰুত্বপূৰ্ণ দিশ প্ৰকাশ কৰিছিল। কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ নোহোৱাকৈ, সাধাৰণ মানুহক লগত লৈ, অন্যায় আইনৰ শান্তিপূৰ্ণ অমান্যতাৰ জৰিয়তে শাসনৰ বিৰুদ্ধে প্ৰতিবাদ যে কৰিব পাৰি- এই ধাৰণাই স্বাধীনতা সংগ্ৰামক নতুন শক্তি দিছিল। লোণ আইন অমান্য আন্দোলনৰ সময়ত বিপুল সংখ্যক লোক গ্ৰেপ্তাৰ হৈছিল।

গান্ধীজীৰ চিন্তাত স্বাধীনতা কেৱল বিদেশী শাসকৰ পৰা মুক্তিয়েই নাছিল। তেওঁ সামাজিক আৰু অৰ্থনৈতিক আত্ম-নিৰ্ভৰশীলতাকো গুৰুত্ব দিছিল। খাদী, গাঁও উদ্যোগ, স্বদেশী আৰু নিজ হাতে কাম কৰাক তেওঁ সন্মানৰ বিষয় হিচাপে গণ্য কৰিছিল। তেওঁৰ মতে গাঁওসমাজ শক্তিশালী নোহোৱাকৈ দেশৰ সামগ্ৰিক উন্নতি সম্পূৰ্ণ হ'ব নোৱাৰে।



নলিনী ৰঞ্জন ভূঞা

এই চিন্তাৰ সৈতে সংগতি ৰাখি তেওঁ গাঁও উদ্যোগ আৰু গঠনমূলক কামৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। অৰ্থনৈতিক বৈষম্য দূৰীকৰণৰ বাবে তেওঁৰ 'ন্যাসৰক্ষী নীতি' আছিল এক অনন্য নৈতিক আৰ্হি। ধনী শ্ৰেণীয়ে নিজৰ অতিৰিক্ত সম্পদক ব্যক্তিগত সম্পত্তি বুলি নাভাবি সমাজৰ কল্যাণৰ হকে ন্যাসৰক্ষী বা তত্ত্বাৱধায়কৰ দৰেহে ব্যৱহাৰ কৰা উচিত- এই ভাবনাই শ্ৰেণী সংঘাতৰ পৰিৱৰ্তে পাৰস্পৰিক বিশ্বাসৰ ভিত্তিত এক শোষণমুক্ত সমাজৰ সপোন দেখিছিল। অস্পৃশ্যতাৰ বিৰুদ্ধে গান্ধীজীৰ সংগ্ৰামো তেওঁৰ জীৱন-দৰ্শনৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁ সমাজৰ তথাকথিত অস্পৃশ্যতা আৰু জাতিভিত্তিক বৈষম্যৰ বিৰুদ্ধে থিয় দি পিছপৰা আৰু নিষ্পেষিত লোকসকলৰ সামাজিক মৰ্যাদা আৰু অধিকাৰৰ বাবে কাম কৰিছিল। ১৯৩৩ চনৰ পৰা তেওঁ অস্পৃশ্যতা দূৰ কৰাৰ উদ্দেশ্যে দেশজুৰি ভ্ৰমণ কৰে। সেই সময়তে 'হৰিজন' নামৰ এখন সাপ্তাহিক পত্ৰিকাৰো প্ৰকাশ আৰম্ভ কৰে। ১৯৩৪ চনত তেওঁ সৰ্বভাৰতীয় গ্ৰাম উদ্যোগ সংস্থা স্থাপন কৰে।

গান্ধীজীৰ জীৱনত ধৰ্মৰো এক বিশেষ স্থান আছিল। কিন্তু তেওঁৰ ৰাজহুৱা চিন্তাত ধৰ্মৰ অৰ্থ কেৱল কোনো এটা সম্প্ৰদায়ৰ আধিপত্যত নাছিল। সত্য, নৈতিকতা আৰু মানৱতাৰ ওপৰত তেওঁৰ গুৰুত্ব আছিল। হিন্দু-মুছলমান সম্প্ৰীতি তেওঁৰ ৰাজনৈতিক আৰু সামাজিক চিন্তাৰ অন্যতম কেন্দ্ৰবিন্দু আছিল। সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত তেওঁ উপবাস আৰু শান্তি-প্ৰচেষ্টাৰ আশ্ৰয় লৈছিল। ১৯২৪ চনত সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে তেওঁ একৈশ দিন উপবাস কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন স্বাধীনতা সংগ্ৰামৰ অন্তিম পৰ্যায়ৰ অন্যতম বৃহৎ সৰ্বভাৰতীয় গণআন্দোলন আছিল। এই আন্দোলনত গান্ধীজীসহ বহু নেতা গ্ৰেপ্তাৰ হয়। গান্ধীজীক গ্ৰেপ্তাৰ কৰাৰ পিছত আগা খান প্ৰাসাদত বন্দী কৰি ৰখা হৈছিল। তাতেই তেওঁৰ ঘনিষ্ঠ সহযোগী মহাদেৱ দেশাইৰ মৃত্যু হয়। ১৯৪৪ চনত তেওঁৰ পত্নী কস্তুৰবা গান্ধীৰো আগা খান প্ৰাসাদতে বন্দী অৱস্থাত মৃত্যু হয়। এই ব্যক্তিগত আঘাতৰ মাজতো গান্ধীজীৰ ৰাজহুৱা জীৱনৰ মূল লক্ষ্য- অহিংসা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি অব্যাহত থাকে।

১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ সময়ত দেশ বিভাজনৰ ফলত সাম্প্ৰদায়িক হিংসাই ব্যাপক ৰূপ লয়। সেই সময়ত গান্ধীজীয়ে ক্ষমতাৰ কেন্দ্ৰত থকাৰ পৰিৱৰ্তে হিংসাগ্ৰস্ত মানুহৰ মাজত থকাত অধিক গুৰুত্ব দিছিল। তেওঁ পূৰ্ববংগ, বিহাৰ, কলিকতা আৰু দিল্লীত শান্তি স্থাপনৰ বাবে ভ্ৰমণ আৰু প্ৰাৰ্থনা কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত যেতিয়া ভাৰতে স্বাধীনতা লাভ কৰিছিল, তেতিয়া গান্ধীজী কলিকতাত সাম্প্ৰদায়িক হিংসা ৰোধৰ বাবে উপবাস আৰু প্ৰাৰ্থনাত ব্যস্ত আছিল। স্বাধীনতাৰ পিছতো গান্ধীজীৰ চিন্তাৰ কেন্দ্ৰত আছিল সাম্প্ৰদায়িক ঐক্য। ১৯৪৮ চনৰ ১৩ জানুৱাৰীত দিল্লীত তেওঁ জীৱনৰ অন্তিম উপবাস আৰম্ভ কৰিছিল আৰু ১৮ জানুৱাৰীত উপবাস ভংগ কৰিছিল। ১৯৪৮ চনৰ ৩০ জানুৱাৰীত দিল্লীৰ বিৰলা ভৱনত প্ৰাৰ্থনা সভালৈ যোৱাৰ সময়ত নাথুৰাম গডছে তেওঁক গুলীয়াই হত্যা কৰে। তেতিয়া গান্ধীজীৰ বয়স আছিল ৭৮ বছৰ।

গান্ধীজীৰ জীৱনৰ মূল্যায়ন কেৱল তেওঁৰ ৰাজনৈতিক সফলতা বা ব্যৰ্থতাৰ হিচাপত কৰিলে তেওঁৰ জীৱন-দৰ্শনৰ সম্পূৰ্ণ অৰ্থ ধৰা নপৰে। তেওঁ নিজেই নিজৰ জীৱনক পৰীক্ষাৰ ক্ষেত্ৰ হিচাপে গ্ৰহণ কৰিছিল। আজিৰ সমাজত গান্ধীজীক স্মৰণ কৰাৰ অৰ্থ কেৱল তেওঁৰ জন্মদিন উদযাপন কৰা নহয়। তেওঁৰ জীৱনৰ পৰা আমি কিমানখিনি শিকিছোঁ, সেই প্ৰশ্নটো অধিক গুৰুত্বপূৰ্ণ। মতভেদ থাকিব পাৰে, কিন্তু মতভেদৰ বাবে হিংসাৰ আশ্ৰয় নোলোৱা, অন্যায়ৰ বিৰুদ্ধে মাত মাতিলেও মানুহক ঘৃণা নকৰা, নিজৰ অধিকাৰৰ লগতে আনৰ অধিকাৰকো সন্মান কৰা, সমাজৰ দুৰ্বল মানুহৰ প্ৰতি দায়বদ্ধ হোৱা, নিজৰ জীৱনত সৰলতা আৰু আত্মসংযমৰ মূল্য উপলব্ধি কৰা- এইবোৰ গান্ধীজীৰ জীৱনৰ পৰা লাভ কৰিব পৰা গুৰুত্বপূৰ্ণ শিক্ষা। সেইবাবেই তেওঁৰ জীৱন-দৰ্শনৰ শক্তি কেৱল তেওঁ কি কৈছিল তাত নাই। তেওঁ নিজৰ জীৱনত সেই কথাবোৰ কিমানখিনি ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছিল, তাতেই ইয়াৰ মূল তাৎপৰ্য নিহিত হৈ আছে।

'মোৰ জীৱনেই মোৰ বাৰ্তা'- এই বাক্যাংশৰ গভীৰ অৰ্থ সেয়ে আজিও আমাৰ বাবে চিন্তাৰ বিষয়। সত্য যদি কেৱল কথাত থাকে, তেন্তে তাৰ মূল্য সীমিত। কিন্তু সত্য যদি আচৰণত প্ৰকাশ পায়, তেন্তে সেয়া জীৱনৰ আদৰ্শ হৈ উঠে। অহিংসা যদি কেৱল উপদেশ হৈ থাকে, তেন্তে সেয়া সহজ। কিন্তু হিংসাৰ উত্তেজনাৰ মাজতো অহিংসাৰ পথ ধৰি ৰখাটো কঠিন। গান্ধীজীয়ে নিজৰ জীৱনেৰে এই কঠিন পথ অনুসৰণ কৰিবলৈ চেষ্টা কৰিছিল। বৰ্তমানৰ ডিজিটেল যুগত ক্ৰমবৰ্ধমান অসহিষ্ণুতা, ভুৱা তথ্যৰ প্ৰভাৱ, উপভোক্তাবাদী মানসিকতা আৰু প্ৰকৃতিৰ ওপৰত চলা অবিচাৰৰ সময়ত গান্ধীজীৰ আত্মসংযম আৰু সীমিত প্ৰয়োজনৰ জীৱন-দৰ্শন অধিক প্ৰাসংগিক হৈ পৰিছে। 'পৃথিৱীখনে মানুহৰ প্ৰয়োজন পূৰাব পাৰে, কিন্তু লোভ পূৰাব নোৱাৰে'- তেওঁৰ এই সৰ্বজনীন সতৰ্কবাণীয়ে আধুনিক মানুহৰ নৈতিক স্থিতি আৰু পৰিৱেশ সংৰক্ষণৰ দিশতো এক দিকদৰ্শন দিয়ে। সেইবাবেই গান্ধী জয়ন্তীৰ প্ৰকৃত তাৎপৰ্য কেৱল এজন ঐতিহাসিক ব্যক্তিক স্মৰণ কৰাতে সীমাবদ্ধ নহয়। এই দিনটো সত্য, অহিংসা, মানৱতা, সামাজিক সমতা আৰু আত্মসংযমৰ মূল্য নতুনকৈ ভাবি চোৱাৰ এক সুযোগ। সমাজ সলনি কৰাৰ আগতে নিজৰ আচৰণ সলনি কৰাৰ প্ৰয়োজনীয়তা গান্ধীজীৰ জীৱনে আমাক সোঁৱৰাই দিয়ে। নিজৰ জীৱনকেই যদি আদৰ্শৰ প্ৰথম পৰীক্ষাগাৰ কৰি তুলিব পাৰোঁ, তেন্তে 'মোৰ জীৱনেই মোৰ বাৰ্তা' বাক্যাংশটো কেৱল ইতিহাসৰ এটা স্মৰণীয় উক্তি হৈ নাথাকি আমাৰ নিজৰ জীৱনৰ বাবেও এক নৈতিক আহ্বান হৈ পৰিব।

লেখকৰ ঠিকনা ঃ
জামুগুৰিহাট, শোণিতপুৰ

সমাজ পৰিৱৰ্তনত গান্ধী দৰ্শনৰ প্ৰাসংগিকতা

চন্দন কুমাৰ নাথ

প্ৰতিবছৰে ২ অক্টোবৰৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো এক বিশেষ নৈতিক তাৎপৰ্যৰে উদ্‌যাপিত হয়। ৰাষ্ট্ৰসংঘই এই পবিত্ৰ দিনটোক আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে স্বীকৃতি দিয়াৰ মূল কাৰণ হ'ল- মোহনদাস কৰমচান্দ গান্ধী কোনো বিশেষ যুগ বা ভৌগোলিক সীমাৰ মাজত আৱদ্ধ ব্যক্তি নাছিল, বৰং তেওঁ আছিল মানৱ জাতিৰ বিবেকৰ চিৰন্তন জাগ্ৰত কণ্ঠস্বৰ। আজি বিশ্ব যেতিয়া যুদ্ধৰ বিভীষিকা, জলবায়ু সংকট, তীব্ৰ অৰ্থনৈতিক বৈষম্য আৰু সামাজিক অসহিষ্ণুতাৰ এক অভূতপূৰ্ব সন্ধিক্ষণত উপনীত হৈছে, তেনে সময়ত মহাত্মা গান্ধীৰ জীৱন আৰু চিন্তাধাৰাক কেৱল আনুষ্ঠানিক স্মৃতিচাৰণৰ মাজত সীমাবদ্ধ কৰি ৰখাৰ কোনো সুযোগ নাই। বৰং সাম্প্ৰতিক জটিল পৰিস্থিতিৰ বাস্তৱমুখী সমাধান বিচাৰি গান্ধী দৰ্শনৰ পুনৰ্মূল্যায়ন আৰু সমাজ পৰিৱৰ্তনৰ স্বাৰ্থত তাৰ প্ৰয়োগ আজিৰ সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৌদ্ধিক তথা সামাজিক দায়িত্ব হৈ পৰিছে।

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে গান্ধীজীৰ সমগ্ৰ জীৱন আৰু কৰ্মৰ মূল ভেটি আছিল অহিংসা আৰু সত্যাগ্ৰহ। বৰ্তমান বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰাছিয়া-ইউক্ৰেইনৰ দীৰ্ঘম্যাদী যুদ্ধই ইউৰোপৰ স্থিৰতা বিঘ্নিত কৰাৰ সমান্তৰালকৈ মধ্যপ্ৰাচ্যৰ হিংসাত্মক সংঘাতে হাজাৰ হাজাৰ নিৰীহ মানুহৰ প্ৰাণ কাঢ়ি লৈছে। এনে এক হিংসাজৰ্জৰ পৃথিৱীত গান্ধীৰ অহিংসা কোনো নিষ্ক্ৰিয় সহনশীলতা বা দুৰ্বলতাৰ প্ৰতীক নাছিল, বৰং ই আছিল অন্যায় আৰু পাশৱিক শক্তিৰ বিৰুদ্ধে নৈতিক শক্তিৰ সক্ৰিয় প্ৰতিৰোধ। গান্ধীজীয়ে কৈছিল যে চকুৰ বিনিময়ত চকু লোৱা নীতিয়ে অৱশেষত সমগ্ৰ পৃথিৱীখনকে অন্ধ কৰি তোলে। বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় কূটনীতিত যেতিয়া পাৰমাণৱিক অস্ত্ৰৰ প্ৰতিযোগিতা আৰু সামৰিক আধিপত্যই শান্তিক পণবন্দী কৰি ৰাখিছে, তেতিয়া গান্ধীৰ এই মৌলিক বাৰ্তাটোৱেই বিশ্বশান্তিৰ একমাত্ৰ বিকল্প হিচাপে উদয় হয়। ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অহিংস সংলাপেৰে বিবাদ নিষ্পত্তি কৰাৰ যি প্ৰক্ৰিয়া, সেয়া মূলতঃ গান্ধীজীৰ সত্যাগ্ৰহৰ আধুনিক বিস্তাৰ। সমাজ পৰিৱৰ্তনৰ বাবে অহিংসাৰ সৈতে জড়িত আন এক অপৰিহাৰ্য ধাৰণা হ'ল সততাৰ সন্ধান। সমসাময়িক ডিজিটেল যুগত তথ্য-প্ৰযুক্তিৰ অভূতপূৰ্ব বিকাশ ঘটিছে যদিও তাৰ সমান্তৰালভাৱে ভুৱা বাতৰি, সামাজিক মাধ্যমত বিষবাষ্প আৰু মতাদৰ্শগত মেৰুকৰণে মানৱ সমাজক গভীৰ বিভাজনৰ দিশে ঠেলি দিছে। শেহতীয়া বিভিন্ন সমীক্ষাই প্ৰমাণ কৰিছে যে কেনেদৰে এলগৰিথমৰ জৰিয়তে মানুহৰ মাজত ঘৃণা আৰু আৱেগিক উত্তেজনা বৃদ্ধি কৰা হৈছে। গান্ধীজীয়ে সত্যক ঈশ্বৰৰ সমতুল্য আখ্যা দিছিল আৰু এই সত্য আছিল বৈজ্ঞানিক যুক্তি, ন্যায় আৰু আত্মশুদ্ধিৰ ওপৰত প্ৰতিষ্ঠিত। যেতিয়া সমাজত প্ৰৱঞ্চনা আৰু অপপ্ৰচাৰে গণতান্ত্ৰিক মূল্যবোধক আঘাত হানে, তেতিয়া এজন নাগৰিকৰ আটাইতকৈ ডাঙৰ অস্ত্ৰ হৈ পৰে ব্যক্তিগত সততা আৰু বিবেকৰ জাগৰণ। গান্ধীৰ মতে যিকোনো সমাজ সংস্কাৰ ব্যক্তিৰ আত্মশুদ্ধিৰ পৰাই আৰম্ভ হ'ব লাগিব। সমাজ পৰিৱৰ্তনৰ কোনো বাহ্যিক আঁচনি সফল হ'ব নোৱাৰে যদিহে মানুহৰ অন্তৰত সত্যনিষ্ঠা আৰু ন্যায়ৰ প্ৰতি দায়বদ্ধতা নাথাকে।

গান্ধীজীৰ সমাজ চিন্তাৰ অন্যতম শ্ৰেষ্ঠ অৱদান হ'ল 'সৰ্বোদয়' আৰু 'অন্ত্যোদয়'ৰ ধাৰণা। সৰ্বোদয়ৰ অৰ্থ সকলোৰে সৰ্বাংগীণ কল্যাণ আৰু অন্ত্যোদয়ৰ তাৎপৰ্য হ'ল সমাজৰ একেবাৰে পিচপৰি থকা, নিষ্পেষিত ব্যক্তিজনৰ মুক্তি। অ'ফামৰ দৰে আন্তৰ্জাতিক সংস্থাসমূহৰ শেহতীয়া বাৰ্ষিক প্ৰতিবেদনবোৰে স্পষ্টভাৱে আঙুলিয়াই দিছে যে আজি বিশ্বজুৰি সম্পদৰ কেন্দ্ৰীকৰণ এক ভয়ংকৰ স্তৰত উপনীত হৈছে, য'ত মাত্ৰ মুষ্টিমেয় এমুঠি পুঁজিপতিৰ হাতত বিশ্বৰ সিংহভাগ অৰ্থনীতি কেন্দ্ৰীভূত হৈ পৰিছে। এই বৰ্ধিত বৈষম্যই সমাজত গভীৰ অসন্তোষ আৰু শ্ৰেণী সংঘাতৰ সৃষ্টি কৰিছে। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে যিসকল ব্যক্তিৰ হাতত অতিৰিক্ত সম্পদ আছে, তেওঁলোকে সেই সম্পদক ব্যক্তিগত সম্পত্তি হিচাপে গণ্য নকৰি সমাজৰ দৰিদ্ৰ জনসাধাৰণৰ কল্যাণৰ বাবে ন্যস্ত থকা পবিত্ৰ আমানত হিচাপে ব্যৱহাৰ কৰা উচিত। সামাজিক ন্যায়ৰ বাবে অৰ্থনীতি কেৱল মুনাফাভিত্তিক নহৈ মানৱকেন্দ্ৰিক হোৱাটো গান্ধী দৰ্শনৰ মূল লক্ষ্য আছিল। তদুপৰি গান্ধীজীৰ 'গ্ৰাম্য স্বৰাজ'ৰ ধাৰণা সমসাময়িক ভাৰতৰ বহনক্ষম উন্নয়নৰ বাবে এক শক্তিশালী পথপ্ৰদৰ্শক। মহাত্মা গান্ধীয়ে সদায় উপলব্ধি কৰিছিল যে প্ৰকৃত ভাৰতবৰ্ষ বাস কৰে ইয়াৰ সাত লাখ গাঁৱত। বৰ্তমান সময়ত অনিয়ন্ত্ৰিত নগৰীকৰণে চহৰবোৰক জাবৰ-জোঁথৰ, যান-জট আৰু প্ৰদূষণৰ নৰকত পৰিণত কৰিছে, আনহাতে গাঁওবোৰ যুৱ প্ৰজন্মৰ প্ৰব্ৰজনৰ ফলত উদং হৈ পৰিছে। স্বাৱলম্বী গ্ৰামোন্নয়ন, কুটিৰ শিল্প, স্থানীয় সম্পদৰ উচিত ব্যৱহাৰ আৰু বিকেন্দ্ৰীভূত প্ৰশাসনৰ যি সপোন গান্ধীয়ে দেখিছিল, সেয়া আজিৰ আত্মনিৰ্ভৰশীল ভাৰত গঠনৰ আধাৰশিলা। স্থানীয় পৰ্যায়ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু পঞ্চায়তীৰাজ ব্যৱস্থাৰ শক্তিশালীকৰণৰ জৰিয়তেহে সাধাৰণ মানুহৰ হাতলৈ প্ৰকৃত স্বৰাজ হস্তান্তৰ কৰা সম্ভৱ, যিটো সমাজ পৰিৱৰ্তনৰ এক অনিবাৰ্য চৰ্ত। পৰিৱেশ আৰু প্ৰকৃতি সংৰক্ষণৰ দিশতো মহাত্মা গান্ধী আছিল এক যুগদ্ৰষ্টা চিন্তাবিদ। শেহতীয়াকৈ বিশ্বৰ বিভিন্ন প্ৰান্তত ঘটি থকা অনিয়মীয়া বানপানী, খৰাং, দাবানল আৰু উত্তাপৰ বাঢ়ি অহা মাত্ৰাই স্পষ্ট কৰি দিছে যে আধুনিক ভোগবাদী জীৱনশৈলীয়ে ধৰিত্ৰীক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। বিভিন্ন আন্তৰ্জাতিক জলবায়ু সন্মিলনত বহনক্ষম জীৱনশৈলী আৰু প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ যি আলোচনা চলিছে, তাৰ সাৰমৰ্ম গান্ধীজীৰ জীৱনাদৰ্শতে সন্নিবিষ্ট হৈ আছিল। প্ৰয়োজনতকৈ অধিক অপব্যৱহাৰ নকৰা, মিতব্যয়িতা অৱলম্বন কৰা আৰু পৰিৱেশৰ জৈৱ-বৈচিত্ৰ্য ৰক্ষা কৰাটো গান্ধীৰ বাবে এক নৈতিক ধৰ্ম আছিল, যিটো ধৰ্ম আজিৰ মানৱ জাতিয়ে পুনৰ গ্ৰহণ কৰাৰ সময় আহি পৰিছে। একেদৰে সামাজিক পৰিৱেশ আৰু জনস্বাস্থ্যৰ প্ৰসংগত গান্ধীজীৰ স্বচ্ছতা আন্দোলন এক বৈপ্লৱিক পদক্ষেপ আছিল। তেওঁ ঘোষণা কৰিছিল যে স্বচ্ছতা স্বাধীনতাতকৈও অধিক গুৰুত্বপূৰ্ণ। ভাৰত চৰকাৰে আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানৰ দৰে বৃহৎ পদক্ষেপে দেশখনত অনাময় ব্যৱস্থাৰ এক যুগান্তকাৰী পৰিৱৰ্তন আনিছে যদিও গান্ধীজীৰ স্বচ্ছতাৰ অৰ্থ কেৱল শাৰীৰিক বা ভৌগোলিক আৱৰ্জনা নিষ্কাশনতেই সীমাবদ্ধ নাছিল। তেওঁৰ স্বচ্ছতা আছিল মানসিক মলিনতা, জাতিভেদ আৰু কুসংস্কাৰৰ বিৰুদ্ধে এক সন্মিলিত সংগ্ৰাম। সমাজৰ তথাকথিত দলিত আৰু নিষ্পেষিত শ্ৰেণীক মৰ্যাদা প্ৰদান কৰিবলৈ তেওঁ নিজ হাতেৰে অনাময় শ্ৰমিকৰ কাম কৰি শ্ৰমৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিছিল। আজি একবিংশ শতিকাতো যেতিয়া সমাজৰ বিভিন্ন স্তৰত বৈষম্য, নাৰী নিৰ্যাতন আৰু সাম্প্ৰদায়িক বিদ্বেষৰ বাতাৱৰণ দেখিবলৈ পোৱা যায়, তেতিয়া স্পষ্ট হৈ পৰে যে আমাৰ সমাজখনক মানসিক স্বচ্ছতাৰ এক নতুন অভিযানৰ অতি প্ৰয়োজন হৈছে। মহাত্মা গান্ধীয়ে নাৰী শক্তিক সমাজ পৰিৱৰ্তনৰ আটাইতকৈ শক্তিশালী চালিকাশক্তি হিচাপে গণ্য কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামক দিনবোৰত ঘৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থকা লাখ লাখ মহিলাক ৰাজপথলৈ উলিয়াই আনি অহিংস আন্দোলনৰ মূল কাণ্ডাৰী কৰি তোলাটো ইতিহাসৰ এক বিৰল ঘটনা আছিল। গান্ধীজীৰ বিশ্বাস আছিল যে নৈতিক শক্তি আৰু আত্মত্যাগৰ ক্ষেত্ৰত নাৰী পুৰুষতকৈ কোনো গুণে কম নহয়। আজিৰ যুগত যেতিয়া নাৰী সুৰক্ষা আৰু সম অধিকাৰৰ প্ৰশ্নটো সমগ্ৰ দেশজুৰি চৰ্চিত হৈছে, তেতিয়া গান্ধীজীৰ নাৰী সৱলীকৰণৰ আদৰ্শই আমাক সোঁৱৰাই দিয়ে যে নাৰীক কেৱল আইনগত অধিকাৰ দিয়াই যথেষ্ট নহয়, তেওঁলোকক সামাজিক আৰু অৰ্থনৈতিকভাৱে সম্পূৰ্ণ সমমৰ্যাদা প্ৰদান নকৰিলে কোনো দেশ বা সমাজে প্ৰকৃত প্ৰগতি লাভ কৰিব নোৱাৰে। প্ৰকৃততে সমাজ পৰিৱৰ্তন কোনো কৃত্ৰিম ব্যৱস্থা বা কেৱল চৰকাৰী অনুদানৰ ওপৰত নিৰ্ভৰ কৰি স্থায়িত্ব লাভ কৰিব নোৱাৰে। গান্ধীজীৰ চিন্তাৰ অনুপম বৈশিষ্ট্য এয়াই আছিল যে তেওঁ ৰাজনৈতিক মুক্তিৰ সমান্তৰালভাৱে সামাজিক আৰু আধ্যাত্মিক মুক্তিৰ ওপৰত সমানে জোৰ দিছিল। তেওঁৰ বাবে উদ্দেশ্য আৰু উপায়ৰ পবিত্ৰতা অপৰিহাৰ্য আছিল। অৰ্থাৎ এটা মহৎ উদ্দেশ্য সাধন কৰিবলৈ গৈ অনৈতিক বা হিংসাত্মক পথ অৱলম্বন কৰিলে সেই উদ্দেশ্যৰ কোনো মূল্য নাথাকে। বৰ্তমানৰ ৰাজনীতি আৰু সমাজ ব্যৱস্থাত যেতিয়া যিকোনো প্ৰকাৰে ক্ষমতা দখল আৰু লক্ষ্যপ্ৰাপ্তিকেই একমাত্ৰ সফলতা হিচাপে গণ্য কৰা হৈছে, তেতিয়া গান্ধীৰ উপায়ৰ পবিত্ৰতাৰ নীতিটো এক সুস্থ গণতান্ত্ৰিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত আটাইতকৈ জৰুৰী পথপ্ৰদৰ্শক ৰূপে দেখা দিয়ে।

গান্ধীজী কোনো ধূলিধূসৰিত অতীতৰ প্ৰতিমূৰ্তি নহয়, বৰং তেওঁ হৈছে বৰ্তমান আৰু ভৱিষ্যতৰ এক জীৱন্ত নৈতিক বিকল্প। ২ অক্টোবৰৰ দিনটোত মালা পিন্ধাই বা ভাষণ দি দায়িত্ব সামৰাৰ পৰিৱৰ্তে তেওঁৰ অহিংসা, সততা, পৰিৱেশ সচেতনতা আৰু সৰ্বজনীন মানৱপ্ৰেমৰ শিক্ষাক বাস্তৱ জীৱনত প্ৰতিফলিত কৰাটোহে হ'ব তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি। আজিৰ অশান্ত, বিভক্ত আৰু প্ৰদূষিত পৃথিৱীখনক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰি এখন সমতাপূৰ্ণ, শান্তিপূৰ্ণ আৰু প্ৰকৃতিবান্ধৱ মানৱ সমাজ গঢ়ি তুলিবলৈ হ'লে গান্ধী দৰ্শনৰ পোহৰ বিচাৰি আমি পুনৰ আত্মানুসন্ধান আৰু অহিংস সংগ্ৰামেই হ'ব আধুনিক সমাজ পৰিৱৰ্তনৰ আটাইতকৈ সাৰ্থক পদক্ষেপ।

লেখকৰ ঠিকনা ঃ সৰভোগ, বৰপেটা

গান্ধী জয়ন্তী দিৱসৰ তাৎপৰ্য

অহিংসাৰ পূজাৰী মহামানৱ মহাত্মা গান্ধীৰ জন্ম জয়ন্তীৰ সৈতে সংগতি ৰাখি(International Day Of Non Violence) এই দিৱসটি পালন কৰা হয়। ২০০৭ চনৰ ১৫ জুনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এক প্ৰস্তাৱ যোগে এই দিৱসটি পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মহাত্মাগান্ধীয়ে কৈছিল- "অহিংসা হৈছে মানৱ জাতিৰ হাতত থকা আটাইতকৈ ডাঙৰ শক্তি।" হিংসাই কেৱল ধ্বংস মাতি আনে, কিন্তু অহিংসাই স্থায়ী শান্তিৰ পথ দেখুৱায়। এই দিনটোৱে আমাক সোঁৱৰাই দিয়ে যে, যিকোনো ডাঙৰ সমস্যা বা মতানৈক্য হিংসাৰ সলনি পাৰস্পৰিক আলোচনা, কূটনীতি আৰু বুজাবুজিৰ মাজেৰে সমাধান কৰিব পাৰি। বৰ্তমানৰ যুদ্ধজৰ্জৰ আৰু সংঘাতময় বিশ্বত এই দিৱসৰ প্ৰাসংগিকতা অত্যন্ত গভীৰ। ই হৈছে এক গোলকীয় আন্দোলন, এক চিৰন্তন দৰ্শন আৰু মানৱতাৰ এক গভীৰ প্ৰতিশ্ৰুতি। বৰ্তমানৰ যুদ্ধ-বিগ্ৰহ, সন্ত্ৰাসবাদ আৰু অসহিষ্ণুতাৰে ভৰা বিশ্বখনত অহিংসাৰ প্ৰাসংগিকতা পূৰ্বতকৈ বহু গুণে বৃদ্ধি পাইছে। ই কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বতে শান্তি আৰু সম্প্ৰীতিৰ একমাত্ৰ পথ। মহাত্মা গান্ধীৰ এই অহিংসা নীতি কেৱল ভাৰততে সীমাবদ্ধ নাছিল, ই বিশ্বৰ বহু মহান নেতাক অনুপ্ৰাণিত কৰিছিল। নেতাকমাৰ্টিন লুথাৰ, কিং জুনিয়ৰৰ পৰা আৰম্ভ কৰি নেলচন মেণ্ডেলা লৈকে বিশ্বৰ মহান নেতা সকলে অহিংসাৰ পথ অনুসৰণ কৰিয়েই সমাজলৈ ডাঙৰ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। শিক্ষা আৰু জনসচেতনতাৰ জৰিয়তে বিশ্বত অহিংসাৰ বাৰ্তা প্ৰচাৰ আৰু প্ৰসাৰ কৰা, শান্তি-সম্প্ৰীতি তথা সহনশীলতাৰ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে এই অহিংসা দিৱসটি আনুষ্ঠানিকভাৱে পালন আৰু কাৰ্যকৰী হৈ আহিছে। এখন সুস্থ আৰু গণতান্ত্ৰিক সমাজ গঠনৰ বাবে বিভিন্ন জাতি, ধৰ্ম আৰু বৰ্ণৰ লোকৰ মাজত সহনশীলতা আৰু সন্মান থকাটো অত্যন্ত জৰুৰী। অহিংসা দিৱস পালনে সমাজত এই ভাতৃত্ববোধ আৰু একতা বৰ্তাই ৰখাত অনুপ্ৰাণিত কৰে। যুৱ প্ৰজন্মৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা ক্ষোভ আৰু হিংসাত্মক প্ৰৱণতা ৰোধ কৰিবলৈ গান্ধীজীৰ আদৰ্শ অত্যন্ত গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়।

এই দিনটো ভাৰতৰ এক ঐতিহাসিক আৰু পবিত্ৰ দিন। আন্তৰ্জাতিক অহিংসা দিৱস, কেৱল এটা দিনৰ বাবে ভাষণ দিয়া বা পষ্টাৰ লগোৱা দিন নহয়, বৰঞ্চ ই নিজৰ ভিতৰত শান্তি, ক্ষমা আৰু ক্ৰোধ নিয়ন্ত্ৰণৰ অভ্যাস গঢ়ি তুলি এখন সুন্দৰ সমাজ গঢ়াৰ সংকল্প লোৱাৰ দিন। ২ অক্টোবৰ দিনটোৰ প্ৰকৃত তাৎপৰ্য হ'ল এই মনিষী গৰাকীৰ বিচাৰধাৰাবোৰ আধুনিক যুগৰ সৈতে খাপ খুৱাই দেশৰ প্ৰগতিত ব্যৱহাৰ কৰা। উল্লেখ্য যে, ২অক্টোবৰ তাৰিখে ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীদেৱৰো জন্মদিন। এই দুয়ো গৰাকী মহান মনিষীৰ আদৰ্শ সমূহ নিজৰ দৈনন্দিন জীৱনত অলপ হ'লেও প্ৰয়োগ কৰিলেহে এই দিনটো উদ্‌যাপন কৰা সাৰ্থক হ'ব। আধুনিক প্ৰযুক্তিবিদ্যা আৰু প্ৰতিযোগিতাৰ যুগে মানুহক যান্ত্ৰিক কৰি তুলিলেও শান্তি আৰু মানৱতাৰ বাবে অহিংসাৰ আদৰ্শ সদায় অম্লান আৰু প্ৰয়োজনীয় হৈ ৰ'ব। এই দিৱসে আমাক সোঁৱৰাই দিয়ে যে, হিংসাৰে নহয়, বৰং প্ৰেম আৰু অহিংসাৰেহে পৃথিৱীখন সলনি কৰিব পাৰি।

নিবেদিতা হাজৰিকা
লেখকৰ ঠিকনা ঃ লখিমপুৰ

গান্ধীবাদী দৰ্শন আৰু ভাৰতীয় জাতীয় শিক্ষা

এক তুলনামূলক বিশ্লেষণ

অজিত বৰুৱা

ভাৰতীয় সভ্যতাৰ ইতিহাসত শিক্ষা কেৱল জ্ঞান আহৰণৰ এক প্ৰক্ৰিয়া নহয়, শিক্ষা হৈছে মানুহ গঢ়াৰ এক মহান সামাজিক, নৈতিক আৰু সাংস্কৃতিক সাধনা। ভাৰতীয় চিন্তাধাৰাত শিক্ষাৰ লক্ষ্য আছিল মানুহৰ অন্তৰ্নিহিত শক্তিৰ বিকাশ, সত্যৰ অনুসন্ধান, নৈতিক চৰিত্ৰ নিৰ্মাণ, সমাজৰ প্ৰতি দায়বদ্ধতা আৰু জীৱনৰ সৈতে জ্ঞানৰ একাত্মতা গঢ়ি তোলা। আধুনিক ভাৰতত শিক্ষাৰ ধাৰণা যিমানেই পৰিৱৰ্তিত হৈছে, সিমানেই পুনৰ ঘূৰি আহিছে এটা মৌলিক প্ৰশ্ন— শিক্ষাই আচলতে কেনে মানুহ সৃষ্টি কৰিব লাগে? কেৱল পৰীক্ষাত ভাল নম্বৰ লাভ কৰা, চাকৰি লাভ কৰা অথবা প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হোৱা ব্যক্তিয়েই শিক্ষিত নেকি, নে শিক্ষা এনে এক জীৱনদৰ্শন যিয়ে মানুহক সত্য, অহিংসা, কৰ্ম, আত্মনিৰ্ভৰতা, সহমৰ্মিতা আৰু সামাজিক ন্যায়ৰ পথত আগুৱাই নিয়ে?

এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে মহাত্মা গান্ধীৰ শিক্ষাদৰ্শন আৰু ভাৰতীয় জাতীয় শিক্ষাৰ ধাৰণাৰ মাজত এক গভীৰ সম্পৰ্ক দেখা যায়। গান্ধীৰ বাবে শিক্ষা আছিল মগজু, হৃদয় আৰু হাত— এই তিনিওটাৰ সমন্বিত বিকাশ। তেওঁৰ শিক্ষা-চিন্তাৰ কেন্দ্ৰত আছিল মানুহ। তেওঁ এনে শিক্ষা বিচাৰিছিল যি শিশুক কেৱল পুথিগত জ্ঞানৰ ভঁৰাল কৰি নোতোলে, বৰং জীৱনৰ সমস্যাৰ সৈতে মুখামুখি হ'বলৈ সক্ষম, শ্ৰমৰ মৰ্যাদা বুজিব পৰা, নিজৰ সমাজ আৰু সংস্কৃতিৰ প্ৰতি সচেতন, নৈতিকভাৱে দৃঢ় আৰু আত্মনিৰ্ভৰ ব্যক্তি হিচাপে গঢ়ি তোলে। আনহাতে ভাৰতীয় জাতীয় শিক্ষাৰ বিস্তৃত ধাৰণাই ভাৰতৰ সভ্যতা, সংস্কৃতি, মাতৃভাষা, স্থানীয় জ্ঞান, বিজ্ঞান, প্ৰযুক্তি, নৈতিকতা, গণতান্ত্ৰিক মূল্যবোধ আৰু আধুনিক বিশ্বজ্ঞানৰ মাজত এক সমন্বয় স্থাপনৰ প্ৰয়াস কৰে।

গান্ধীবাদী শিক্ষাদৰ্শনক বুজিবলৈ প্ৰথমে গান্ধীৰ সামগ্ৰিক দৰ্শনক বুজিব লাগিব। গান্ধীৰ চিন্তাৰ মূল স্তমভ আছিল সত্য আৰু অহিংসা। কিন্তু সত্য আৰু অহিংসা তেওঁৰ বাবে কেৱল ৰাজনৈতিক আন্দোলনৰ অস্ত্ৰ নাছিল, ই আছিল জীৱনৰ নৈতিক ভিত্তি। সত্যৰ অনুসন্ধান, আত্মসংযম, সৰলতা, স্বদেশী, স্বাৱলম্বিতা, শ্ৰমৰ প্ৰতি সন্মান, সামাজিক সমতা, অস্পৃশ্যতা নিৰ্মূল, গ্ৰামোন্নয়ন আৰু সৰ্বোদয়— এই সকলোবোৰ ধাৰণাই তেওঁৰ শিক্ষাদৰ্শনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল।

গান্ধীয়ে বিশ্বাস কৰিছিল যে শিক্ষা মানুহৰ ভিতৰত ইতিমধ্যে নিহিত থকা উত্তম শক্তিসমূহৰ সৰ্বোত্তম বিকাশৰ প্ৰক্ৰিয়া। সেয়েহে শিক্ষা কেৱল তথ্যৰ সঞ্চয় নহয়। এজন ছাত্ৰই বহু তথ্য মুখস্থ কৰিব পাৰে, বহু পৰীক্ষাত ভাল ফল লাভ কৰিব পাৰে, কিন্তু যদি তেওঁ সত্যবাদী নহয়, যদি তেওঁ আনৰ প্ৰতি সন্মান দেখুৱাব নাজানে, যদি শ্ৰমক হেয়জ্ঞান কৰে, যদি সমাজৰ দুৰ্বল শ্ৰেণীৰ প্ৰতি কোনো দায়বদ্ধতা অনুভৱ নকৰে, তেন্তে গান্ধীৰ দৃষ্টিত তেওঁৰ শিক্ষা অসম্পূৰ্ণ।

এইখিনিতে গান্ধীৰ শিক্ষাদৰ্শনৰ সৈতে ভাৰতীয় পৰম্পৰাগত শিক্ষাচিন্তাৰ এক স্বাভাৱিক যোগসূত্ৰ দেখা যায়। ভাৰতীয় গুৰুকুল পৰম্পৰাত শিক্ষাৰ উদ্দেশ্য আছিল জীৱন গঠন। গুৰুৰ সৈতে বাস কৰি ছাত্ৰই কেৱল শাস্ত্ৰ অধ্যয়ন নকৰিছিল, তেওঁ আচৰণ, অনুশাসন, আত্মসংযম, শ্ৰম, সামাজিক দায়িত্ব আৰু প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ শিক্ষা লাভ কৰিছিল। অৱশ্যে প্ৰাচীন শিক্ষাব্যৱস্থাৰ সীমাবদ্ধতাও আছিল আৰু আধুনিক গণতান্ত্ৰিক সমাজত সেই ব্যৱস্থাক হুবহু পুনৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়। কিন্তু তাৰ ভিতৰত থকা জীৱনমুখী আৰু চৰিত্ৰগঠনমূলক শিক্ষাৰ আদৰ্শ আজিও তাৎপৰ্যপূৰ্ণ।

ঔপনিৱেশিক ভাৰতত ইংৰাজী শিক্ষাব্যৱস্থাৰ প্ৰসাৰৰ লগে লগে শিক্ষাৰ এক নতুন কাঠামো গঢ় লৈ উঠিছিল। এই শিক্ষাৰ ফলত ভাৰতীয় সমাজে আধুনিক বিজ্ঞান, প্ৰশাসন, আইন, চিকিৎসা আৰু বিশ্বজ্ঞানৰ বহু নতুন দুৱাৰ মুকলি কৰিবলৈ সক্ষম হৈছিল। কিন্তু গান্ধীয়ে লক্ষ্য কৰিছিল যে শিক্ষা আৰু জীৱনৰ মাজত এক দূৰত্ব সৃষ্টি হৈছে। বিদ্যালয়ৰ শিক্ষা বহু সময়ত শিশুৰ দৈনন্দিন জীৱন, পৰিয়াল, সমাজ আৰু উৎপাদনমূলক কৰ্মৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। ফলত শিক্ষিত আৰু অশিক্ষিত, মানসিক আৰু শাৰীৰিক শ্ৰম, নগৰ আৰু গ্ৰাম, বিদ্যালয় আৰু সমাজৰ মাজত ব্যৱধান বৃদ্ধি পাইছিল।

এই পৰিস্থিতিৰ বিকল্প হিচাপে গান্ধীয়ে ১৯৩৭ চনৰ ৱাৰ্ধা শিক্ষা-সম্মিলনৰ পৰিপ্ৰেক্ষিতত যি 'নই তালিম' বা মৌলিক শিক্ষাৰ ধাৰণা আগবঢ়াইছিল, তাক ভাৰতীয় শিক্ষাৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ অধ্যায় বুলিব পাৰি। নই তালিমৰ কেন্দ্ৰত আছিল উৎপাদনমূলক কামৰ সৈতে শিক্ষাৰ সংযোগ। শিশোৱে কোনো অৰ্থপূৰ্ণ হস্তশিল্প বা উৎপাদনমূলক কৰ্মৰ মাজেৰে গণিত, ভাষা, বিজ্ঞান, সমাজ বিজ্ঞান আদি বিষয়ৰ জ্ঞান লাভ কৰিব পাৰে বুলি গান্ধীয়ে ভাবিছিল। অৰ্থাৎ শিক্ষা জীৱনৰ পৰা পৃথক নহয়, জীৱনেই শিক্ষাৰ এক বৃহৎ পাঠশালা। ইয়াতেই গান্ধীবাদী শিক্ষাৰ এক মৌলিক বৈশিষ্ট্য— 'কৰ্মৰ জৰিয়তে শিক্ষা'—ধাৰণাটি প্ৰকাশ পায়। আজিৰ শিক্ষাবিজ্ঞানতো অভিজ্ঞতাভিত্তিক শিক্ষা, প্ৰকল্পভিত্তিক শিক্ষা, হাতে-কামে শিকাৰ পদ্ধতি, বৃত্তিমূলক শিক্ষা আৰু দক্ষতাভিত্তিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই দৃষ্টিকোণৰ পৰা চালে গান্ধীৰ বহু শিক্ষাচিন্তা সময়তকৈ আগবঢ়া আছিল বুলি ক'ব পাৰি। অৱশ্যে ইয়াক কোনো একক আধুনিক শিক্ষানীতিৰ সৈতে সম্পূৰ্ণ একে বুলি কোৱা উচিত নহয়, দুয়োটাৰ ঐতিহাসিক পটভূমি আৰু লক্ষ্যৰ কিছু পাৰ্থক্য আছে।

ভাৰতীয় জাতীয় শিক্ষাৰ আধুনিক ধাৰণাতো শিক্ষা কেৱল পাঠ্যপুথি আৰু পৰীক্ষাকেন্দ্ৰিক নহয় বুলি গুৰুত্ব দিয়া হৈছে। নতুন শিক্ষা-চিন্তাই শিশুৰ সৃষ্টিশীলতা, সমালোচনামূলক চিন্তা, সমস্যা সমাধানৰ ক্ষমতা, যোগাযোগ দক্ষতা, সহযোগিতা, নৈতিক মূল্যবোধ আৰু বৃত্তিমূলক দক্ষতাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত গান্ধীৰ 'মগজু, হৃদয় আৰু হাত'ৰ সমন্বিত বিকাশৰ ধাৰণাৰ সৈতে এক তাৎপৰ্যপূৰ্ণ সাদৃশ্য লক্ষ্য কৰিব পাৰি।

কিন্তু আমি এটা কথা মনত ৰখা প্ৰয়োজন যে গান্ধীবাদী শিক্ষাদৰ্শন মূলতঃ এক নৈতিক সামাজিক জীৱনদৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। আধুনিক ভাৰতীয় জাতীয় শিক্ষা হৈছে এখন বহুধাবিভক্ত, গণতান্ত্ৰিক, প্ৰযুক্তিনিৰ্ভৰ আৰু বিশ্বায়িত দেশৰ শিক্ষাৰ প্ৰয়োজন পূৰণ কৰাৰ বৃহৎ প্ৰয়াস। সেয়ে গান্ধীৰ শিক্ষাদৰ্শন আৰু আধুনিক জাতীয় শিক্ষাক সম্পূৰ্ণ অভিন্ন বুলি কোৱাটো সঠিক নহয়। বৰং গান্ধীৰ নৈতিক আৰু জীৱনমুখী শিক্ষাৰ আদৰ্শৰ সৈতে আধুনিক বিজ্ঞান, প্ৰযুক্তি আৰু জ্ঞানভিত্তিক শিক্ষাৰ সমন্বয়ৰ সম্ভাৱনাই অধিক গুৰুত্ব বহন কৰে।

গান্ধীৰ শিক্ষাদৰ্শনত মাতৃভাষাৰ স্থান বিশেষ গুৰুত্বপূৰ্ণ। শিশোৱে নিজৰ ভাষাত শিক্ষা লাভ কৰিলে জ্ঞানৰ সৈতে তেওঁৰ সম্পৰ্ক অধিক স্বাভাৱিক হয় বুলি তেওঁ বিশ্বাস কৰিছিল। ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়, ভাষাৰ সৈতে সংযুক্ত থাকে সংস্কৃতি, স্মৃতি, ইতিহাস, লোকজ জ্ঞান আৰু পৰিচয়। মাতৃভাষাত শিক্ষা শিশুৰ চিন্তাশক্তিৰ স্বাভাৱিক বিকাশৰ ক্ষেত্ৰত সহায়ক হ'ব পাৰে। ভাৰতীয় জাতীয় শিক্ষাৰ ক্ষেত্ৰতো মাতৃভাষা আৰু ভাৰতীয় ভাষাসমূহৰ প্ৰতি গুৰুত্ব বৃদ্ধি পাইছে। বহুভাষিক ভাৰতত এই বিষয়টোৰ তাৎপৰ্য অপৰিসীম।

অসমৰ ক্ষেত্ৰত এই প্ৰশ্ন আৰু অধিক গুৰুত্বপূৰ্ণ। অসমীয়া ভাষা, বড়ো, মিচিং, কাৰ্বি, ডিমাছা, ৰাভা, তিৱা, দেউৰী, গাৰো আদি বিভিন্ন ভাষা-সংস্কৃতিৰ মাজত শিক্ষাৰ সম্পৰ্ক স্থাপন কৰাটো ভাৰতীয় বহুত্বৰ এক সুন্দৰ উদাহৰণ হ'ব পাৰে। স্থানীয় ভাষা আৰু লোকজ জ্ঞানক শিক্ষাৰ সৈতে সংযুক্ত কৰিলে বিদ্যালয় কেৱল পাঠদানৰ স্থান হৈ নাথাকি সমাজৰ সাংস্কৃতিক কেন্দ্ৰলৈ পৰিণত হ'ব পাৰে। গান্ধীৰ স্থানীয় সমাজভিত্তিক শিক্ষাৰ ধাৰণাৰ সৈতে এই প্ৰয়াসৰ এক স্বাভাৱিক সম্পৰ্ক আছে।

গান্ধীৰ বাবে শিক্ষা আৰু সমাজ পৃথক নাছিল। বিদ্যালয় সমাজৰ পৰা বিচ্ছিন্ন এটা দ্বীপ হ'ব নালাগে। বিদ্যালয়ৰ শিক্ষাৰ সৈতে স্থানীয় পৰিৱেশ, কৃষি, হস্তশিল্প, স্বাস্থ্য, পৰিষ্কাৰ পৰিচ্ছন্নতা, জল সংৰক্ষণ, বৃক্ষৰোপণ, সামাজিক সহযোগিতা আৰু স্থানীয় অৰ্থনীতিৰ সম্পৰ্ক থাকিব লাগে। এই ধাৰণাটো আজিৰ পৰিৱেশ শিক্ষা আৰু অভিজ্ঞতাভিত্তিক শিক্ষাৰ সৈতে যথেষ্ট সামঞ্জস্যপূৰ্ণ।

আধুনিক ভাৰতত পৰিৱেশ সংকট, জলবায়ু পৰিৱৰ্তন, প্লাষ্টিক দূষণ, জল সংকট, বনাঞ্চল ধ্বংস আৰু জৈৱবৈচিত্ৰ্য হ্ৰাসৰ দৰে সমস্যাই শিক্ষাৰ নতুন দায়িত্ব নিৰ্ধাৰণ কৰিছে। যদি শিক্ষাৰ্থীয়ে কেৱল পৰিৱেশ বিজ্ঞানৰ সংজ্ঞা মুখস্থ কৰে কিন্তু বিদ্যালয়ৰ চৌহদত প্লাষ্টিক পেলায়, পানী অপচয় কৰে অথবা গছ সংৰক্ষণৰ প্ৰয়োজনীয়তা উপলব্ধি নকৰে, তেন্তে সেই শিক্ষা অসম্পূৰ্ণ। গান্ধীৰ জীৱনদৰ্শনৰ 'সৰল জীৱন' আৰু 'প্ৰকৃতিৰ সৈতে সামঞ্জস্য'ৰ আদৰ্শ এই ক্ষেত্ৰত আজিও তাৎপৰ্যপূৰ্ণ।

গান্ধীবাদী শিক্ষাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে শ্ৰমৰ মৰ্যাদা। ভাৰতীয় সমাজত বহু যুগ ধৰি শাৰীৰিক শ্ৰম আৰু বৌদ্ধিক শ্ৰমৰ মাজত এক কৃত্ৰিম সামাজিক বিভাজন দেখা গৈছে। গান্ধীয়ে এই বিভাজনক প্ৰত্যাহ্বান জনাইছিল। তেওঁ নিজে হাতে কাম কৰিছিল আৰু শিক্ষাৰ সৈতে শ্ৰমক সংযুক্ত কৰাৰ কথা কৈছিল। তেওঁৰ মতে কোনো কাম সৰু নহয়। সমাজ চলি থাকে কৃষক, মজদুৰ, কাৰিকৰ, তাঁতী, চাফাই কৰ্মী, চালক, শিল্পী, শিক্ষক, চিকিৎসক, বিজ্ঞানী- সকলোৰে অৱদানৰ ওপৰত।

আজিৰ ভাৰতীয় শিক্ষাত দক্ষতাভিত্তিক শিক্ষা আৰু বৃত্তিমূলক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ ক্ষেত্ৰত এই দৃষ্টিভংগী বিশেষ তাৎপৰ্যপূৰ্ণ। বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে যদি কাঠৰ কাম, মাটিৰ কাম, কৃষিকাৰ্য, বাগিচা, বৈদ্যুতিক মৌলিক জ্ঞান, ডিজিটেল দক্ষতা, হস্তশিল্প, খাদ্য প্ৰস্তুতি, স্থানীয় উদ্যোগ বা আন কোনো উৎপাদনমূলক কামৰ সৈতে পৰিচিত হয়, তেন্তে তেওঁ কেৱল এটা দক্ষতা আহৰণ নকৰে, তেওঁ শ্ৰমৰ মূল্যও বুজে। অৱশ্যে গান্ধীৰ মৌলিক শিক্ষাৰ ধাৰণাক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বহু প্ৰত্যাহ্বান আছিল। উৎপাদনমূলক কামৰ সৈতে বিদ্যালয়ৰ সকলো বিষয়ক একত্ৰিত কৰা, প্ৰশিক্ষিত শিক্ষক সৃষ্টি কৰা, শিক্ষাৰ মানদণ্ড অক্ষুণ্ণ ৰখা আৰু বৃহৎ সংখ্যক বিদ্যালয়ত একে ধৰণৰ গুণগত শিক্ষা নিশ্চিত কৰা সহজ কাম নহয়। সেয়ে গান্ধীবাদী শিক্ষা মানে কেৱল বিদ্যালয়ত কোনো হস্তশিল্প শিকোৱা নহয়। ইয়াৰ মূল উদ্দেশ্য হৈছে শ্ৰম, জ্ঞান আৰু জীৱনৰ মাজত সম্পৰ্ক স্থাপন কৰা।

গান্ধীৰ শিক্ষাদৰ্শনৰ সৈতে ভাৰতীয় জাতীয় শিক্ষাৰ আন এটা গুৰুত্বপূৰ্ণ সংযোগ হৈছে চৰিত্ৰ গঠন। আজিৰ প্ৰতিযোগিতামূলক সমাজত শিক্ষাৰ্থীৰ ওপৰত নম্বৰ, ৰেংক, চাকৰি আৰু সফলতাৰ চাপ বৃদ্ধি পাইছে। কিন্তু শিক্ষা যদি নৈতিক মূল্যবোধৰ পৰা বিচ্ছিন্ন হয়, তেন্তে উচ্চ জ্ঞান আৰু প্ৰযুক্তিগত দক্ষতাও সমাজৰ বাবে সমস্যাৰ কাৰণ হৈ উঠিব পাৰে। বিজ্ঞানৰ জ্ঞান মানুহৰ কল্যাণত ব্যৱহাৰ হ'ব পাৰে, আকৌ ধ্বংসৰ কামতো ব্যৱহাৰ হ'ব পাৰে। প্ৰযুক্তি যোগাযোগ সহজ কৰিব পাৰে, আকৌ মিছা তথ্য আৰু ঘৃণাৰ বিস্তাৰো ঘটাব পাৰে। সেয়ে জ্ঞানৰ সৈতে বিবেকৰ সংযোগ অপৰিহাৰ্য।

গান্ধীয়ে সত্য, অহিংসা, আত্মসংযম আৰু সেৱাক শিক্ষাৰ নৈতিক ভিত্তি হিচাপে দেখিছিল। আধুনিক জাতীয় শিক্ষাত গণতান্ত্ৰিক মূল্যবোধ, সাংবিধানিক মূল্যবোধ, সমতা, ন্যায়, স্বাধীনতা, ভ্ৰাতৃত্ববোধ, বৈচিত্ৰ্যৰ প্ৰতি সন্মান আৰু দায়িত্বশীল নাগৰিকত্বৰ শিক্ষা বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই দুয়োটা ক্ষেত্ৰৰ ভাষা ভিন্ন হ'লেও উদ্দেশ্যৰ এক বৃহৎ অংশত মিল দেখা যায়—শিক্ষাই এনে নাগৰিক সৃষ্টি কৰিব লাগে যি নিজৰ অধিকাৰ জানে আৰু নিজৰ দায়িত্বও বুজে।

গান্ধীৰ শিক্ষা-চিন্তাৰ কেন্দ্ৰত আছিল 'সৰ্বোদয়'— সকলোৰে কল্যাণ। শিক্ষা কেৱল মেধাৱী বা আৰ্থিকভাৱে সক্ষম শিশুৰ বাবে নহয়; সমাজৰ প্ৰান্তিক, দৰিদ্ৰ, বঞ্চিত আৰু পিছপৰা শিশুৰ বাবেও সমানভাৱে প্ৰয়োজনীয়। ভাৰতীয় জাতীয় শিক্ষাৰ ক্ষেত্ৰত অন্তৰ্ভুক্তিমূলক শিক্ষা, লিংগ সমতা, বিশেষ প্ৰয়োজনীয়তা থকা শিশুৰ শিক্ষা, সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা গোটৰ শিক্ষাৰ সুযোগ বৃদ্ধি আদি বিষয়ৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত গান্ধীৰ 'সকলোৰে বাবে শিক্ষা'ৰ নৈতিক আহ্বানৰ সৈতে এক শক্তিশালী সম্পৰ্ক স্থাপন কৰিব পাৰি।

শিক্ষাৰ ক্ষেত্ৰত গান্ধীৰ আন এটা উল্লেখযোগ্য চিন্তা আছিল আত্মনিৰ্ভৰশীলতা। তেওঁৰ স্বদেশী আৰু গ্ৰাম স্বৰাজৰ ধাৰণাৰ সৈতে শিক্ষা গভীৰভাৱে জড়িত আছিল। তেওঁৰ মতে শিক্ষা এনে হ'ব লাগে যাতে ব্যক্তি নিজৰ সমাজৰ সমস্যাসমূহ চিনাক্ত কৰি সেইবোৰ সমাধানৰ ক্ষেত্ৰত ভূমিকা ল'ব পাৰে। আজিৰ আত্মনিৰ্ভৰ ভাৰতৰ পৰিপ্ৰেক্ষিতত দক্ষতা, উদ্যোগ, উদ্ভাৱন, স্থানীয় উৎপাদন, ষ্টাৰ্টআপ, ডিজিটেল প্ৰযুক্তি আৰু উদ্যোগী মানসিকতাৰ ওপৰত যি গুৰুত্ব দিয়া হৈছে, তাৰ সৈতে গান্ধীৰ স্বাৱলম্বিতাৰ ধাৰণাৰ এক তুলনামূলক সংযোগ স্থাপন কৰিব পাৰি। কিন্তু আধুনিক আত্মনিৰ্ভৰশীলতা আৰু গান্ধীয় আত্মনিৰ্ভৰশীলতা একে অৰ্থত ব্যৱহৃত নহয়। গান্ধীৰ আত্মনিৰ্ভৰশীলতা অধিক নৈতিক, সামাজিক আৰু স্থানীয় অৰ্থনৈতিক ভিত্তিৰ সৈতে জড়িত আছিল; আধুনিক আত্মনিৰ্ভৰশীলতা বিজ্ঞান, প্ৰযুক্তি, উদ্যোগ আৰু বিশ্ব অৰ্থনীতিৰ সৈতে সংযুক্ত।

গান্ধীয়ে গ্ৰাম্য ভাৰতক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে বিবেচনা কৰিছিল। তেওঁৰ দৃষ্টিত ভাৰতৰ আত্মা গাঁৱত বাস কৰে। আজিৰ সময়ত এই বক্তব্যক আক্ষৰিক অৰ্থত গ্ৰহণ কৰাৰ প্ৰয়োজন নাই, কাৰণ ভাৰত দ্ৰুত নগৰীকৰণৰ মাজেৰে আগবাঢ়িছে। কিন্তু গ্ৰামাঞ্চলৰ শিক্ষাৰ উন্নয়ন যে জাতীয় উন্নয়নৰ কেন্দ্ৰীয় বিষয়, সেই কথাৰ গুৰুত্ব কমা নাই। অসমতো বহু বিদ্যালয় গ্ৰামাঞ্চলত অৱস্থিত। এইবিদ্যালয়সমূহত মানসম্পন্ন শিক্ষক, ডিজিটেল সুবিধা, পুথিভঁৰাল, বিজ্ঞানাগাৰ, খেলপথাৰ আৰু প্ৰযুক্তিগত সম্পদৰ সুযোগ বৃদ্ধি কৰাৰ লগতে স্থানীয় সমাজক বিদ্যালয়ৰ উন্নয়নৰ সৈতে সংযুক্ত কৰাটো অত্যন্ত প্ৰয়োজনীয়।

গান্ধীবাদী শিক্ষাৰ সৈতে শিক্ষক-শিক্ষাৰ্থীৰ সম্পৰ্কৰ কথাও বিশেষভাৱে উল্লেখযোগ্য। গান্ধীৰ আদৰ্শত শিক্ষক কেৱল পাঠ্যপুথিৰ ব্যাখ্যা কৰ্তা নহয়, শিক্ষক নিজেই আদৰ্শ। শিক্ষকজনে যি কয় আৰু যি কৰে, দুয়োটাৰ মাজত সামঞ্জস্য থাকিব লাগে। তেওঁ সত্যবাদিতা, সময়ানুবৰ্তিতা, শৃংখলাবদ্ধতা, শ্ৰম, সহানুভূতি আৰু সামাজিক দায়িত্বৰ জীৱন্ত উদাহৰণ হ'ব লাগে। আজিৰ শিক্ষাব্যৱস্থাতো শিক্ষক হৈছে বিদ্যালয়ৰ নৈতিক পৰিৱেশৰ অন্যতম কেন্দ্ৰবিন্দু। অৱশ্যে ডিজিটেল যুগে শিক্ষকৰ ভূমিকাৰ যথেষ্ট পৰিৱৰ্তন কৰিছে। এতিয়া শিশুৰ হাতত মোবাইল ফোন, ইণ্টাৰনেট, কৃত্ৰিম বুদ্ধিমত্তা আৰু অনলাইন শিক্ষাৰ বিশাল জগত। তথ্য লাভ কৰাটো এতিয়া আগৰ তুলনাত সহজ। কিন্তু তথ্য আৰু জ্ঞান একে বস্তু নহয়। তথ্য ছাত্ৰৰ হাতত থাকিব পাৰে, শিক্ষকক সেই তথ্যক অৰ্থপূৰ্ণ জ্ঞানলৈ ৰূপান্তৰিত কৰাত সহায় কৰিব লাগে। তাতকৈও গুৰুত্বপূৰ্ণ হৈছে তথ্যৰ সত্যতা বিচাৰিব পৰা, ভুল তথ্য চিনাক্ত কৰিব পৰা আৰু নৈতিকভাৱে প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰা ক্ষমতা। গান্ধীৰ সত্য অনুসন্ধানৰ নীতি এই ডিজিটেল যুগতো এক শক্তিশালী নৈতিক দিশনিৰ্দেশ হ'ব পাৰে।

আধুনিক শিক্ষাৰ আন এটা প্ৰধান বৈশিষ্ট্য হৈছে কৃত্ৰিম বুদ্ধিমত্তাৰ আগমন। কৃত্ৰিম বুদ্ধিমত্তাই শিক্ষাৰ পদ্ধতি, মূল্যায়ন, বিষয়বস্তু সৃষ্টি আৰু ব্যক্তিগতকৃত শিক্ষণত নতুন সম্ভাৱনা সৃষ্টি কৰিছে। কিন্তু ইয়াৰ সৈতে নৈতিক প্ৰশ্নও জড়িত। ছাত্ৰই যদি নিজৰ চিন্তা নকৰাকৈ যন্ত্ৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰে, তেন্তে সৃষ্টিশীলতা আৰু স্বতন্ত্ৰ চিন্তাৰ বিকাশ বাধাগ্ৰস্ত হ'ব পাৰে। গান্ধীবাদী শিক্ষা এই ক্ষেত্ৰত এক মূল্যবান স্মাৰক—শিক্ষাৰ মূল উদ্দেশ্য যন্ত্ৰৰ দৰে তথ্য পুনৰুৎপাদন কৰা নহয়, মানুহৰ অন্তৰ্নিহিত বোধ, বিবেক আৰু সৃষ্টিশীলতাৰ বিকাশ কৰা।



গান্ধীৰ শিক্ষাদৰ্শনত আত্মশাসন বা আত্মসংযমৰ ওপৰত বিশেষ গুৰুত্ব আছিল। আজিৰ শিশুৰ জীৱন তথ্য, বিনোদন, সামাজিক মাধ্যম আৰু ডিজিটেল সামগ্ৰীৰে পৰিপূৰ্ণ। মনোযোগৰ বিচ্ছিন্নতা আৰু তৎক্ষণাত সন্তুষ্টি লাভৰ অভ্যাসে শিক্ষাৰ ক্ষেত্ৰত নতুন প্ৰত্যাহ্বান সৃষ্টি কৰিছে। এই পৰিস্থিতিত আত্মসংযম, একাগ্ৰতা, সময় ব্যৱস্থাপনা আৰু মানসিক স্থিৰতাৰ শিক্ষা অধিক প্ৰয়োজনীয় হৈ পৰিছে। গান্ধীৰ জীৱনচৰ্যাৰ পৰা এই মূল্যবোধসমূহৰ প্ৰাসংগিকতা উপলব্ধি কৰিব পাৰি।

গান্ধীবাদী শিক্ষা অৱশ্যে সমালোচনাৰ ঊৰ্ধ্বত নহয়। আধুনিক শিক্ষাবিজ্ঞানৰ দৃষ্টিৰে চালে তেওঁৰ কিছুমান ধাৰণাক নতুন প্ৰেক্ষাপটত পুনৰ ব্যাখ্যা কৰাৰ প্ৰয়োজন আছে। উদাহৰণস্বৰূপে, উৎপাদনমূলক হস্তশিল্পক শিক্ষাৰ কেন্দ্ৰত ৰখাৰ ধাৰণা আজিৰ তথ্য-প্ৰযুক্তিনিৰ্ভৰ অৰ্থনীতিত হুবহু প্ৰয়োগ কৰাটো কঠিন। কিন্তু ইয়াৰ অন্তৰ্নিহিত নীতি—শিক্ষাক বাস্তৱ জীৱনৰ সৈতে সংযুক্ত কৰা— আজিও সম্পূৰ্ণ প্ৰাসংগিক। একেদৰে গ্ৰামকেন্দ্ৰিক অৰ্থনৈতিক দৃষ্টিভংগীক আধুনিক বিশ্বায়িত অৰ্থনীতিৰ সৈতে সমন্বয় কৰিব লাগিব।

আনহাতে আধুনিক ভাৰতীয় জাতীয় শিক্ষাৰ ক্ষেত্ৰতো কিছু মৌলিক প্ৰশ্ন আছে। শিক্ষাৰ বাণিজ্যিকীকৰণ, ব্যক্তিগত শিক্ষাৰ ব্যয়, ডিজিটেল বিভাজন, গ্ৰাম-নগৰ বৈষম্য, ভাষাগত বৈষম্য, পৰীক্ষামুখী মানসিকতা, কোচিং-নিৰ্ভৰশীলতা আৰু শিক্ষাৰ্থীৰ মানসিক চাপ আদি সমস্যা এতিয়াও গুৰুত্বপূৰ্ণ। কেৱল নীতি প্ৰণয়ন কৰিলেই শিক্ষা-ব্যৱস্থাৰ ৰূপান্তৰ সম্ভৱ নহয়। শিক্ষক, বিদ্যালয়, পৰিয়াল, সমাজ আৰু চৰকাৰ— সকলোৰে সক্ৰিয় অংশগ্ৰহণ প্ৰয়োজন। বিশেষকৈ পৰীক্ষামুখী শিক্ষাৰ সমস্যাটো গুৰুত্বসহকাৰে বিবেচনা কৰা প্ৰয়োজন। শিশুৰ সৃষ্টিশীলতা, খেল, শিল্প, সংগীত, সাহিত্য, ক্ৰীড়া, প্ৰকৃতি পৰ্যবেক্ষণ আৰু সামাজিক কামৰ বাবে সময় নাথাকিলে শিক্ষা একমাত্ৰ নম্বৰ-কেন্দ্ৰিক হৈ পৰে। গান্ধীৰ দৃষ্টিত শিক্ষা জীৱনৰ সমগ্ৰতা। সেয়ে শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশৰ লগতে শাৰীৰিক, নৈতিক, সামাজিক, নান্দনিক আৰু সৃষ্টিশীল বিকাশো সমান গুৰুত্বপূৰ্ণ।

গান্ধীবাদী দৰ্শনৰ আন এক কেন্দ্ৰীয় শিক্ষা হৈছে অহিংসা। বিদ্যালয়ত অহিংসা মানে কেৱল শাৰীৰিক হিংসাৰ অনুপস্থিতি নহয়। অপমান, উপহাস, বৈষম্য, ঘৃণা, সামাজিক বৰ্জন আৰু ভাষাগত বা সাংস্কৃতিক অৱজ্ঞাও এক প্ৰকাৰৰ হিংসা। সেয়ে বিদ্যালয়ক শিশুৰ বাবে নিৰাপদ, মৰমিয়াল আৰু অন্তৰ্ভুক্তিমূলক স্থান হিচাপে গঢ়ি তোলাটো গান্ধীবাদী মূল্যবোধৰ এক আধুনিক প্ৰয়োগ হ'ব পাৰে।

ভাৰতৰ দৰে বহুত্ববাদী দেশত শিক্ষাই সামাজিক সম্প্ৰীতিৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিভিন্ন ধৰ্ম, ভাষা, জাতি, জনগোষ্ঠী আৰু সংস্কৃতিৰ মানুহে একেলগে বাস কৰা ভাৰতত 'অন্যজন'ক বুজি পোৱাৰ শিক্ষা অত্যন্ত প্ৰয়োজনীয়। গান্ধীৰ অহিংসা আৰু আন্তঃসম্প্ৰদায়িক সম্প্ৰীতিৰ আদৰ্শই শিক্ষাৰ্থীক মতভেদৰ মাজতো সহাৱস্থানৰ শিক্ষা দিব পাৰে। গণতন্ত্ৰৰ শক্তি একমতত নহয়, যুক্তিসংগত মতভেদৰ মাজতো পাৰস্পৰিক সন্মান বজাই ৰখাত। ইয়াৰ সৈতে ভাৰতীয় জাতীয় শিক্ষাৰ সাংবিধানিক মূল্যবোধৰো সম্পৰ্ক আছে। ভাৰতীয় সংবিধানে ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ আদৰ্শ আগবঢ়াইছে। শিক্ষাই যদি এই মূল্যবোধসমূহ জীৱন্ত অভিজ্ঞতালৈ ৰূপান্তৰ কৰিব নোৱাৰে, তেন্তে নাগৰিক শিক্ষাও অসম্পূৰ্ণ হৈ থাকে। বিদ্যালয়ৰ দৈনন্দিন জীৱনত সকলো শিশুৰ প্ৰতি সমান ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ মতামতৰ প্ৰতি সন্মান, সহযোগিতামূলক কাম, সামাজিক সেৱা আৰু বৈচিত্ৰ্যৰ প্ৰতি সন্মান- এইবোৰেই গণতান্ত্ৰিক শিক্ষা।

গান্ধীবাদী শিক্ষা আৰু ভাৰতীয় জাতীয় শিক্ষাৰ তুলনা কৰিলে সাদৃশ্যৰ লগতে পাৰ্থক্যও স্পষ্ট হয়। গান্ধীৰ শিক্ষা আছিল অধিক নৈতিক, স্থানীয়, সমাজমুখী আৰু শ্ৰমকেন্দ্ৰিক। আধুনিক জাতীয় শিক্ষা অধিক বিস্তৃত, বহুমাত্ৰিক, বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ আৰু বিশ্বমুখী। গান্ধীৰ যুগত ডিজিটেল প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ বিজ্ঞান, জিন-প্ৰযুক্তি বা গোলকীয় অৰ্থনীতিৰ দৰে বিষয়ৰ অস্তিত্ব নাছিল। সেয়ে তেওঁৰ শিক্ষাদৰ্শনক আক্ষৰিকভাৱে নহয়, মূল মূল্যবোধৰ স্তৰত বুজি আধুনিক প্ৰয়োজনৰ সৈতে সংযুক্ত কৰাটোৱেই অধিক ফলপ্ৰসূ হ'ব বুলি ক'ব পাৰি।

গান্ধীৰ পৰা আধুনিক শিক্ষাই ল'ব পৰা আটাইতকৈ ডাঙৰ শিক্ষা হৈছে— শিক্ষাৰ কেন্দ্ৰত মানুহক ৰাখিব লাগিব। প্ৰযুক্তি শিক্ষাৰ সহায়কহে, উদ্দেশ্য নহয়। পৰীক্ষা শিক্ষাৰ মূল্যায়নৰ এক পদ্ধতি, শিক্ষাৰ চূড়ান্ত লক্ষ্য নহয়। চাকৰি শিক্ষাৰ এটা সম্ভাব্য ফল, শিক্ষাৰ একমাত্ৰ উদ্দেশ্য নহয়। জ্ঞান শক্তি, কিন্তু নৈতিকতাবিহীন শক্তি বিপজ্জনক। দক্ষতা প্ৰয়োজনীয়, কিন্তু মূল্যবোধবিহীন দক্ষতা অসম্পূৰ্ণ। এই উপলব্ধিয়েই গান্ধীবাদী শিক্ষাৰ স্থায়ী প্ৰাসংগিকতা।

অসমৰ দৰে ৰাজ্যত গান্ধীবাদী শিক্ষাৰ প্ৰয়োগৰ অসংখ্য সম্ভাৱনা আছে। বিদ্যালয়ৰ সৈতে স্থানীয় কৃষি, বাঁহ-বেতৰ শিল্প, তাঁত, মৃৎশিল্প, লোকসংগীত, লোকনৃত্য, পৰম্পৰাগত জ্ঞান, ঔষধি উদ্ভিদ, নদী-পুখুৰী, বনজসম্পদ আৰু স্থানীয় ইতিহাসক সংযুক্ত কৰিব পাৰি। শিক্ষাৰ্থীয়ে নিজৰ গাঁওখনৰ ইতিহাস লিখিব পাৰে, স্থানীয় নদীৰ পৰিৱেশগত অৱস্থা অধ্যয়ন কৰিব পাৰে, গছ-গছনিৰ তালিকা প্ৰস্তুত কৰিব পাৰে, বয়োজ্যেষ্ঠ লোকৰ পৰা লোককথা সংগ্ৰহ কৰিব পাৰে, পৰম্পৰাগত শিল্পীৰ সৈতে কথা পাতিব পাৰে অথবা স্থানীয় কোনো সামাজিক সমস্যাৰ ওপৰত সমীক্ষা চলাব পাৰে। এই সকলোবোৰ কামে পাঠ্যপুথিৰ জ্ঞানক বাস্তৱ জীৱনৰ সৈতে সংযোগ কৰে।

এই ক্ষেত্ৰত বিদ্যালয় আৰু সমাজৰ সম্পৰ্ক শক্তিশালী কৰাটো অতি প্ৰয়োজনীয়। বিদ্যালয়ৰ উন্নয়ন কেৱল চৰকাৰৰ দায়িত্ব নহয়; অভিভাৱক, প্ৰাক্তন ছাত্ৰ, স্থানীয় সংগঠন, পঞ্চায়ত, স্বেচ্ছাসেৱী সংস্থা আৰু সমাজৰ অন্যান্য অংশীদাৰেও ভূমিকা গ্ৰহণ কৰিব পাৰে। গান্ধীৰ 'গাঁও নিজে নিজৰ উন্নয়নৰ অংশীদাৰ' ধাৰণাক আধুনিক গণতান্ত্ৰিক পৰিপ্ৰেক্ষিতত বিদ্যালয়-সমাজ সহযোগিতাৰ ৰূপত পুনৰ চিন্তা কৰিব পাৰি। গান্ধীৰ শিক্ষাদৰ্শনত নৈতিক অৰ্থনীতিৰ ধাৰণাও অন্তৰ্নিহিত। আজিৰ শিক্ষাৰ্থীয়ে অৰ্থনীতি, ব্যৱসায় আৰু উদ্যোগৰ জ্ঞান লাভ কৰিব লাগিব, কিন্তু লাভ আৰু সামাজিক দায়িত্বৰ মাজৰ সম্পৰ্কও বুজিব লাগিব। গান্ধীৰ 'ট্ৰাষ্টিশ্বিপ' ধাৰণাই সম্পদ আৰু ক্ষমতাক সমাজৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ এক নৈতিক চিন্তা আগবঢ়াইছিল। আধুনিক সামাজিক উদ্যোগ, কৰ্পৰেট সামাজিক দায়বদ্ধতা আৰু সামাজিক উদ্ভাৱনৰ ক্ষেত্ৰত এই ধাৰণাৰ সৈতে কিছু তুলনামূলক সংযোগ স্থাপন কৰিব পাৰি।

শিক্ষাৰ লক্ষ্যক পুনৰ সংজ্ঞায়িত কৰাৰ সময় আহিছে। শিশুক কেৱল 'কিমান নম্বৰ পাব?' বুলি সোধাৰ পৰিৱৰ্তে 'কি শিকিলে?', 'কেনেকৈ শিকিলে?', 'শিকাখিনি জীৱনত কেনেকৈ প্ৰয়োগ কৰিব?', 'সমাজৰ বাবে কি কৰিব পাৰিব?'— এই প্ৰশ্নসমূহো সোধা উচিত। গান্ধীৰ শিক্ষা-দৰ্শনে এই বহল দৃষ্টিভংগীৰ কথাই কৈছিল। এজন শিক্ষিত ব্যক্তিয়ে কেৱল নিজৰ সফলতাৰ বাবে কাম নকৰে, তেওঁ সমাজৰ প্ৰতিও দায়বদ্ধ। এজন শিক্ষিত নাগৰিকে নিজৰ অধিকাৰৰ লগতে আনৰ অধিকাৰকো সন্মান কৰে। তেওঁ ভিন্নমতক সহ্য কৰিব জানে, প্ৰকৃতিৰ প্ৰতি দায়িত্বশীল, শ্ৰমৰ প্ৰতি শ্ৰদ্ধাশীল আৰু অন্যায়ৰ বিৰুদ্ধে নৈতিকভাৱে থিয় দিব পাৰে। এই মানুহজনেই গান্ধীৰ শিক্ষাৰ আদৰ্শৰ ওচৰ চাপি যায়।

আজিৰ ভাৰতত শিক্ষাৰ ক্ষেত্ৰত এক বৃহৎ পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা অনুভূত হৈছে। একবিংশ শতিকাৰ জ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে ভাৰতীয় সভ্যতাৰ মূল্যবোধ, ভাষা, সংস্কৃতি, নৈতিকতা আৰু সামাজিক দায়িত্বৰ সমন্বয় ঘটাব লাগিব। একেদৰে বিশ্বনাগৰিক হোৱাৰ লগতে নিজৰ সমাজ আৰু সংস্কৃতিৰ সৈতে সংযোগ অটুট ৰাখিব লাগিব। গান্ধীবাদী শিক্ষাই এই সমন্বয়ৰ বাবে এক নৈতিক কাঠামো আগবঢ়াব পাৰে। গান্ধীৰ শিক্ষাদৰ্শনক কেৱল অতীতৰ স্মৃতি হিচাপে সংৰক্ষণ কৰিলে ইয়াৰ প্ৰকৃত মূল্য উপলব্ধি কৰা নহ'ব। ইয়াক আধুনিক বিদ্যালয়ৰ বাস্তৱতাৰ সৈতে সংলাপত আনিব লাগিব। বিজ্ঞানৰ সৈতে নৈতিকতা, প্ৰযুক্তিৰ সৈতে মানৱতা, দক্ষতাৰ সৈতে শ্ৰমৰ মৰ্যাদা, ব্যক্তিগত সফলতাৰ সৈতে সামাজিক দায়িত্ব, বিশ্বায়নৰ সৈতে স্থানীয় পৰিচয় আৰু জ্ঞানৰ সৈতে বিবেক— এই সমন্বয়েই হয়তো গান্ধীবাদী শিক্ষাৰ আধুনিক ৰূপ।

ভাৰতীয় জাতীয় শিক্ষাৰ সফলতা শেষ বিচাৰত নিৰ্ভৰ কৰিব বিদ্যালয়ে কেনে মানুহ সৃষ্টি কৰিছে তাৰ ওপৰত। যদি বিদ্যালয়ৰ পৰা ওলাই অহা প্ৰজন্ম বিজ্ঞানত দক্ষ, প্ৰযুক্তিত পাৰদৰ্শী, ভাষাত সমৃদ্ধ, ইতিহাস-সংস্কৃতিৰ প্ৰতি সচেতন, প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ, শ্ৰমৰ প্ৰতি শ্ৰদ্ধাশীল, নৈতিকভাৱে সৎ আৰু গণতান্ত্ৰিক মূল্যবোধত বিশ্বাসী হয়, তেন্তে শিক্ষাই নিজৰ বৃহৎ উদ্দেশ্য পূৰণ কৰিছে বুলি ক'ব পাৰি। কিন্তু যদি শিক্ষা কেৱল চাকৰি আৰু প্ৰতিযোগিতাৰ সাফল্যত সীমাবদ্ধ থাকে, তেন্তে মানুহৰ সম্পূৰ্ণ বিকাশৰ প্ৰশ্নটো অনুত্তৰিত হৈ থাকে।

গান্ধীয়ে ভাৰতক যি ৰূপত কল্পনা কৰিছিল, তাত স্বাধীনতা কেৱল বিদেশী শাসনৰ পৰা মুক্তি নাছিল; স্বাধীনতা আছিল মানুহৰ আত্মমৰ্যাদা, আত্মনিৰ্ভৰতা আৰু নৈতিক শক্তিৰ জাগৰণ। শিক্ষাই সেই জাগৰণৰ অন্যতম প্ৰধান মাধ্যম। সেয়ে স্বাধীন ভাৰতৰ শিক্ষাৰ ইতিহাসত গান্ধীৰ অৱদান কেৱল 'নই তালিম' নামৰ এটা শিক্ষাপদ্ধতিত সীমাবদ্ধ নহয়। তেওঁৰ মূল অৱদান হৈছে শিক্ষাৰ উদ্দেশ্যক পুনৰ মানুহৰ জীৱন, সমাজ আৰু নৈতিকতাৰ সৈতে সংযুক্ত কৰাৰ আহ্বান।

আজিৰ সময়ত এই আহ্বান নতুনকৈ শুনাৰ প্ৰয়োজন আছে। কৃত্ৰিম বুদ্ধিমত্তা, ৰবটি', মহাকাশ বিজ্ঞান, ডিজিটেল অৰ্থনীতি আৰু গোলকীকৰণৰ যুগত ভাৰতক জ্ঞান-সমৃদ্ধ, দক্ষ আৰু উদ্ভাৱনী শক্তিসম্পন্ন প্ৰজন্ম লাগিব। কিন্তু একে সময়তে দেশক প্ৰয়োজন সত্যবাদী, সহনশীল, দায়িত্বশীল আৰু মানৱতাবাদী নাগৰিকৰো। এই দুয়োটাৰ মাজত কোনো বিৰোধ নাই। বৰং আধুনিক জ্ঞান আৰু গান্ধীবাদী মূল্যবোধৰ সৃষ্টিশীল সমন্বয়েই ভাৰতীয় শিক্ষাক অধিক মানৱীয় আৰু অধিক শক্তিশালী কৰিব পাৰে।

সেয়েহে গান্ধীবাদী দৰ্শন আৰু ভাৰতীয় জাতীয় শিক্ষাৰ সম্পৰ্কক অতীত বনাম বৰ্তমানৰ দ্বন্দ্ব হিচাপে বিবেচনা নকৰিঐতিহ্য আৰু আধুনিকতাৰ এক সংলাপ হিচাপে চোৱা উচিত। গান্ধীয়ে আমাক সোঁৱৰাই দিয়ে যে শিক্ষা মানুহৰ বাবে, আধুনিক শিক্ষাই আমাক শিকায় যে মানুহক নতুন জ্ঞান আৰু নতুন দক্ষতাৰ সৈতে আগুৱাই নিব লাগিব। গান্ধীয়ে শিকাইছিল শ্ৰমৰ মৰ্যাদা, সত্যৰ মূল্য, অহিংসাৰ শক্তি আৰু সমাজৰ প্ৰতি দায়িত্ব, আধুনিক জাতীয় শিক্ষাই আগবঢ়াইছে বিজ্ঞান, প্ৰযুক্তি, উদ্ভাৱন, বহুভাষিকতা, দক্ষতা আৰু বিশ্বদৃষ্টিৰ সুযোগ। এই দুয়োটা ধাৰাৰ সৃষ্টিশীল সমন্বয়ত গঢ় লৈ উঠিব পাৰে এনে এক ভাৰতীয় শিক্ষা, যি একে সময়তে আধুনিক আৰু মানৱতাবাদী, বৈজ্ঞানিক আৰু নৈতিক, বিশ্বমুখী আৰু শিপাৰ সৈতে সংযুক্ত।

পৰিশেষত ক'ব পাৰি, এখন দেশৰ ভৱিষ্যৎ কেৱল দেশখনৰ অৰ্থনীতি, সেনাশক্তি অথবা প্ৰযুক্তিগত উন্নয়নে নিৰ্ধাৰণ নকৰে, দেশখনৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰে সেই দেশৰ শিক্ষাই কেনে মানুহ সৃষ্টি কৰিছে তাৰ দ্বাৰা। ভাৰতৰ দৰে বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ দেশত শিক্ষাৰ প্ৰকৃত লক্ষ্য হ'ব লাগে এনে নাগৰিক সৃষ্টি কৰা, যি নিজৰ ব্যক্তিগত উন্নয়নৰ লগতে সমাজ আৰু দেশৰ কল্যাণৰ কথাও চিন্তা কৰে। গান্ধীবাদী দৰ্শনৰ গভীৰতম শিক্ষা এইখিনিতেই— মানুহক কেৱল উপাৰ্জনক্ষম নহয়, মূল্যবোধসম্পন্ন কৰি গঢ়ি তোলাৰ কথা কয়। তদুপৰি ভাৰতীয় জাতীয় শিক্ষাৰ সন্মুখৰ অন্যতম বৃহৎ প্ৰত্যাহ্বানো এইটোৱেই— বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত মানৱীয়তা যাতে হেৰাই নাযায়।

শিক্ষাৰ ভৱিষ্যৎ সেয়ে কেৱল স্মাৰ্ট ক্লাছৰুম, ডিজিটেল বৰ্ড, কৃত্ৰিম বুদ্ধিমত্তা অথবা অনলাইন পাঠদানত নিৰ্ভৰ নকৰে। শিক্ষাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব শিশুৰ হাতত কামৰ আনন্দ, মগজুৰ অনুসন্ধিৎসু, হৃদয়ত সহানুভূতি আৰু বিবেকত সত্যৰ শক্তি জগাই তুলিব পাৰিছোঁ নে নাই তাৰ ওপৰত। এই সমন্বিত মানুহ গঢ়াৰ স্বপ্নই গান্ধীবাদী শিক্ষাৰ চিৰন্তন বাৰ্তা আৰু ভাৰতীয় জাতীয় শিক্ষাৰ এক গভীৰ নৈতিক প্ৰত্যাহ্বান।

ওদালগুৰি জিলা বিজেপি সংবাদমেল

কংগ্ৰেছসহ বিৰোধী দলসমূহে দেশক অস্থিৰ, বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ ৰচিছে ঃ বিকন চন্দ্ৰ ডেকা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১ অক্টোবৰ ঃ চিজেপি, কংগ্ৰেছ আৰু বিৰোধী ৰাজনৈতিক দলসমূহে উপ নিৰ্বাচনক কেন্দ্ৰ কৰি বিজেপিৰ বিৰুদ্ধে অপপ্ৰচাৰ, বিভ্ৰান্তিমূলক তথ্য প্ৰচাৰ প্ৰসাৰ কৰা বাবে ওদালগুৰি জিলাৰ টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই পানেৰী ফুলকুচিস্থিত তেখেতৰ আবাসগৃহত এক সংবাদ মেল সম্বোধন কৰি তেখেতে কয় কংগ্ৰেছ আৰু চিজেপিৰ দৰে বিজেপিৰ বিৰোধী অপশক্তিসমূহে ভাৰতীয় গণতন্ত্ৰক অস্থিৰ কৰিব চেষ্টা কৰিছে। গণতান্ত্ৰিক ব্যৱস্থাটোকে উপলুত্ত কৰিছে। এই অপ শক্তিসমূহে ভাৰতৰ নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণ বিচাৰি দেশখনক অস্থিৰ কৰাৰ ষড়যন্ত্ৰ ৰচিছে। এই বিৰোধী অপ শক্তিসমূহে যিবোৰ বিষয় উত্থাপন কৰিছে সেই বিষয়বোৰ সম্পূৰ্ণ মনসজা, ভিত্তিহীন অভিযোগ। দেশবাসীয়ে বিৰোধীৰ ভিত্তিহীন কথাত প্ৰভাৱান্বিত নহয়। বিৰোধীয়ে উল্লেখ কৰাৰ দৰে এছ আই আৰ সম্পূৰ্ণ গণতান্ত্ৰিক ব্যৱস্থাৰ মাজেৰে নিয়ম ভিত্তিত হৈছিল। বিএলঅ, ইআৰঅ আদি বিষয়াৰ দ্বাৰা এক শুদ্ধ প্ৰক্ৰিয়াৰ মাজেৰে এছ আই আৰ দাখিল কৰিছিল। এই চিস্টেমটোত কেতিয়াও প্ৰভাৱান্বিত কৰিব নোৱাৰে। এছ আই আৰত যে কোনো ভুল নাই সেয়া উচ্চতম ন্যায়ালয়ে মান্যতা প্ৰদান কৰিছে। এছ আই আৰ সম্পৰ্কত বিৰোধীয়ে কৰা অভিযোগৰ কোনো মূল্য নাই। এছ আই আৰ সম্পৰ্কীয় সিদ্ধান্ত সমূহ সৰ্ব সম্মতি ক্ৰমে যে লোৱা হৈছিল সেই সম্পৰ্কে মুখ্য নিৰ্বাচনী বিষয়াই তিনিও গৰাকীয়ে ৰাজহুৱা কৰিছে। এই সত্ত্বেও কংগ্ৰেছে কৰা মন্তব্যৰ কোনো মূল্য নাই। কংগ্ৰেছ আৰু বিৰোধী ৰাজনৈতিক দলসমূহে দেশক অস্থিৰ, বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ ৰচিছে। নিৰ্বাচন আয়ুক্তই সম্পূৰ্ণ দায়িত্ব সহকাৰে কাম কৰিছে। কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কোৱাৰ দৰে ইভিএম কেতিয়াও হ্ৰেক ক'ৰ'ব নোৱাৰে। ইভিএমক হ্ৰেক বক্স বুলি কৈ ভাৰতীয় গণতন্ত্ৰক অপমানিত কৰিছে। য'ত নিৰ্বাচিত কংগ্ৰেছসহ বিৰোধী দল বিজয়ী হয় তাত ইভিএমৰ ওপৰত অভিযোগ নাথাকে। য'ত বিৰোধী দল নিজিকে তাত ইভিএমক হ্ৰেক বক্স বুলি কয়। এয়া হ'ল বিৰোধী দলৰ নীতি। বিজেপি চৰকাৰৰ সম্পৰ্কত বিৰোধী নেতা ৰাহুল গান্ধীয়ে যিবোৰ অভিযোগ কৰি থাকে সেইবোৰ সত্য সত্যতাৰ প্ৰমাণ কৰিব নিবিচাৰে। বৰঞ্চ সেইবোৰৰ সত্য সত্যতাৰ পৰা তেওঁ আঁতৰি ফুৰে। কোনো তথ্য নোহোৱাকৈ শাসকীয় দল বিজেপিৰ বিৰুদ্ধে ৰাহুল গান্ধীয়ে অভিযোগ কৰে। সেইবোৰ ৰাহুল গান্ধীয়ে আদালতত গৈ প্ৰমাণ কৰিব নোৱাৰে। ৰাহুল গান্ধীয়ে হিট এণ্ড ৰাণ টেকনিক পলিচিৰে বিৰোধী দলৰ নেতাৰ ভূমিকা পালন কৰে। এই অভিযোগ বিধায়ক বিকন চন্দ্ৰ ডেকাৰ। কংগ্ৰেছে গণতন্ত্ৰৰ কথা ক'বই নালাগে। দেশৰ জৰুৰীকালীন অৱস্থাত কংগ্ৰেছে গণতন্ত্ৰক হত্যা কৰিছিল। ২০১৪ চনৰ পৰা দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক যি গতিৰে আগুৱাই নিছে সেয়া পৃথিবীৰ মানচিত্ৰত ভাৰতৰ স্থান উজ্জ্বল। এনেস্থলত বিৰোধীৰ মন্তব্যৰ কোনো মূল্য নাই। আনহাতে চিজেপি সম্পৰ্কত আচলতে কংগ্ৰেছ আৰু বিৰোধী দলৰ সৃষ্টি। চিজেপিৰ অভিজিৎ দিপকে আমেৰিকাৰ পৰা খেদখোৱা ব্যক্তি। কোকবেছ যাৰ নামেই পৰিচয়, এপ্ৰেছৰ জন্ম হোৱা বস্তু। পোহৰ দেখিলেই এন্ধাৰলৈ দৌৰ মাৰে, এন্ধাৰত থাকি কেনেকৈ সমাজখনক পোহৰ কৰিব, গতিকে তেনেকুৱা এটা কোকবেছ সংগঠনে কেতিয়াও ৰাইজৰ উন্নতি কৰিব নোৱাৰে। তেখেতে আৰু কয় আমাৰ ইয়াত চিজেপি ৰ প্ৰয়োজন নাই। আছু, এবছুকে ধৰি যথেষ্ট ছাত্ৰ সংগঠন আৰু জাতীয় সংগঠন আছে। তেওঁলোকেই বহুত কাম কৰি আছে আৰু চিজেপিক যদি কোনোবাই আদৰি ল'ব বিচাৰে তেতিয়া নিজৰ জাতিক লাট মাৰি দিয়াৰ নিচিনা হ'ব বুলি সংবাদমেলত বিধায়ক বিকন চন্দ্ৰ ডেকাই মন্তব্য কৰে ওদালগুৰি জিলা বিজেপিৰ সংবাদ কোষৰ আহ্বায়ক কনেস্বৰ ডেকাই আঁত ধৰা সংবাদমেলত জিলা বিজেপিৰ সভাপতি অজয় কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰে। সংবাদ মেলত ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত চৰকাৰ, খালিং দুবাৰ মণ্ডল বিজেপিৰ সভাপতি ৰেখা ৰাণী বড়া উপস্থিত থাকে।

গোলাঘাটত প্ৰধান শিক্ষয়িত্ৰী উষাৰাণি দেৱীৰ অৱসৰ উপলক্ষে বিদায় সম্বৰ্ধনা



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১ অক্টোবৰ ঃ সুদীৰ্ঘ ৩০ বছৰ শিক্ষকতাৰ চাকৰিত নিয়োজিত হৈ কণ কণ শিশু সকলক শিক্ষাৰ পোহৰেৰে আলোকিত কৰি তোলা গোলাঘাট নগৰৰ এখন আগশাৰীৰ চকাবী শিক্ষানুষ্ঠান কুমাৰপট্টি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন অতিক্ৰম কৰা প্ৰধান শিক্ষয়িত্ৰী উষাৰাণী দেৱীয়ে আজি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে আজি বিদ্যালয় চৌহদত অনুষ্ঠিত কৰা হয় এখন বিদায় সভাৰ। বিদ্যালয়খনৰ নব নিযুক্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্গেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গোলাঘাট পৌৰপতি পৌৰপতি দুলুমণি বৰবৰা, উপ পৌৰপতি সীমান্ত বৰা, ২ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্যা হালিমা চিন্দিকা, কেইবাখনো বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকল উপস্থিত থাকে। সভাত শিক্ষক শিক্ষয়িত্ৰী তথা অভিভাৱক, ছাত্ৰ ছাত্ৰীয়ে বিদায়ী প্ৰধান শিক্ষয়িত্ৰী উষাৰাণী দেৱীক ফুলাম গামোচা, গছপুলি, কিতাপৰ টোপোলাৰে বিপুল সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ছাত্ৰ ছাত্ৰীৰ অতি কে জনপ্ৰিয় শিক্ষয়িত্ৰী উষাৰাণী দেৱীৰ অৱসৰ গ্ৰহণ কৰাক লৈ দুখত ভাগি পৰিছে বিদ্যালয়খনৰ অন্যান্য শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে।

ডিব্ৰুগড়ৰ এলেন ইনষ্টিটিউটত স্ক'লাৰশ্বিপ বাতিলক লৈ উত্তপ্ত পৰিস্থিতি

মুখ্যমন্ত্ৰীয়ে প্ৰত্যাহাৰ কৰিলে বিতৰ্কিত জাননী

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ অক্টোবৰ ঃ ডিব্ৰুগড়ৰ আগশাৰীৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি প্ৰতিষ্ঠান 'এলেন ইনষ্টিটিউট'ত শিক্ষাৰ্থীৰ স্ক'লাৰশ্বিপ হ্ৰাস আৰু বাতিল কৰাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নামভৰ্তিৰ সময়ত দিয়া প্ৰতিশ্ৰুতি ভংগ কৰি প্ৰতিষ্ঠানখনে অতিৰিক্ত মাচুল দাবী কৰাৰ অভিযোগ তুলি ক্ষুব্ধ অভিভাৱকসকলে প্ৰতিষ্ঠানটোৰ কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অৱশেষ এই উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ পিছতে শিক্ষাৰ্থীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সমগ্ৰ বিতৰ্কৰ অৱসান ঘটায়। অভিভাৱক সকলৰ অভিযোগ অনুসৰি, এলেনৰ স্ক'লাৰশ্বিপ পৰীক্ষাত তেওঁলোকৰ সন্তানসকলে ৯৫ শতাংশ পৰ্যন্ত নম্বৰ লাভ কৰাৰ ভিত্তিত ৯০-৯৫ শতাংশ পৰ্যন্ত স্ক'লাৰশ্বিপ লাভ কৰি নামভৰ্তি কৰিছিল। নামভৰ্তিৰ সময়ত নিৰ্ধাৰিত সম্পূৰ্ণ মাচুল পৰিশোধ কৰাৰ পিছত ২-৩ এপ্ৰিল পৰাই নিয়মীয়া শ্ৰেণী পাঠদান আৰম্ভ হৈছিল। কিন্তু তাৰ বহু দিনৰ পিছত, অৰ্থাৎ ২৪ মে'তহে তেওঁলোকক অৱগত কৰা হয় যে ১৩ মাৰ্চত জাৰি কৰা এক মেম'ৰেণ্ডামৰ ভিত্তিত স্ক'লাৰশ্বিপৰ হাৰ সলনি কৰা হৈছে। স্ক'লাৰশ্বিপ হ্ৰাস কৰাৰ ফলত একাংশ শিক্ষাৰ্থীৰ পৰা ৮০ হাজাৰৰ পৰা ১ লাখ টকা পৰ্যন্ত অতিৰিক্ত মাচুল দাবী কৰা হৈছে বুলি অভিভাৱকসকলে অভিযোগ তোলে। হঠাৎ গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি অভিভাৱক সকলে কয় যে যদি এই সিদ্ধান্ত বাতিল কৰা নহয়, তেন্তে তেওঁলোকে ৰাজপথলৈ ওলাই আহি আন্দোলন কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান আৰু প্ৰয়োজন সাপেক্ষে আইনী ব্যৱস্থা গ্ৰহণ কৰিব। ইপিনে, ইয়াৰ প্ৰতিক্ৰিয়াত অসম ৰাজ্যিক যুৱ আয়োগৰ তৰফৰ পৰা জনোৱা হৈছিল যে ডিব্ৰুগড়, যোৰহাট আৰু তেজপুৰস্থিত এলেন প্ৰতিষ্ঠানত বিপিএল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই নীতি তৈয়াৰ কৰা হৈছে, যাৰ জৰিয়তে ৰেচন কাৰ্ড থকা প্ৰায় ৭৮ গৰাকী শিক্ষাৰ্থীক ১০০ শতাংশ স্ক'লাৰশ্বিপ প্ৰদান কৰা হৈছে। লগতে এপিএল শিক্ষাৰ্থীৰ ক্ষেত্ৰত স্ক'লাৰশ্বিপ ৬০ আৰু ৪০ শতাংশলৈ সংশোধন কৰা হৈছিল। অন্যহাতে আজি আন এখন সংবাদমেল সম্বোধন কৰি অসম ৰাজ্যিক যুৱ আয়োগৰ সদস্য ডাঃ ভাস্কৰ পাপুকন গগৈয়ে এই সমগ্ৰ প্ৰসংগত চৰকাৰৰ চূড়ান্ত সিদ্ধান্ত ঘোষণা কৰে। তেওঁ প্ৰকাশ কৰে যে অসম ৰাজিক যুৱ আয়োগৰ ফালৰ পৰা পূৰ্বৰ স্ক'লাৰশ্বিপ ব্যৱস্থাটো 'ৰেশনেলাইজ' (পুনৰ্বিন্যাস) কৰিবলৈ এই জাননী জাৰি কৰা হৈছিল যদিও ই প্ৰকাশ পাওঁতে প্ৰায় ছমাহ পলম হোৱাৰ বাবে শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত ব্যাপক অসন্তুষ্টিৰ সৃষ্টি হৈছিল। সোমবাৰৰ উত্তপ্ত পৰিস্থিতি আৰু অভিভাৱকসকলৰ উদ্বেগৰ কথা দোহাৰি ডাঃ ভাস্কৰ পাপুকন গগৈয়ে অসম ৰাজ্যিক যুৱ আয়োগৰ অধ্যক্ষতাৰ্যগণ গগৈ আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এক জৰুৰী আৰু গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। এই আলোচনাৰ পিছতেই শিক্ষাৰ্থীসকলৰ ভৱিষ্যত আৰু স্বাৰ্থলৈ লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই তাৎক্ষণিকভাৱে উক্ত বিতৰ্কিত জাননীখন বাতিল কৰাৰ নিৰ্দেশ প্ৰদান কৰে। বিশেষকৈ শিক্ষাৰ্থীসকলে পূৰ্বৰ দৰেই কোনো বাধা নোহোৱাকৈ স্ক'লাৰশ্বিপৰ সুবিধা লাভ কৰি থাকিব পাৰিব। শিক্ষাৰ্থীসকলৰ পৰা প্ৰতিষ্ঠানে কোনো ধৰণৰ অতিৰিক্ত মাচুল আদায় দিব নোৱাৰিব। শিক্ষাৰ্থীসকলে পূৰ্বৰ নিয়ম আৰু নিৰ্দেশ অনুসৰিয়েই নিজৰ পঢ়া-শুনা নিৰ্বিঘ্নে চলাই যাব পাৰিব। চলিত বৰ্ষত স্ক'লাৰশ্বিপ নীতিৰ কোনো ধৰণৰ সংস্কাৰ বা পুনৰ্বিন্যাস কৰা নহ'ব। পৰৱৰ্তী সময়ত এই সন্দৰ্ভত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনা কৰিহে প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। চৰকাৰৰ এই ত্বৰান্বিত আৰু সময়োপযোগী পদক্ষেপে এলেন ইনষ্টিটিউটৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত স্বস্তি ঘূৰাই আনিছে।

স্ক'ৰপিঅ' বাহনে মহতিয়াই নিলে দুই বাইক আৰোহীক, থিতাতে নিহত দুজন

গোলাঘাট মেৰাপানী পথৰ ফৰকাটিঙৰ চকৰধৰাত ভয়ংকৰ পথ দুৰ্ঘটনা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১ অক্টোবৰ ঃ গোলাঘাট মেৰাপানী সংযোগী পথৰ ফৰকাটিঙৰ চকৰধৰাত কালি সন্ধিয়াৰ ভাগত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। গোলাঘাটৰ পৰা ফৰকাটিঙৰ দিশে আহি থকা এখন চলন্ত বাইকক এখন স্ক'ৰপিঅ' বাহনে খুন্দা মৰাৰ ফলত ঘটনাস্থলীতে নিহত হয় দুই বাইক আৰোহীৰ। নিহত দুজন হৈছে ফৰকাটিং ১ নং তিৰুৱাল গাঁৱৰ মণ্টু কুমাৰ নাথ (৩৮) আৰু বিংকু নাথ (৫১)। দুয়োগৰাকী সম্বন্ধত ককায়েক ভায়েক বুলি জানিব পৰা গৈছে। নিহত মণ্টু কুমাৰ না আই চি আই চি আই বেংকৰ নুমলীগড় শাখাৰ প্ৰবন্ধক হিচাপে কৰ্মৰত আছিল। আনহাতে মৃত বিংকু নাথ নুমলীগড় শোধনাগাৰত কৰ্মৰত আছিল। দুৰ্ঘটনাটো ইমানেই ভয়াৱহ আছিল যে এক দিশেৰে গৈ থকা স্ক'ৰপিঅ' বাহনখনে প্ৰচণ্ড জোৰেৰে বাইকখনত খুন্দা মাৰি বহু দূৰ চোঁচৰাই লৈ গৈছিল। জানিব পৰা মতে, দুয়োজনেই কাম কাজ সামৰি গোলাঘাটৰ পৰা ফৰকাটিংস্থিত নিজা ঘৰলৈ বাইকেৰে গৈ আছিল। দুৰ্ঘটনাৰ পাছত দুয়োজনকে ততাতৈয়াকৈ গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে দুয়োজনকে মৃত বুলি ঘোষণা কৰে। আজি দুয়োৰে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ অন্তত ঘৰলৈ ফৰকাটিঙৰ নিজা বাসভৱনলৈ লৈ অনা হয় আৰু এক শোকাকুল পৰিৱেশত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখ্য যে মৃত মণ্টু কুমাৰ নাথে মৃত্যুৰ সময়ত পত্নী, পিতৃ মাতৃক এৰি যোৱাৰ লগতে বিংকু নাথে পত্নী, পুত্ৰ আৰু কন্যা সন্তানক ইহ সংসাৰত এৰি গৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি জনৈক তালুকদাৰৰ স্ক'ৰপিঅ' বাহনে সংঘটিত কৰে এই মৰ্মান্তিক দুৰ্ঘটনাটো। ইফালে আজি স্থানীয় ৰাইজে দুৰ্ঘটনা সংঘটিত কৰা বাহনৰ গৰাকীক চিনাক্ত কৰি অতি শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবীত মৃতদেহ লৈ ফৰকাটিঙত আৰক্ষী চকী ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে মৃতকৰ পৰিয়ালৰ লোকে ফৰকাটিং আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।

নাজিৰাত অ' এনজিচিৰ বিৰুদ্ধে শিৱসাগৰ জিলা গণ সংগঠনসমূহৰ যৌথ সংগ্ৰামী মঞ্চৰ অৱস্থান ধৰ্মঘট

অসম বাৰ্তা, নামতি, ১ অক্টোবৰ ঃ বৰ্তমান অসম তথা ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিত যুৱকসকলৰ কৰ্ম সংস্থাপনৰ বিষয়টোৱে ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। নিবনুৱাসকলৰ কৰ্ম সংস্থাপনৰ বাবে সম্ভাব্য আন্তঃগাঁথনি উন্নয়ন অথবা নতুন শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰা নাই। অন্যহাতে কেন্দ্ৰীয় চৰকাৰে সংস্কাৰমুখী অৰ্থনৈতিক নীতিৰ ঢাক-ঢোল বজাই লাভজনক উদ্যোগ প্ৰতিষ্ঠান সমূহ দেশী-বিদেশী পুঁজিপতি গোষ্ঠীক গতাই দিয়াৰ ব্যৱস্থাৰে নিবনুৱাসকলৰ কৰ্ম সংস্থাপনৰ পথ সম্পূৰ্ণৰূপে বন্ধ কৰিছে। বিগত সময়ছোৱাত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অসম সম্পদৰ অধীনৰ তৈল পথাৰ সমূহত প্ৰচুৰ পৰিমাণৰ তেল, গেছ থকাৰ পাছতো নিগম কৰ্তৃপক্ষই সঠিক নতুন কাৰিকৰী প্ৰযুক্তি প্ৰয়োগ নকৰি উৎপাদন হ্ৰাস হোৱা বুলি অভিযোগ কৰি আহিছে। ভাৰতবৰ্ষৰ নৱৰত্ন কোম্পানী হিচাবে দেশে-বিদেশে খ্যাতি অৰ্জন কৰি অ' এন জি চি কৰ্তৃপক্ষই অসম বিৰোধী চক্ৰ লগ হৈ প্ৰতিষ্ঠানটোক ব্যক্তিগতকৰণ কৰাৰ ষড়যন্ত্ৰত নামি পৰিছে। অন্যহাতে অসম সম্পদৰ আটাইকেইটা লাভজনক গেলেকী তৈল পথাৰখন ব্যক্তিগতকৰণৰ ষড়যন্ত্ৰত নামি পৰিছে। ১৯৬৪ চনত অ' এন জি চিয়ে অসমত তেল-গেছৰ ভাণ্ডাৰ আৱিষ্কাৰ কৰাৰ পৰা বৰ্তমানলৈকে অসমে লাখ-কোটি টকা ৰয়েলিটি লাভ কৰাৰ উপৰিও অসমৰ বহু হাজাৰ লোকে কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯১ চনত নিগমৰ অসম সম্পদৰ স্থায়ী কৰ্মচাৰীৰ সংখ্যা আছিল ১১, ৫০২জন আৰু বৰ্তমান অ' এন জি চি অসম সম্পদত স্থায়ী কৰ্মচাৰীৰ সংখ্যা দুই হাজাৰৰ তললৈ হ্ৰাস পাইছে। অনাহাতে অ' এন জি চি কৰ্তৃপক্ষই সংস্কাৰমুখী নীতি গ্ৰহণ কৰি উৎপাদন বৃদ্ধিৰ বাবে উচ্চ প্ৰযুক্তিৰ ঢাক-ঢোল বজাই বিগতসমূহ Man Manage-ment Contact (MMC) জৰিয়তে ব্যক্তিগত খণ্ডত দিয়াৰ ষড়যন্ত্ৰত নামি পৰিছে। অ' এন জি চি অসম সম্পদক ব্যক্তিগতকৰণ কৰিলে অসমৰ অৰ্থনীতিত আঘাত সানিব আৰু সামাজিক স্বাৰ্থ বিঘ্নিত হ'ব। লগতে কৰ্ম সংস্থাপনৰ ব্যৱস্থাও বন্ধ হৈ পৰিব। ২০০১ চনৰ পৰা শিৱসাগৰ জিলা গণ সংগঠনসমূহৰ যৌথ সংগ্ৰামী মঞ্চৰ তৰফৰ পৰা অ' এন জি চি অসম সম্পদত নিযুক্তিৰ দাবীত আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এই আন্দোলন কাৰ্যসূচীত শিৱসাগৰ জিলাৰ কেইবা হাজাৰ যুৱ-ছাত্ৰ শ্ৰমজীৱী, কৃষিজীৱী জনগণৰ প্ৰবল প্ৰত্যাহ্বানৰ ফলত অ' এন জি চি ৰ অসম সম্পদত এক হাজাৰ কৰ্মচাৰী আৰু ১২৫০জন অসম বেটেলিয়ানত নিযুক্তি দিবলৈ বাধ্য হৈছিল। নিগমৰ অসম সম্পদৰ অপাৰেচন এলেকাৰ ভিতৰত এইবছৰ ভয়াবহ জল প্ৰলয়ত শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত ১০ লাখতকৈ অধিক লোকৰ সা-সম্পত্তি, ঘৰ-দুৱাৰ, জীৱ-জন্তু আদি সৰ্বস্বান্ত কৰিলে।



শতাধিক লোকৰ এই জল প্ৰলয়ত মৃত্যু হ'ল। বাট-পথ সমূহৰ বিস্তৰ ক্ষতিসাধন কৰিলে আৰু বানক্ষতিগ্ৰস্ত লোকসকলক অ' এন জি চি অসম সম্পদৰ কৰ্তৃপক্ষই উপযুক্ত আৰ্থিক সাহায্য প্ৰদান কৰা দাবী উত্থাপন কৰা হৈছে। নিখিল ভাৰত যুৱ ফেডাৰেচন, নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন, শ্ৰমিক মহাসভা (AITUC) আৰু কৃষক সভাই নিবনুৱা কৰ্ম সংস্থাপন, আন্তঃগাঁথনি, পৰিকল্পনা ও উন্নয়ন, নতুন শিল্প উদ্যোগ প্ৰতিষ্ঠা আৰু প্ৰতিষ্ঠিত শিল্প উদ্যোগৰ খালী পদত নিযুক্তি বিষয়ত গণতান্ত্ৰিক আন্দোলন সংগঠিত কৰি আহিছে। এনে গণতান্ত্ৰিক আন্দোলনৰ অংশ স্বৰূপে দেশৰ লাভজনক উদ্যোগিক প্ৰতিষ্ঠান হিচাপে অ' এন জি চি ৰ পূৰ্বাঞ্চল ক্ষেত্ৰত থলুৱা নিবনুৱা কৰ্ম সংস্থাপন আৰু অঞ্চলটোৰ আৰ্থ সামাজিক উন্নয়নৰ দাবীৰ ভিত্তিত আজি অ' এন জি চি অসম সম্পদৰ নাজিৰাস্থ মুখ্য কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট এয়া হৈ গৈছে। শিৱসাগৰ জিলা গণ সংগঠনসমূহৰ যৌথ সংগ্ৰামী মঞ্চৰ অসম সম্পদৰ কৰ্মৰত সদস্যসকলে নিখিল ভাৰত যুৱ ফেডাৰেচন, নিখিল ভাৰত শ্ৰমিক মহাসভা, নিখিল ভাৰত যুৱ ফেডাৰেচন, ছাত্ৰ ফেডাৰেচন, অসম মহিলা সংঘ, কৃষি শ্ৰমিক সংঘৰ বিষয়ববীয়াৰ স্বাক্ষৰ অ' এন জি চি ৰ অসম সম্পদৰ আটাইকেইটা লাভজনক গেলেকী তৈলক্ষেত্ৰ ব্যক্তিগতকৰণ বন্ধ কৰা, নিগমৰ অসম সম্পদৰ তৈল ক্ষেত্ৰ আৰু বিগনিসমূহ ব্যক্তিগত কৰণ বন্ধ কৰা অ' এন জি চি অসম সম্পদত খালী হৈ থকা ৯০০০ হেজাৰ খালী পদত থলুৱা নিবনুৱা যুৱক-যুৱতীক শীঘ্ৰে নিযুক্তি দিয়া, উৎপাদন বৃদ্ধিৰ বাবে নতুন তথা উন্নত প্ৰযুক্তিগত নিজা ৰিগ ক্ৰয় কৰি অসম সম্পদক কাৰ্যক্ষম কৰা, অ' এন জি চি অসম সম্পদৰ কৰ্তৃপক্ষই শিৱসাগৰ জিলাৰ বান প্ৰলয়ত সৰ্বস্বান্ত হোৱা ক্ষতিগ্ৰস্ত লোকৰ লগতে বানত ক্ষতিগ্ৰস্ত বাট-পথসমূহ পুনৰ নিৰ্মাণৰ কাৰণে ৫০০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ দাবী জনাই প্ৰতিবাদী কাৰ্যসূচীত চি পি আইৰ অসম ৰাজ্যিক পৰিষদৰ সম্পাদক কনক গগৈকে ধৰি জিলাৰ কেইবাজনো বক্তাই সভাত বক্তব্য দাঙি ধৰি অ' এন জি চিৰ অসম বিৰোধী নীতিক কঠোৰ সমালোচনা কৰে। শেষত অ' এন জি চি অধ্যক্ষ লৈ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকৰ জৰিয়তে এখনি স্মাৰকপত্ৰ প্ৰদান কৰে।

নগাঁৱৰ স্পৰ্শকাতৰ অঞ্চলত সশস্ত্ৰ বাহিনীৰ সঘন এলেকা আধিপত্য অভিযান

অসম বাৰ্তা, নগাঁও, ১ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি জিলাখনত শান্তি-শৃংখলা অটুট ৰখাৰ বাবে প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিছে। জিলাখনৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত আৰক্ষী আৰু চিআৰপিএফ বাহিনীৰ সঘন এলেকা আধিপত্য পদযাত্ৰা অব্যাহত আছে। কালি সন্ধিয়া ফুলগুৰি, বৰডেটি, হোজাইকে আদি অঞ্চলত চলোৱা পদযাত্ৰাত অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষক আৰু সংশ্লিষ্ট চৰা বিষয়াসকলেও অংশগ্ৰহণ কৰে। বিশেষকৈ নিৰ্বাচনী সভা বা কাৰ্যসূচীৰ সময়ত অপ্ৰীতিকৰ পৰিস্থিতিৰ আশংকা থকা অঞ্চলসমূহত এনে অভিযান অধিক বৃদ্ধি কৰা হৈছে বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। ইয়াৰ লগতে স্পৰ্শকাতৰ অঞ্চলত নিয়াৰ পহৰা আৰু আৰক্ষীৰ তহলদাৰীও বৃদ্ধি কৰা হৈছে। নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আন জিলাৰ পৰা অতিৰিক্ত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানো নগাঁও জিলাত মোতায়েন কৰা হৈছে। ইফালে, প্ৰশাসনৰ উদ্যোগত ভ্ৰাম্যমাণ ঘোষণাযন্ত্ৰৰ জৰিয়তে জিলাখনৰ বিভিন্ন প্ৰান্তত সজাগতা অভিযান চলোৱা হৈছে। পাঁচখন বাহনেৰে চলি থকা এই প্ৰচাৰ অভিযানৰ জৰিয়তে আইন-শৃংখলা বজাই ৰখাৰ বাবে ৰাইজৰ সহযোগিতা বিচৰাৰ লগতে হিংসাত্মক কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জানিবলৈ দিয়া মতে, নিৰ্বাচনৰ সময়ছোৱাত কোনো ধৰণৰ হিংসাত্মক কাৰ্যকলাপ সহ্য কৰা নহ'ব। শান্তিপূৰ্ণ আৰু সুশৃংখল পৰিৱেশ বজাই ৰাখিবলৈ প্ৰশাসনে সকলো পক্ষলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে।

মৰাণাস্ত্ৰসহ ডিমাপুৰৰ যুৱক গ্ৰেপ্তাৰ

সৰুপথাৰৰ চুঙাজানত আৰক্ষীৰ সফল অভিযান

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১ অক্টোবৰ ঃ সৰুপথাৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী চুঙাজান আৰক্ষী থানাৰ অন্তৰ্গত নাওহাটত আৰক্ষীয়ে চলোৱা এক গোপন অভিযানত মৰাণাস্ত্ৰসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ গোপনসূত্ৰৰ ভিত্তিত চলোৱা অভিযানত নাগালেণ্ডৰ ডিমাপুৰৰ ৰাঘোল শীল (২১) নামৰ যুৱকজনক আটক কৰা হয়। অভিযানকালত তেওঁৰ জিম্মাৰ পৰা দুটাকৈ ৭.৬৫ এম.এম. পিষ্টল, মেগ্জিন আৰু পাঁচজাইজীৰ গুলী উদ্ধাৰ কৰা হয়। ইয়াৰ উপৰি .২২কেলিবাৰৰ দুটাকৈ পিষ্টল, মেগজিনসহ আঠ জাইজীৰ গুলীও উদ্ধাৰ কৰে আৰক্ষীয়ে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে সোধা-পোছা কৰাৰ লগতে অস্ত্ৰসমূহক'ৰ পৰা অনা হৈছিল আৰু ইয়াৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

বৰগাং শংকৰদেৱ শিশু নিকেতনত বন্দেমাতৰণ অনুষ্ঠান

অসম বাৰ্তা, জিনজিয়া, ১ অক্টোবৰ ঃ বিদ্যা ভাৰতী শিক্ষা সংস্থানৰ দ্বাৰা পৰিচালিত বিদ্যালয় সমূহত ভাৰতৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে ২৫, চেপ্তেম্বৰত দেশজুৰি অনুষ্ঠিত হোৱা নমামি ভাৰতৰ বিশেষ অনুষ্ঠান বৰগাং শংকৰদেৱ শিশু নিকেতনত অনুষ্ঠিত হয়। বিদ্যালয়ৰ উপাধ্যক্ষ মিতু বৰুৱাই আৰম্ভণি অনুষ্ঠানত বিদ্যা ভাৰতীৰ বিদ্যৎ পৰিষদৰ উত্তৰ পূৰ্বাঞ্চলৰ অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামীয়ে বস্তি প্ৰজ্বলন কৰে। তাৰ পিছত বিদ্যালয় ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ বিষয় বৰীয়া তথা অভিভাৱকৰ উপস্থিতিত বন্দে মাতৰম পৰিৱেশন কৰা হয়। বন্দেমাতৰম পৰিৱেশনৰ পিছতেই হিতেন্দ্ৰ নাথ গোস্বামীয়ে বন্দে মাতৰম ৰাষ্ট্ৰীয় গীতৰ তাৎপৰ্য সম্পৰ্কে বক্তব্য প্ৰদান কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মধুসুদন উপাধ্যায়, সমাজ কৰ্মী ক্ষীৰোদ দাস, বিহালী প্ৰেছক্লাবৰ সভাপতি ভুৱন লুইটেল সহ বহু গণ্যমান্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰে।

গোলকগঞ্জৰ মটেৰঝাৰত গৰু চোৰৰ সন্দেহত চাঞ্চল্য

অসম বাৰ্তা, গোলকগঞ্জ, ৩০ ছেপ্টেম্বৰ ঃ ধুবুৰী জিলাৰ গোলকগঞ্জৰ মটেৰঝাৰত আজি পুৱাই গৰু চোৰৰ সন্দেহত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। নিশা গৰু চুৰি কৰি আনি থকা অৱস্থাত এজন যুৱকক স্থানীয় ৰাইজে সোধা-পোছা কৰাৰ কেন্দ্ৰ কৰি পৰিস্থিতি উত্তপ্ত হৈ পৰে। জানিব পৰা মতে, পুৱতি নিশা মটেৰঝাৰ অঞ্চলত এজন যুৱকে এটা গৰু লৈ গৈ থকা অৱস্থাত স্থানীয় ৰাইজৰ সন্দেহ হয়। ৰাইজে যুৱকজনক গৰুটোৰ বিষয়ে সোধা-পোছা কৰাত তেওঁ গৰুটো কিনি অনা বুলি জানিবলৈ দিয়ে। কিন্তু তেওঁৰ কথাত সন্দেহ প্ৰকাশ কৰি অধিক লোক ঘটনাস্থলীত সমবেত হোৱাত পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হৈ পৰে। পৰিস্থিতিয়ে অধিক ভয়াবহ ৰূপ লোৱাৰ আশংকাত যুৱকজনৰ পিতৃ ভোলাই ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনক লগত লৈ যায়। যুৱকজনৰ নাম ছিৰাজ, চাপৰ বালাজান গাঁৱৰ বুলি জানিব পৰা গৈছে। গৰু চুৰিকাণ্ডক লৈ পুনৰ আতংক আৰু চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

আৱৰ্জনাৰ পৰা সৃষ্টিশীলতা ঃ দলগাঁও কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৱেষ্ট-টু-আৰ্ট কাৰ্যসূচী

অসম বাৰ্তা, মঙলদৈ, ১ অক্টোবৰ ঃ স্বচ্ছতা হি সেৱা অভিযানৰ অধীনত 'স্বচ্ছতা সে সমৃদ্ধি- আৱৰ্জনাৰ পৰা সৃষ্টিশীলতা' (কোবাড় চে জুগাড়) শীৰ্ষক বিষয়বস্তুক আধাৰ কৰি মঙলদৈৰ দলগাঁও কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত এক আকৰ্ষণীয় ৱেষ্ট-টু-আৰ্ট কাৰ্যসূচী আৰু প্ৰদৰ্শনী অনুষ্ঠিত হয়। মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মঙলদৈ সংমণ্ডলৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে আৱৰ্জনা ব্যৱস্থাপনাৰ প্ৰতি সজাগতা সৃষ্টিৰ লগতে পেলনীয়া সামগ্ৰীৰ সৃষ্টিশীল পুনৰ ব্যৱহাৰৰ বাৰ্তা প্ৰদান কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে বিদ্যালয়খনৰ ছাত্ৰীসকলৰ মাজত থিতাতে পেলনীয়া সামগ্ৰীৰে শিল্পকৰ্ম প্ৰস্তুতৰ এক সৃষ্টিশীল প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ছাত্ৰীসকলে বিভিন্ন পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি আকৰ্ষণীয় শিল্পকৰ্ম প্ৰস্তুত কৰি নিজৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিয়ে। বিশেষভাৱে চেনিটেৰী পেড'প-ষ্টিকৰ বাকলি পুনৰ ব্যৱহাৰ কৰি আকৰ্ষণীয় আলংকাৰিক ফুল, পেলনীয়া কাৰ্ড বৰ্ডৰ সহায়ত সুন্দৰ গছৰ আৰ্হি আৰু বিভিন্ন সূক্ষ্ম অলংকাৰ প্ৰস্তুত কৰা হয়। ছাত্ৰীসকলৰ এই অভিনৱ সৃষ্টিসমূহে উপস্থিত অতিথি আৰু দৰ্শকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। প্ৰতিযোগিতাৰ লগতে আয়োজন কৰা বিশেষ প্ৰদৰ্শনীত ছাত্ৰীসকলে পেলনীয়া সামগ্ৰীৰে প্ৰস্তুত কৰা বিভিন্ন আপচাইকেলড শিল্পকৰ্ম প্ৰদৰ্শন কৰা হয়। ইয়াৰ জৰিয়তে 'আৱৰ্জনা মানেই পেলাই দিবলগীয়া বস্তু নহয়, সঠিক ব্যৱহাৰৰ জৰিয়তে ইয়াক সম্পদলৈ ৰূপান্তৰ কৰিব পাৰি'- এই বাৰ্তাই বিশেষ গুৰুত্ব লাভ কৰে। অনুষ্ঠানত মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, আই ই চি আৰু এইচআৰডি জিলা সমন্বয়ক, বিডিইউচি আৰু শিক্ষা বিভাগৰ খণ্ড সমল ব্যক্তিয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। লগতে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক, ৱাৰ্ডেন, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। এই ব্যতিক্ৰমী কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰীসকলৰ মাজত পৰিৱেশ সুৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৱৰ্জনা পৃথকৰণ, পুনৰ ব্যৱহাৰ আৰু পুনঃচক্ৰীকৰণৰ বিষয়ে সজাগতা বৃদ্ধিৰ লগতে সৃষ্টিশীল চিন্তাধাৰাক উৎসাহিত কৰা হয়।

ৰক্তদান মহাদান ঃ ৰাষ্ট্ৰীয়

জনোৱা হয়। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি ভাৰতত বছৰি প্ৰায় এক কোটি ইউনিট ৰক্তৰ প্ৰয়োজন হয়। কিন্তু এই প্ৰয়োজনীয়তাৰ মাত্ৰ ৭৫ শতাংশহে পূৰণ হয়। ফলস্বৰূপে প্ৰায় চপ্ত লাখ ইউনিট ৰক্তৰ নাটনিয়ে বহু ৰোগীৰ জীৱন সংকটত পেলায় আৰু প্ৰতি বছৰে শ শ ৰোগীয়ে প্ৰাণ হেৰুৱায়। ইয়াৰ মূল কাৰণ পৰ্যাপ্ত ৰক্তদাতাৰ অভাৱ। ৰক্তদান সম্পৰ্কে অজ্ঞতা আৰু ভুল ধাৰণাৰ বাবেও বহুতে স্বেচ্ছাই ৰক্তদান কৰিবলৈ দ্বিধা কৰে। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থা (NACO)ৰ তথ্য অনুসৰি ভাৰতত ৰক্তদানৰ প্যাঁনতম বয়স ১৮ বছৰ। বিভিন্ন দেশত এই বয়স বেলেগ বেলেগ; যেনে আমেৰিকাত ১৬ বছৰ। কিন্তু ভাৰতৰ নিৰ্দেশনা অনুসৰি ১৮ৰ পৰা ৬০ বছৰৰ ভিতৰৰ সম্পূৰ্ণ সুস্থ মহিলা বা পুৰুষে ৰক্তদান কৰিব পাৰে। NACOৰ মতে ভাৰতত এজন পুৰুষে তিনি মাহত এবাৰ আৰু এগৰাকী মহিলাই চাৰি মাহত এবাৰ ৰক্তদান কৰিব পাৰে। ৰক্তদান কৰা ব্যক্তিৰ ওজন কমেও ৫০ কিলোগ্ৰাম হ'ব লাগে। আনহাতে কিছু ৰক্ত ভাণ্ডাৰে ৪৫ কিলোগ্ৰামৰ ঊৰ্ধ্ব ওজনকো ৰক্তদানৰ অনুমতি দিয়ে। ৰক্তদাতাৰ হিম'গ্লবিনৰ মাত্ৰা কমেও ৰচ.প্তু আৰু প্লেটলেটৰ সংখ্যা ১.৫ লাখৰ ঊৰ্ধ্ব হ'ব লাগে। তেওঁৰ নাড়ীৰ স্পন্দন প্ৰতি মিনিটত ৫০ৰ পৰা ১০০ৰ ভিতৰত থাকিব লাগে আৰু হৃদস্পন্দনত কোনো অনিয়ম থাকিব নালাগে। ৰক্তচাপৰ ক্ষেত্ৰত ডায়েষ্টোলিক ৫০-১০০ mmHg আৰু চিষ্টোলিক ১০০-১৮০ mmHg হ'ব লাগে। ৰক্তদান কেতিয়াও খালী পেটত কৰা উচিত নহয়। ৰক্তদানৰ বাবে যোৱাৰ কমেও তিনি ঘণ্টা পূৰ্বে সঠিক খাদ্য গ্ৰহণ কৰা উচিত। বিশেষকৈ চৰ্বীযুক্ত খাদ্য পৰিহাৰ কৰিব লাগে। ৰক্তদানৰ বাবে ইচ্ছুক ব্যক্তিৰ খাদ্যত আইৰণযুক্ত বস্তু-গোটা শস্য, কণী, মাংস, কচু, পাত-পাচলি, কমলা আৰু টেঙাজাতীয় ফল-থাকিব লাগে। ইয়াৰ উপৰি ৰক্তদানৰ আগদিনা সন্ধিয়া বা ৰাতি ফলৰ ৰস আৰু পানী পৰ্যাপ্ত পৰিমাণে খাব লাগে। মদ বা কেফেইনযুক্ত পদাৰ্থ সেৱন কৰা উচিত নহয়। ৰক্তদান কৰাৰ পিছত কমেও প্তৰ পৰা ২০ মিনিট জিৰণি লোৱাটো অতি প্ৰয়োজন। যদি ৰক্তদানৰ পিছত দুৰ্বল অনুভৱ হয়, তেন্তে মিঠা পানীয় বা ফলৰ ৰস আৰু জলপান গ্ৰহণ কৰা উচিত, যাতে তেজত চেনিৰ মাত্ৰা বৃদ্ধি পায়। লগতে কমেও ছয় ঘণ্টা গাড়ী চলোৱাৰ পৰা বিৰত থাকিব লাগে। ৰক্তদানৰ পিছত কমেও আঠ ঘণ্টা সুৰাপান নকৰিব। এদিনৰ বাবে কঠোৰ ব্যায়াম পৰিহাৰ কৰি প্ৰ'টিনসমৃদ্ধ খাদ্য-যেনে কুকুৰাৰ মাংস, কণী, কচু বা সেউজীয়া পাতৰ শাক-পাচলি-খোৱা উচিত। ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই সমাজ মাধ্যমৰ জৰিয়তে সকলোকে স্বেচ্ছাই ৰক্তদান কৰিবলৈ উৎসাহিত কৰিছে। তেওঁ কয়, "ৰক্তদানৰ প্ৰয়োজনীয়তা আজিৰ সময়ত আমি সকলোৱে অনুধাৱন কৰিব পাৰোঁ। 'ৰক্তদান মহাদান' মূলমন্ত্ৰক সাৰথি কৰি আমি মানৱ সেৱাৰ মহান সংকল্পৰে আগবাঢ়িব লাগিব। আপোনাৰ এটোপাল ৰক্তই কোনো অসুস্থ ব্যক্তিৰ জীৱনলৈ নতুন আশাৰ বতৰা কঢ়িয়াই আনিব পাৰে।" তেওঁ লগতে কয়, "ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱসৰ আজিৰ দিনটোত পুনৰ অংগীকাৰবদ্ধ হওঁ আহক-স্বাস্থ্যসন্মতভাৱে যোগ্য সকলোৱে স্বেচ্ছাই ৰক্তদানৰ বাবে আগবাঢ়ি যাম আৰু জীৱন ৰক্ষাৰ এই মহান যাত্ৰাৰ অংশীদাৰ হ'ম।" ৰক্তদান কেৱল শাৰীৰিক দান নহয়, ই মানৱ সেৱাৰ এক পৱিত্ৰ পথ। সচেতনতা, সঠিক তথ্য আৰু স্বেচ্ছামূলক অংশগ্ৰহণে ৰক্তৰ নাটনি দূৰ কৰি বহু ৰোগীৰ জীৱন ৰক্ষা কৰিব পাৰে।

চামগুৰিৰ মানুহৰ তেজ খাই খাই

ৰকিবুল হুছেইনৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰাৰ লগতে তেওঁৰ শাৰীৰিক গঠনৰ প্ৰসংগ টানি কটাক্ষ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "ৰকিবুলৰ পেটটো কেনেকৈ ইমান ডাঙৰ হ'ল? চামগুৰিৰ মানুহৰ তেজ খাই খাই ৰকিবুলৰ পেট ডাঙৰ হৈ গ'ল।" লগতে মুখ্যমন্ত্ৰীয়ে কটাক্ষ কৰি কয় যে সাধাৰণ মানুহে জন্মৰ পিছত মাকৰ গাখীৰ খাই ডাঙৰ হয়, কিন্তু ৰকিবুল হুছেইন বিৰিয়ানি খাই ডাঙৰ হৈছে। সভাত বদৰুদ্দিন আজমলকো সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজমলৰ এতিয়া নিৰ্বাচনী ৰাজনীতিৰ পৰা জিৰণি লোৱাৰ সময় হৈছে। আজমলৰ পৰিবৰ্তে তেওঁৰ পুত্ৰক ৰাজনীতিলৈ অহাৰ আহ্বানো জনায় মুখ্যমন্ত্ৰীগৰাকীয়ে। ভাষণত মুখ্যমন্ত্ৰীয়ে চামগুৰি অঞ্চলৰ উন্নয়ন, জনসাধাৰণৰ বিভিন্ন সমস্যা আৰু আগন্তুক উপ-নিৰ্বাচনৰ ৰাজনৈতিক বিষয়সমূহো উল্লেখ কৰে। বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত ভোটদান কৰিবলৈ ৰাইজক আহ্বান জনায় তেওঁ। চামগুৰিৰ সমষ্টিৰ পথ পকীকৰণ, ছাইদৰীয়াত মিনি ষ্টেডিয়াম বনোৱাৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। অহা ১০ অক্টোবৰ চামগুৰিৰ ৰাইজৰ লগত ৰেলী, ছেলফি আদিত ভাগ লব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰীৰ ভাষণৰ সময়ত সভাস্থলীত উপস্থিত দলীয় সমৰ্থকসকলৰ মাজত উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। সভাখনত বিজেপিৰ কেইবাগৰাকী মন্ত্ৰী-বিধায়ক, নেতা-কৰ্মী উপস্থিত থাকে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে "কংগ্ৰেছ দল লাহে লাহে নোহোৱা হৈ আহি আছে।" যোৱা ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ আৰু বিৰোধী দলসমূহে লাভ কৰা আসনৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয়, "102টা সমষ্টিত হাৰিলে, এতিয়া বাকী ২৪টাতো হাৰিব।" বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। বেলতলীৰ সভাত মুখ্যমন্ত্ৰীৰ ৰকিবুল হুছেইন আৰু বদৰুদ্দিন আজমলক লক্ষ্য কৰি কৰা মন্তব্যই নিৰ্বাচনী ৰাজনীতিত নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

কটন বিশ্ববিদ্যালয়ৰ CUSUৰ নিৰ্বাচনত

প্ৰাৰ্থীয়ে তিনিখন আসনত জয়লাভ কৰিছে। নেচনেল ষ্টুডেণ্টছ ইউনিয়ন অৱ ইণ্ডিয়া (NSUI)-এ কোনো এটা পদতে জয়লাভ কৰিবলৈ সক্ষম নহ'ল। আছু সমৰ্থিত তথা আৰ. কে. বি. হোষ্টেলৰ আৱাসী হৰিপ্ৰসাদ চেতিয়া আৰু উজ্জ্বল ডেকা ক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছে। আছু সমৰ্থিত আন বিজয়ী প্ৰাৰ্থীসকলৰ ভিতৰত তৰ্ক সম্পাদক পদত অঞ্জলি মাৰ্ডি আৰু সাংস্কৃতিক সম্পাদক পদত দেৱস্মিতা বৰুৱা নিৰ্বাচিত হৈছে। ABVP সমৰ্থিত বিজয়ী প্ৰাৰ্থীসকল হৈছে সহকাৰী সাধাৰণ সম্পাদক পদত চাইনী বৰুৱা, সমাজসেৱা সম্পাদক পদত গীতসৃষ্টি হাজৰিকা, ছাত্ৰৰ কমন ৰুম সম্পাদক পদত দিব্যজ্যোতি ৰাভা আৰু ক্ৰীড়া সম্পাদক পদত কৃষ্ণমণি ৰাভা। ৩০ ছেপ্টেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পাছত বৃহস্পতিবাৰে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়। কটন বিশ্ববিদ্যালয়ে ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা, ভোটগ্ৰহণৰ ব্যৱস্থা আৰু ভোটগণনা প্ৰক্ৰিয়াকে ধৰি কেইবাখনো জাননী জাৰি কৰিছিল। নিৰ্বাচনত মুঠ ১৪ গৰাকী পদাধিকাৰী নিৰ্বাচিত হৈছে। ইয়াৰ ভিতৰত সভাপতি পদত হৰিপ্ৰসাদ চেতিয়া, উপ-সভাপতি পদত এঞ্জেলিনা বসুমতাৰী, সাধাৰণ সম্পাদক পদত উজ্জ্বল ডেকা, সহকাৰী সাধাৰণ সম্পাদক পদত চাইনী বৰুৱা, সাংস্কৃতিক সম্পাদক পদত দেৱস্মিতা বৰুৱা, ক্ৰীড়া সম্পাদক পদত কৃষ্ণমণি ৰাভা, ক্ষুদ্ৰ ক্ৰীড়া সম্পাদক পদত নন্দিনী দলে, টেনিছ, সাঁতোৰ আৰু জিমনেছিয়াম সম্পাদক পদত নয়নজ্যোতি লইং, কটনিয়ান সম্পাদক পদত অবিনাশ বৰা, ছাত্ৰৰ কমন ৰুম সম্পাদক পদত দিব্যজ্যোতি ৰাভা, ছাত্ৰী কমন ৰুম সম্পাদক পদত লিজা পেগু, তৰ্ক সম্পাদক পদত অঞ্জলি মাৰ্ডি, সমাজসেৱা সম্পাদক পদত গীতসৃষ্টি হাজৰিকা আৰু সংগীত সম্পাদক পদত দিশা পাঠক নিৰ্বাচিত হৈছে। এই ফলাফলে অসমৰ অন্যতম গুৰুত্বপূৰ্ণ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান কটন বিশ্ববিদ্যালয়ৰ নিৰ্বাচনী ৰাজনীতিত বিভিন্ন প্ৰতিদ্বন্দ্বী ছাত্ৰ সংগঠনৰ অব্যাহত উপস্থিতিৰ প্ৰতিফলন ঘটাইছে। উল্লেখ্য, ১৯০১ চনত কটন কলেজ হিচাপে প্ৰতিষ্ঠা লাভ কৰা প্ৰতিষ্ঠানটো ২০১৭ চনত ৰাজ্যিক বিশ্ববিদ্যালয়লৈ উন্নীত হয়।

পুনৰ বানপানীৰ আশংকাত উজনি

দিখৌ নদী বৰ্তমান স্বাভাৱিকভাৱে বৈ আছে। গতিকে শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ ৰাইজে ভয় খোৱাৰ প্ৰয়োজন নাই। ইয়াৰ পাছতে আজি পুৱা বিধায়ক অখিল গগৈয়ে ৰাইজক আশ্বস্ত কৰি জানিবলৈ দিয়ে যে দিখৌ নৈ সম্প্ৰতি সম্পূৰ্ণ স্বাভাৱিকভাৱে বৈ আছে আৰু আতংকিত হোৱাৰ কোনো কাৰণ নাই। তেওঁ লংলেং জিলাৰ উপায়ুক্তৰ সৈতে যোগাযোগ কৰি পোৱা তথ্যৰ উল্লেখ কৰি কয় যে নামনি অংশত কোনো অস্বাভাৱিকতা পৰিলক্ষিত হোৱা নাই। লংলেং জিলাৰ উপায়ুক্তই নদীৰ ওপৰৰ অংশত হোৱা পৰিস্থিতি পোনপটীয়াকৈ নাকচ নকৰিলেও নামনি অঞ্চলত কোনো অস্বাভাৱিকতা নাই বুলি স্পষ্ট কৰে আৰু পুৱা স্থান পৰিদৰ্শন কৰি অৱগত কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইফালে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ বিষয়টো নাকচ কৰি কয় যে দিখৌ এতিয়ালৈকে স্বাভাৱিক হৈ আছে, চিন্তাৰ কাৰণ নাই। তেওঁ নাগালেণ্ডত আজি পুৱা স্থান পৰিদৰ্শন কৰি পঠিওৱা ফটোসমূহ বিধায়ক অখিল গগৈলৈ প্ৰেৰণ কৰে। ফটোসমূহৰ সৈতে মুখ্যমন্ত্ৰীয়ে লিখি দিয়ে-"River is flowing normally as of now." বিধায়কগৰাকীয়ে শংকিত ৰাইজৰ জ্ঞানাৰ্থে সেই ফটোসমূহ আৰু মুখ্যমন্ত্ৰীৰ বক্তব্য ৰাইজলৈ আগবঢ়ায়। তেওঁ তিনিটা ফেচবুক পোষ্টৰ জৰিয়তেও বিষয়টো ৰাইজক অৱগত কৰে। উল্লেখ্য যে, বিধায়ক অখিল গগৈয়ে সামাজিক মাধ্যমযোগে জনোৱা মতে, যোৱা নিশা নাগালেণ্ডৰ পৰা নাগামিজ ভাষাৰ এটা অ'ডিঅ' বাৰ্তা ভাইৰেল হৈছিল। তাত দাবী কৰা হৈছিল যে লংলেং জিলাৰ এক স্থানত ভূ-সম্খলনৰ বাবে দিখৌ নদীৰ প্ৰায় ৮০ শতাংশ অংশ পুতি পেলাইছে আৰু মাত্ৰ ২০ শতাংশৰেহে পানী বৈ আহিছে। ইয়াৰ ফলত যোৱা ১৯ জুলাইৰ দৰেই পুনৰ ভয়াৱহ দুৰ্যোগ হ'ব পাৰে বুলি সকীয়াই দিয়া হৈছিল। কিন্তু লংলেং জিলাৰ উপায়ুক্তৰ সৈতে যোগাযোগ কৰাত তেওঁ নদীৰ অংশ বুজাই পেলোৱাৰ কথা পোনপটীয়াকৈ নাকচ নকৰিলেও নামনি অংশত কোনো অস্বাভাৱিকতা নাই বুলি স্পষ্ট কৰে আৰু পুৱা পৰিদৰ্শন কৰি জনাব বুলি প্ৰতিশ্ৰুতি দিয়ে। পিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ বিষয়টো নাকচ কৰি কয় যে দিখৌ এতিয়ালৈকে স্বাভাৱিক হৈ আছে, চিন্তাৰ কাৰণ নাই। এই ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি বিধায়ক অখিল গগৈয়ে লগে লগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, পিয়ুষ হাজৰিকা, কেশৱ মহন্ত, মুখ্য সচিব, ASDMAৰ সকলো বিষয়া আৰু শিৱসাগৰৰ আয়ুক্তক বিষয়টো অৱগত কৰে। ৰাইজক অসত্য বা অসমৰ্জনিত তথ্যত আতংকিত নহৈ চৰকাৰী সূত্ৰৰ পৰা প্ৰাপ্ত তথ্যৰ ওপৰত ভৰসা কৰিবলৈ আহ্বান জনোৱা হৈছে। দিখৌ নদীৰ পানীৰ স্তৰ স্বাভাৱিক থকা বাবে উজনি অসমত বানপানীৰ কোনো নতুন আশংকা এতিয়ালৈকে নাই বুলি কৰ্তৃপক্ষই স্পষ্ট কৰিছে।

আছিফ নাজাৰ পাগলা টাইপৰ

লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ পাগলা টাইপৰ। পাগলা টাইপ নাজাৰৰ একো কাম নাই। আছিফ মহম্মদ নাজাৰে দিনৰ দুই বজালৈ শুই থাকে। লাহৰীঘাট সমষ্টিৰ সৰ্বাংগীণ উন্নয়ন সম্ভৱ হব মামাক ভোট দিলে। মৰিগাঁও - কৌপাটী সংযোগী দলং, ভূৰাগাঁৰ পৰা ধিংলৈ অসমমালাৰ পথ, চৰৰ বাসিন্দাক মাটিৰ পট্টা, অৰুণোদয় আঁচনি আদি পাবলৈ হলে উপনিৰ্বাচনত দেৱাশিস শৰ্মাক ভোট দিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰী শৰ্মাই। বক্তব্যৰ নামত মুখ্যমন্ত্ৰী গৰাকীয়ে কেৱল অমুক আছনি লাগিবনে নাই, তমুক আছনি লাগিবনে নাই বুলি ইটোৰ পাছত সিটো আছনি দিয়াৰ প্ৰতিশ্ৰুতি দি সংখ্যালঘু ৰাইজক কয় "মামাক এবাৰ ভোট দি পৰীক্ষা কৰি চাওক। মামাই চব কৰি দিব। আৰু যদি মামাক ভোট দিয়াৰ পাছতো লাহৰীঘাট সমষ্টিৰ উন্নয়ন নহয় তেন্তে ২০৩১ চনত মামাক ভোট নালাগে। তেওঁ ভোটাৰসকলক কয়, আপোনালোকে যদি লাহৰীঘাটৰ উন্নয়ন নিবিচাৰে, তেন্তে কংগ্ৰেছক ভোট দিয়ক। আমাৰ কোনো আপত্তি নাই। লাহৰীঘাটৰ কংগ্ৰেছী বিধায়ক আছিফ নাজাৰে একো কৰিব নোৱাৰে। কিবা কেৰিলে মামাইহে কৰিব পাৰিব। আপোনালোকে ভোট দিলে লাহৰীঘাটৰ উন্নয়ন মামা আৰু পীযুষ হাজৰিকাই দেৱাশিস শৰ্মাৰে মিলি কৰিব। গতিকে অহা ৬ অক্টোবৰত সমৱেত হাজাৰ হাজাৰ সংখ্যালঘু লোকক বিজেপিত ভোট দিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰী শৰ্মাই। সভাৰ মাজতে ৰাইজৰ মাজত ব্যতিক্ৰম বেশভূষাৰে বৈ থকা এজন লোকক মঞ্চলৈ মাতি মুখ্যমন্ত্ৰী গৰাকীয়ে চেলফি লোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ ফটো অংকন কৰি নিয়া দুই অনুৰাগীকো মঞ্চলৈ মাতি নি চেল্‌ফি লয়। ইফালে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ৰকিবুল হুছেইন সন্দৰ্ভতো তিয্যক মন্তব্য আগবঢ়াই কয় হিমন্ত বিশ্ব শৰ্মাই কয়, পৃথিৱীৰ যিমান মানুহ আছে সেই সকলোবোৰে জন্ম হৈ মাকৰ গাখীৰ খাইছে। কেৱল এটাই প্ৰাণী আছে সেইটো হৈছে ৰকিবুল হুছেইন, যি জন্ম হৈয়ে বিৰিয়ানি খাই সি মানুহ হবই নোৱাৰে। আনকি মোকেশ আম্বাণীৰ পুতেকেও মাকৰ গাখীৰ খাই ডাঙৰ হৈছে। ৰকিবুল জন্তু। ৰকিবুল হুছেইনৰ খুব বেয়া দিন আহিছে। মই আজিয়ে কৈ দিলো যে চঞ্চচঞ্চ ত ধুবুৰীত ৰকিবুল হুছেইনে প্ৰতিদ্বন্দিতা কৰিলে মানুহে এনেকৈ খেদিব ৰকিবুলে তত নাপাব। এনেদৰে কয় মুখ্যমন্ত্ৰী গৰাকীয়ে। উল্লেখ্য যে আন আন নিৰ্বাচনী সভাৰ দৰে লাহৰীঘাটতো আজি মুখ্যমন্ত্ৰী গৰাকীয়ে গানৰ তালে তালে নাচি বাগি সমৰ্থকসকলক আকৰ্শীত কৰাৰ চেষ্টা কৰি শেষত সমৰ্থকসকলক ফ্লায়িং কিচ দি বিদায় লয়।

বৰাক উপত্যকাত ৫৯৫ কিলোৱাট

শক্তিশালী কৰাৰ লগতে সেউজ অসমৰ লক্ষ্যত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড°শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এক বাৰ্তাত কয় যে ৰাজ্য চৰকাৰে অসমৰ চাহ বাগিছাসমূহক সৌৰ শক্তিৰে স্বনিৰ্ভৰশীল কৰি তোলাৰ বাবে কাম কৰি আছে। ইয়াৰ উদ্দেশ্য হৈছে ভৱিষ্যতলৈও বাগিছাসমূহে বহনক্ষমভাৱে নিজৰ কাম-কাজ অব্যাহত ৰাখিব পৰা। তেওঁ লগতে মন্তব্য কৰে যে চাহ বাগিছা পৰ্যটনক অধিক জনপ্ৰিয় আৰু আকৰ্ষণীয় কৰি তোলাৰ বাবেও চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

'মিঞাৰ ভোট লাগে নে নালাগে

অহাৰ লগে লগে নেতাসকলৰ মাজত মুখ-চুপতিও বৃদ্ধি পাইছে। এইবাৰ কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক টাৰ্গেট কৰি মন্তব্য আগবঢ়াইছে। ৰকিবুল হুছেইনে কয়, "মিঞাৰ ভোট লাগে নে নালাগে, তাৰ উত্তৰ মুখ্যমন্ত্ৰীয়ে দিয়ক।" তেওঁৰ মতে, মুছলমানক উচ্ছেদ কৰাৰ বাবে হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি চৰকাৰে ক্ষমা খুজিব লাগে। তেওঁ লগতে অভিযোগ কৰে যে DC-এ স্বাক্ষৰ কৰি বাংলাদেশলৈ পুশ্বেক কৰা মমতাজ বেগমৰ এতিয়া কোনো ধৰণৰ সন্ধান নাই। তেওঁ কয়, এই প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ পৰিবৰ্তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰকিবুল হুছেইনে কি খায়, কি নাখায়, সেই বিষয় লৈ ব্যস্ত হৈ আছে। কিন্তু ৰকিবুলে কি খায় বা কি নাখায়, সেয়া প্ৰধান কথা নহয়; মিঞাৰ ভোট লাগে নে নালাগে, উচ্ছেদৰ বাবে কেতিয়া ক্ষমা খোজা হ'ব, মমতাজ বেগমৰ সন্ধান কেতিয়া ওলাব-এই প্ৰশ্নবোৰৰ উত্তৰ দিয়ক বুলি তেওঁ মুখ্যমন্ত্ৰীক আহ্বান জনায়। ৰকিবুল হুছেইনে লগতে কয়, হিমন্ত বিশ্ব শৰ্মাক দেখিলেই বিজেপিৰ ২০ৰ পৰা ৩০ হাজাৰ ভোট বিয়োগ হয়। তেওঁ কয়, হিমন্ত বিশ্ব শৰ্মাক দেখিলেই মিঞাৰ কামিহাঞ্জ ভাঙি দিম বুলি কোৱা কথা, অচিনাকি লোকক লৈ কোৱা কথাবোৰ আৰু মহিলাসকলক সন্তান জন্ম দিয়া মেচিন বুলি কোৱা কথাবোৰ তেওঁৰ মনত আছে। এনেদৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লৈ কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইন সৰৱ হৈ পৰিছে।

চতুৰ্থ দিনৰ বাবে আদালতত

ফুকনক জেৰা কৰিব। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠত আজি গোচৰটোৰ আন এগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনৰ পুনৰ শুনানি গ্ৰহণ কৰা হ'ব। আনহাতে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতে সাক্ষীৰ জবানবন্দী প্ৰচাৰ কৰা সামাজিক মাধ্যম আধাৰিত সংবাদ প্ৰতিষ্ঠানৰ বিৰুদ্ধে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ লগতে দুটা সংবাদ মাধ্যমক এনে কাৰ্যৰ পুনৰাবৃত্তি নকৰিবলৈ সকিয়াৰনি দিছে। ইয়াৰ আগতে ফাষ্ট ট্ৰেক আদালতে এনে ধৰণৰ দুটা সংবাদ প্ৰতিষ্ঠানক ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৮৩ ধাৰাৰ অধীনত জবানবন্দী প্ৰচাৰ কৰাৰ অপৰাধ তদন্ত কৰিবলৈ অপৰাধ অনুসন্ধান শাখাক নিৰ্দেশ দিছিল। কালি অপৰাধ অনুসন্ধান শাখাই প্ৰতিবেদন দাখিল কৰাৰ পাছত সাক্ষীৰ জবানবন্দী প্ৰচাৰ কৰা কাৰ্যক কঠোৰভাৱে গ্ৰহণ কৰা হ'ব বুলি আদালতে স্পষ্ট কৰে।

কৰ্তব্য আৰু ত্যাগৰ বীৰগাথা স্মৰণ

আৰক্ষী দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু কৰ্তব্যৰ তাগিদাত আত্মবলিদান দিয়া বীৰ জোৱানসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আয়োজিত বিশেষ কুচকাৱাজত আৰক্ষী সঞ্চালকপ্ৰধানকে ধৰি অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। সমাজলৈ আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে আৰক্ষী বিষয়া-জোৱানক এই অনুষ্ঠানত সন্মানিত কৰা হয়। অসম আৰক্ষী দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰক্ষী জোৱানসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ এক্সত কৰা পোষ্টত আৰক্ষী জোৱানসকলৰ চৌবিশ ঘণ্টাজোৰা নিৰৱচ্ছিন্ন সেৱা আৰু সাহসৰ ভূয়সী প্ৰশংসা কৰে। আইন-শৃংখলা ৰক্ষা, অপৰাধ নিয়ন্ত্ৰণ আৰু দুৰ্যোগৰ সময়ত অসম আৰক্ষীয়ে দেখুৱাই অহা দায়িত্ববোধৰ বাবে ৰাইজ আজি সুৰক্ষিত বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লিখিছে, "অসমৰ ৰাইজ শান্তিত আছে, কাৰণ ইউনিফৰ্ম পিন্ধা কোনোবাই সপ্তাহৰ সাতোদিনে চৌবিশ ঘণ্টাকৈ দি থিয় হৈ পহৰা দি আছে। অসম আৰক্ষী দিৱসত অসম আৰক্ষীৰ প্ৰতিজন বিষয়া-কৰ্মচাৰীক সাহস, মমতা আৰু অদম্য কৰ্তব্যবোধেৰে আই অসমীক সেৱা আগবঢ়োৱাৰ বাবে প্ৰণাম জনাইছোঁ। আপোনালোকক লৈ আমি গৌৰৱান্বিত।" ইপিনে, অসম আৰক্ষী দিৱসত অসম আৰক্ষীৰ তৰফৰ পৰা যুগুত কৰা মূল গীতটোও উন্মোচন কৰা হয়। অসম আৰক্ষীয়ে এক্সত এই গীতটো আপলোড কৰি লিখিছে, "অসম আৰক্ষীৰ মূল গীতৰ উন্মোচন। ই ইউনিফৰ্মৰ গৌৰৱ, সেৱাৰ মনোভাব আৰু অসমৰ কণ্ঠ কঢ়িয়াই লৈ ফুৰে। অসমৰ একাংশ মৰমৰ কণ্ঠই জীৱন্ত কৰি তোলা অসম আৰক্ষীৰ গীতটো উপস্থাপন কৰা হ'ল।" গীতটোত কথা পাৰ্থসাৰথি মহন্তৰ। সংগীত আৰু ব্যৱস্থাপনা জুবলী বৰুৱাৰ। কণ্ঠদান কৰিছে জুবিন গাৰ্গ, অংগৰাগ পাপন মহন্ত, জয় বৰুৱা, জুবলী বৰুৱা, প্ৰিয়ংকা ভৰালী আৰু অভিশ্ৰুতি বেজবৰুৱাই। অসম আৰক্ষী দিৱস উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অসম আৰক্ষীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ এক্সত লিখিছে, "অসম আৰক্ষী দিৱসত আৰক্ষী কৰ্মী আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ঐতিহাসিক বাহিনীখনৰ বীৰহৃদয়সকললৈ ৰাষ্ট্ৰ আৰু জাতিৰ প্ৰতি সাহস আৰু নিস্বাৰ্থ সেৱাৰ বাবে গৌৰৱময় প্ৰণাম।" উল্লেখ্য, এই দিনটোত আৰক্ষী বাহিনীয়ে 'জনহিত জনসেৱাৰ্থে' সংকল্পৰে সমাজৰ প্ৰতিগৰাকী নাগৰিকক নিষ্ঠাৰে সেৱা আগবঢ়াই যোৱাৰ নতুন শপত গ্ৰহণ কৰে।

বান সাহায্যৰ ধন মুকলি নকৰাৰ

এই নিৰ্ধাৰিত সময়সীমা উকলি যোৱাৰ পাছতো ৰাজ্যৰ সহস্ৰাধিক পৰিয়াল বিত্তীয় সাহায্যৰ পৰা বঞ্চিত হৈ ৰোৱাত এই আন্দোলনৰ সিদ্ধান্ত লোৱা হৈছে। উজনি অসমৰ চাৰিখন প্ৰধান জিলা-শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাটৰ প্ৰায়p৩০ৰ পৰা ৪০ শতাংশ বানপীড়িত পৰিয়ালে এতিয়ালৈকে এই সাহায্য লাভ কৰা নাই। ভয়াৱহভাৱে ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ এজনো দুৰ্গম অৱস্থাৰ বানপীড়িত লোকে চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অতিৰিক্ত সাহায্য লাভ কৰা নাই। ভয়াৱহভাৱে ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ৰঞ্জ লাখ টকাকৈ পূৰ্ণাংগ ক্ষতিপূৰণ প্ৰদানৰ দাবী অক্ষুণ্ণ ৰখা হৈছে। ইয়াৰ উপৰি বান পৰিস্থিতি আৰু নদীৰ মথাউৰি ভাঙি যোৱাৰ সবিশেষ দুৰ্নীতিৰ ওপৰত চিবিআই তদন্তৰ দাবীও উত্থাপন কৰা হৈছে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা এক আনুষ্ঠানিক পত্ৰত বিধায়ক অখিল গগৈয়ে স্পষ্ট কৰি দিয়ে যে প্ৰতিটো বানপীড়িত পৰিয়ালে তেওঁলোকৰ প্ৰাপ্য আৰু ন্যায়সংগত বিত্তীয় সাহায্য সম্পূৰ্ণৰূপে নোপোৱালৈকে গণতান্ত্ৰিক ধাৰাৰ এই আন্দোলন ক্ষান্ত নহ'ব। লগতে শিৱসাগৰৰ বিধায়কগৰাকীয়ে কয়, "চৰকাৰে বান্ধি দিয়া সময়সীমা পাৰ হ'ল, কিন্তু প্ৰায় আধা অংশ বানপীড়িত ৰাইজ আজিলৈকে খালী হাতেৰে ৰ'ল। আমি আমাৰ ৰাইজৰ অধিকাৰ আৰু অস্তিত্ব ৰক্ষাৰ বাবে গান্ধী জয়ন্তীৰ দিনটোৰ পৰাই সমগ্ৰ অসমত গণতান্ত্ৰিকভাৱে এই আন্দোলন চলাই যাম।"

'সামাজিক মাধ্যমত স্ব-নিয়োজনৰ ৰীল

পত্ৰ বিতৰণ কৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মহিলাসকললৈ বিশেষ আহ্বান জনায় সামাজিক মাধ্যমত মহিলাসকলে চুটি অ-সাংস্কৃতিক ৰীল আপলোড কৰাৰ সলনি স্ব-নিৰ্ভৰশীল হোৱাৰ ৰীল দিয়ক। যাতে আন মহিলাসকল উপাৰ্জনমুখী হোৱাত অনুপ্ৰাণিত হয়। আনৰ হিত সাধন হয়। মন্ত্ৰী দেৱীয়ে প্ৰায় ৮০ গৰাকী মহিলা, পুৰুষক সম্বোধন কৰি কয় যে, প্ৰতি বছৰে আত্মনিৰ্ভৰশীল হোৱাৰ বাবে ঋণ লয়, কিন্তু উপাৰ্জনমুখী নহয়। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিতো বহুতে এনে কৰে। সাক্ষাৎকাৰৰ সময়ত দাখিল কৰে এটা কিন্তু খটুৱাই আন এক, আঁচনিত কিন্তু এনে কৰিলে ধনৰ অপচয় হয়, উপাৰ্জন সঠিকভাৱে আগনাবাঞ্জে। গতিকে, প্ৰশিক্ষণ লওক আৰু উপাৰ্জনত লাগি যাওক। সেয়া সকলোকে ৰীলযোগে জনাওক। উল্লেখ্য যে মঙলদৈ বেজপাৰাত অৱস্থিত গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ কেন্দ্ৰত আজি দুটাকৈ প্ৰশিক্ষাৰ্থী গোটক প্ৰশিক্ষণৰ প্ৰমাণ পত্ৰ মন্ত্ৰীগৰাকীয়ে বিতৰণ কৰে। একেদৰে কেন্দ্ৰটোত কুকুৰা পালনৰ প্ৰশিক্ষণ লোৱাসকলক উন্নত জাতৰ কামৰূপা কুকুৰাৰ পোৱালি বিতৰণ কৰা হয়। এই কাৰ্যসূচীত ইউকো বেংকৰ আঞ্চলিক প্ৰবন্ধক সতীশ শৰ্মা, গ্ৰামীন জীৱিকা অভিযানৰ প্ৰবন্ধক হীৰা শৰ্মা, খানাপাৰাৰ অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ ভেষজ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক তথা বীষাণুবিদ ডাঃ পংকজ ডেকা, ভেষজ বিজ্ঞানৰ বিভাগৰ অধ্যাপক ডাঃ উৎপল বৰ্মন, শৰীৰ ৰচনা বিভাগৰ সহকাৰী অধ্যাপক ডাঃ দ্বীপজ্যোতি মহন্ত উপস্থিত থাকে। কাৰ্যসূচীত কুকুৰাৰ প্ৰশিক্ষণ গ্ৰহণ কৰা চ্ছ্ৰঞ্জ গৰাকী প্ৰশিক্ষাৰ্থীক ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ অন্তৰ্গত আঞ্চলিক চৰকা ৰোগ গৱেষণা কেন্দ্ৰ, পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ সৌজন্যত কুকুৰা পোৱালি, খাদ্য আৰু দানা আৰু পানীৰ পাত্ৰ বিনামূলীয়াকৈ বিতৰণ কৰা হয়। আৰচেটিৰ প্ৰশিক্ষক কিশোৰ কুমাৰ শৰ্মা আৰু প্ৰবন্ধক কামাখ্যা নাৰায়ণ তিৱাৰীয়ে আঁতধৰা কাৰ্যসূচীত ছাগলী পালনৰ প্ৰশিক্ষণ গ্ৰহণ কৰা বোনমাঝাৰ অৰ্চনা বৰা, কুকুৰাৰ প্ৰশিক্ষণ গ্ৰহণ কৰা দীপাংকৰ হাজৰিকা, ঔতলা অকলিবাৰীত গাইগৰু আৰু গাহৰিৰ বৃহৎ পাম খুলি স্বাবলম্বী পথ গ্ৰহণ কৰা তীৰ্থ বড়োৱেও সম্বোধন কৰে। বড়োৱে সুন্দৰ আৰু সাবলীলভাৱে প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰতিজনকে আত্মবিশ্বাস আৰু দৃঢ় মনোভাবেৰে পশু পালনত আগবাঞ্জবিলৈ আহ্বান জনায়। কাৰ্যসূচীত ইউকো বেংকৰ আঞ্চলিক প্ৰবন্ধক সতীশ শৰ্মাই ৰাজ্যৰ্ চখন জিলাত গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান যোগে অদ্যাপি ৯ সহস্ৰাধিক যুৱক যুৱতীক ভিন্ন বিষয়ত বিনামূলীয়া প্ৰশিক্ষণ দি আত্মনিৰ্ভৰ হোৱাত সহায় কৰাৰ তথ্য সদৰি কৰে। তেওঁ কেৱল মুৰ্গী পালনেই নহয় কণী উৎপাদনৰ বিশাল পাম প্ৰতিষ্ঠাতো বেংকে সহযোগ কৰাৰ বিষয়ে উল্লেখ কৰে। এই প্ৰশিক্ষণ কেৱল প্ৰমাণ পত্ৰৰ বাবে নহয় আত্মনিৰ্ভৰ আৰু বেংক লোনৰ বাবে অত্যন্ত উপযোগী বুলি আখ্যা দিয়ে। একেদৰে দৰঙৰ কৃতী সন্তান তথা পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাঃ পংকজ ডেকাই ৰাজ্যৰ পশুপালন আৰু মীন মন্ত্ৰী নীলিমা দেৱীৰ ভূয়সী প্ৰশংসা কৰি মন্ত্ৰীগৰাকীয়ে গাঁৱৰ মহিলা তথা যুৱক-যুৱতীসকলক স্বাবলম্বী কৰাৰ বাবে দিনে নিশাই ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে কৰা পৰিশ্ৰমৰ মৰ্যাদা দি যুৱক যুৱতীসকল আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাবে ৰখাব নোৱাৰিব

বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জিলা প্ৰশাসনলৈ পুনৰ নিৰ্দেশ জাৰি কৰে। নিৰ্দেশনাত স্পষ্টকৈ কোৱা হৈছে যে দ্দঢত্ন কনভয়ৰ বাবে কোনো পৰিস্থিতিতেই এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহন বা অন্য জৰুৰীকালীন বাহনৰ চলাচলত বাধা দিব নোৱাৰিব। জৰুৰীকালীন বাহন আহিলে প্ৰয়োজন অনুসৰি মুখ্যমন্ত্ৰীৰ কনভয়ো ৰখাব পাৰিব। এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহন আৰু আৰক্ষীৰ জৰুৰীকালীন বাহনক সকলো সময়তে বাধাহীনভাৱে যোৱাৰ সুযোগ দিব লাগিব। লগতে মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাবে যাতে সাধাৰণ যান-বাহনত অধিক বিলম্ব নহয়, তাৰ প্ৰতিও লক্ষ্য ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। ইফালে কনভয়ৰ আকাৰ নিৰাপত্তা আৰু অত্যাৱশ্যকীয় কামৰ বাবে প্ৰয়োজনীয় প্যাঁনতম সংখ্যক বাহনলৈ সীমিত কৰাৰ নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ সৈতে একেটা কাৰ্যসূচীত অংশ লোৱা মন্ত্ৰী, বিধায়ক, বিষয়া আৰু অন্য বিশিষ্ট ব্যক্তিসকলৰ বাহন মুখ্যমন্ত্ৰীৰ কনভয়ৰ সৈতে একেলগে চলিব নোৱাৰিব। তেওঁলোকৰ বাহন আগতীয়াকৈ গন্তব্যস্থানলৈ যাব লাগিব, অথবা মুখ্যমন্ত্ৰীৰ কনভয় পাৰ হোৱাৰ পাছত পৃথকে যাব লাগিব। কনভয়ৰ এই নিৰ্দেশনাসমূহ নিয়মীয়া নিৰ্দেশ হিচাপে জাৰি কৰা হৈছে। সকলো অধীনস্থ বিষয়াক ইয়াক কঠোৰভাৱে পালন কৰিবলৈ কোৱা হৈছে। নিৰ্দেশনা পালন হৈছে নে নাই, সেয়া দায়িত্বশীল বিষয়াসকলে নিজে নিৰীক্ষণ কৰিব লাগিব। কোনো ধৰণৰ গাফিলতি হ'লে সংশ্লিষ্ট বিষয়াক জবাবদিহি কৰা হ'ব বুলিও নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

এছিয়ান গেমছৰ ক্ৰিকেটৰ

পূৰ্বে T20Iত শ্ৰীলংকাৰ সৰ্বনিম্ন স্ক'ৰ আছিল ৭৭ ৰান। ২০২৪ চনৰ জুন মাহত নিউয়ৰ্কত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে দলটোৱে এই স্ক'ৰ কৰিছিল। কেৱল সৰ্বনিম্ন স্ক'ৰত শ্ৰীলংকাক পৰাস্ত কৰাই নহয়, ৰানৰ ব্যৱধানতো ভাৰতে অভিলেখ গঢ়িছে। শ্ৰীলংকাৰ বিৰুদ্ধে T২০।ত ৰচ্ছ্ছ ৰানৰ জয় ভাৰতৰ সৰ্ববৃহৎ জয়। ইয়াৰ পূৰ্বে ২০১৭ চনত কটকত অনুষ্ঠিত T20I মেচত শ্ৰীলংকাৰ বিৰুদ্ধে ৰানৰ ব্যৱধানত ভাৰতীয় দলে সৰ্ববৃহৎ জয় সাব্যস্ত কৰিছিল। এতিয়া এছিয়ান গেমছৰ পুৰুষ ক্ৰিকেটৰ ফাইনেলত ভাৰত-পাকিস্তানৰ মহাৰণ চাবলৈ ক্ৰিকেট প্ৰেমীসকল উত্ৰাৱল হৈ পৰিছে। উল্লেখ্য যে ভাৰত এছিয়ান গেমছৰ ডিফেণ্ডিং চেম্পিয়ন। সেয়ে এইবাৰ পাকিস্তানৰ বিৰুদ্ধে সোণৰ পদক ধৰি ৰখাৰ লক্ষ্যৰে খেলপথাৰত নামিব দলটো। আনহাতে, পাকিস্তানে এছিয়ান গেমছৰ ইতিহাসত প্ৰথমবাৰৰ বাবে পুৰুষ ক্ৰিকেটৰ সোণৰ পদকৰ ফাইনেল খেলিব।

এছিয়ান গেমছৰ পুৰুষ হকী

কৰে। এই গ'লটোৱেই ভাৰতক ৪-৩ৰ অগ্ৰগতি দিয়াৰ লগতে ভাৰতৰ জয় নিশ্চিত কৰে। মেচখনত ভাৰতে আৰম্ভণিৰ পৰাই আক্ৰমণাত্মক খেল প্ৰদৰ্শন কৰে। প্ৰথম কোৱাৰ্টাৰতেই দলটোৱে ২-০ৰ অগ্ৰগতি লাভ কৰে। মেচৰ ৫ মিনিটত অধিনায়ক হৰমনপ্ৰীত সিঙে ভাৰতৰ হৈ প্ৰথমটো গ'ল কৰে। ইয়াৰ পিছত ১৩ মিনিটত তেওঁ পুনৰ গ'ল কৰি দলটোক ২-০ৰ অগ্ৰগতি দিয়ে। দ্বিতীয় কোৱাৰ্টাৰত পাকিস্তানে প্ৰত্যাৱৰ্তনৰ চেষ্টা কৰে। এই কোৱাৰ্টাৰত দুয়োটা দলে এটাকৈ গ'ল কৰে। ২৩ মিনিটত সুখজিৎ সিঙে ভাৰতৰ হৈ তৃতীয়টো গ'ল কৰে। ইয়াৰ পিছত ৩০ মিনিটত পাকিস্তানৰ আবু মহম্মদে এটা গ'ল কৰে। দ্বিতীয় কোৱাৰ্টাৰৰ অন্তত ভাৰতে ৩-১১ অগ্ৰগতি অটুট ৰাখে। তৃতীয় কোৱাৰ্টাৰত পাকিস্তানে চাপ বৃদ্ধি কৰে। ভাৰতে এই কোৱাৰ্টাৰত গ'ল কৰাত ব্যৰ্থ হয়। পাকিস্তানে এটা গ'ল কৰাত তৃতীয় কোৱাৰ্টাৰৰ অন্তত স্ক'ৰ হয়p৩-২। চতুৰ্থ কোৱাৰ্টাৰত মেচখন অধিক ৰোমাঞ্চকৰ হৈ পৰে। ৪৯ মিনিটত পাকিস্তানৰ ৰাহিদ ৰাণাই গ'ল কৰি স্ক'ৰ ৩-৩ কৰে। মেচখনৰ মাত্ৰ ১১ মিনিট বাকী আছিল। পেনাল্টি শ্বুটআউটলৈ মেচখন যাব বুলি অনুমান কৰা হৈছিল যদিও শেষ মুহূৰ্তত সকলো সলনি হয়। ৬০ মিনিটত অভিষেকে ভাৰতৰ হৈ নিৰ্ণায়ক গ'ল কৰে। ফলত ৪-৩ৰ জয়ৰে ভাৰত ফাইনেলত প্ৰৱেশ কৰে।

পূজাৰ পূৰ্বে শিক্ষাৰ্থীসকললৈ ৰাজ্য চৰকাৰৰ

অক্টোবৰৰ পৰা প্ৰতিমাহে ১,২৫০ টকাকৈ লাভ কৰিব। আনহাতে, স্নাতকোত্তৰ মহল আৰু B.Ed. পাঠ্যক্ৰমৰ ছাত্ৰীসকলে প্ৰতিমাহে ২,৫০০ টকাকৈ পাব। ইফালে, মাধ্যমিক পৰ্যায়ত ১,৮৯,০৪২ গৰাকী ছাত্ৰীয়ে 'নিযুত মইনা' আঁচনিৰ সুবিধা লাভ কৰিব। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ হিতাধিকাৰীসকলে প্ৰতিমাহে ৮০০ টকাকৈ পাব। অক্টোবৰৰ পৰা প্যাঁনতম ১০ মাহৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে এই ধন লাভ কৰিব। ইয়াৰ সমান্তৰালভাৱে ৰচ অক্টোবৰত 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু' আঁচনিৰ ধনো মুকলি কৰা হ'ব। উচ্চ শিক্ষা বিভাগৰ অধীনত ৰাজ্যৰ ১,০২,৫০১ গৰাকী ছাত্ৰই এই আঁচনিৰ ধন লাভ কৰিব। 'নিযুত বাবু' আঁচনি অনুসৰি, স্নাতক মহলাৰ ছাত্ৰসকলে প্ৰতিমাহে ১,০০০ টকাকৈ আৰু স্নাতকোত্তৰ মহলাৰ ছাত্ৰসকলে প্ৰতিমাহে ২,০০০ টকাকৈ লাভ কৰিব। এই পদক্ষেপে পূজাৰ সময়ত শিক্ষাৰ্থীসকলৰ বাবে স্বস্তি আৰু উৎসাহ কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে।

স্বামীৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু;

শোকৰ ছাঁ পেলাইছে। একেটা ঘটনাত স্বামী-স্ত্ৰীৰ অকাল মৃত্যুক কেন্দ্ৰ কৰি সৃষ্টি হৈছে গভীৰ শোকৰ পৰিৱেশ। জানিব পৰা মতে, কানুগাঁৱৰ প্ৰকাশ হাজৰীকাই ৰে'লৰে লাইনেৰে এডাল খৰি কঢ়িয়াই নি থকা সময়তে সংঘটিত হয় এই শোকাৱহ ঘটনা। খৰিডালৰ আগটো হঠাৎ ৰে'লপথৰ ওপৰত থকা বৈদ্যুতিক তাঁৰত লাগি যোৱাত প্ৰকাশ হাজৰীকা বিদ্যুৎস্পৃষ্ট হয়। ফলত ঘটনাস্থলীতে তেওঁৰ মৃত্যু ঘটে। ইফালে স্বামীৰ আকস্মিক মৃত্যুৰ খবৰ আৰু দৃশ্য সহ্য কৰিব নোৱাৰি পত্নী সোণালী হাজৰীকাই স্বামীৰ মৃতদেহ সাবটি ধৰি কান্দি থকা অৱস্থাতে অসুস্থ হৈ পৰে আৰু পৰৱৰ্তী সময়ত তেওঁৰো মৃত্যু ঘটে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে মৃত প্ৰকাশ হাজৰীকা উত্তৰ কমাৰবন্ধা পঞ্চায়তৰ প্ৰাক্তন ৱাৰ্ড সদস্য আছিল। স্বামী-স্ত্ৰীৰ একেলগে অকাল মৃত্যুৰ ঘটনাই সমগ্ৰ কমাৰবন্ধা অঞ্চলতে শোকৰ বন্যা বোৱাইছে। মৃত্যুৰ সময়ত দম্পতীহালে দুটি সন্তানক ইহসংসাৰত এৰি থৈ যায়। সন্তান দুটিৰ ভৱিষ্যতক লৈও এতিয়া সৃষ্টি হৈছে গভীৰ উদ্বেগ আৰু শোকৰ পৰিৱেশ।

৭০০ৰো অধিক মহিলা সদস্যাৰ অংশগ্ৰহণেৰে পঞ্চমী মণ্ডল পৰ্যায়ৰ সমবায় সমিতিৰ প্ৰথম বাৰ্ষিক অধিৱেশন সম্পন্ন

মহিলাৰ একতা, স্বাৱলম্বিতা আৰু আত্মনিৰ্ভৰশীলতাৰে উন্নয়নৰ দিশে পঞ্চমী মণ্ডল সমবায় সমিতি

অসম বাৰ্তা, নুমলীগড়, ১ অক্টোবৰ ঃ মহিলাসকলৰ আৰ্থিক স্বাৱলম্বিতা, আত্মনিৰ্ভৰশীলতা আৰু সামাজিক সবলীকৰণৰ লক্ষ্যৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনস্থ পঞ্চমী মণ্ডল পৰ্যায়ৰ সমবায় সমিতি লিমিটেডৰ প্ৰথম বাৰ্ষিক অধিৱেশন সোমবাৰে উলহ-মালহেৰে অনুষ্ঠিত হয়। গোলাঘাট পশ্চিম উন্নয়ন খণ্ড, বোকাখাতৰ অন্তৰ্গত পঞ্চমী মণ্ডল পৰ্যায়ৰ সমবায় সমিতিৰ উদ্যোগত ২৮ ছেপ্টেম্বৰত কমাৰগাঁৱৰ বৰদিহিঙীয়া নাট্য মন্দিৰত অনুষ্ঠিত অধিৱেশনখনত অঞ্চলটোৰ বিভিন্ন মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলে ব্যাপকভাৱে অংশগ্ৰহণ কৰে। প্ৰায় ৭০০ গৰাকী মহিলা সদস্যাৰ উপস্থিতিৰে অনুষ্ঠিত অধিৱেশনখনত মহিলাসকলৰ একতা, সহযোগিতা, স্বাৱলম্বিতা আৰু সমবায়ভিত্তিক অৰ্থনৈতিক কাৰ্যকলাপ শক্তিশালী কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অধিৱেশনখনৰ আৰম্ভণিতে এগছি ভক্তিদীপ প্ৰজ্বলন কৰি সভাৰ সূচনা কাৰ্যক্ৰম আৰম্ভ কৰা হয়। ইয়াৰ পিছতে অসম সংগীত পৰিৱেশনেৰে সভা অধিক গাম্ভীৰ্যতাপূৰ্ণ হৈ উঠে। পঞ্চমী মণ্ডলৰ মহিলা সদস্যাসকলৰ এটি দলে সভাত সমবেত দলীয় গীত পৰিৱেশন কৰি এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰে। মৃদুলা কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত মূল সভাত পঞ্চমী মণ্ডলৰ দৃষ্টিবাক্য "ঐক্যৰ মাটিত স্বাৱলম্বিতাৰ বীজ, পঞ্চমীৰ হাতত সমৃদ্ধিৰ সেউজ সপোন" আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। সভাত পঞ্চমী মণ্ডল পৰ্যায়ৰ সমবায় সমিতিৰ সম্পাদিকা পুৰবী হাজৰিকাই অধিৱেশনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিগত বৰ্ষৰ কাৰ্যকলাপৰ এখন সুন্দৰ আৰু নিখুঁত প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনখন সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। প্ৰতিবেদনত মণ্ডলটোৰ বিভিন্ন মহিলা আত্মসহায়ক গোটৰ কাম-কাজ, জীৱিকামুখী কাৰ্যকলাপ, মহিলা সদস্যাসকলৰ অংশগ্ৰহণ আৰু সংগঠনটোৰ ভৱিষ্যৎ কৰ্মপন্থাৰ বিভিন্ন দিশ সামৰি লোৱা হয়। উল্লেখযোগ্য যে পঞ্চমী মণ্ডলৰ অধীনত বৰ্তমান ২৮টা গ্ৰাম্য সংগঠন, (VO), ৬০১টা আত্মসহায়ক গোট (SHG) আৰু মুঠ ৬, ৫৪৩ গৰাকী মহিলা সদস্যা জড়িত হৈ আছে। এই বৃহৎ মহিলা নেটৱৰ্কে গ্ৰামাঞ্চলৰ মহিলাসকলক একত্ৰিত কৰি সঞ্চয়, জীৱিকামুখী কাৰ্যকলাপ, ক্ষুদ্ৰ উদ্যোগ, উপাৰ্জনমুখী কাম-কাজ আৰু আত্মনিৰ্ভৰশীলতাৰ দিশত আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অধিৱেশনত বক্তাসকলে কয় যে মহিলা আত্মসহায়ক গোটসমূহ কেৱল সঞ্চয় আৰু ঋণৰ ব্যৱস্থাৰ মাজতে সীমাবদ্ধ নাথাকি মহিলাসকলৰ উপাৰ্জন বৃদ্ধি, উদ্যোগী মানসিকতা গঢ়ি তোলা আৰু পৰিয়াল তথা গ্ৰাম্য অৰ্থনীতিত সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হৈছে। অধিৱেশনখনৰ এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী হিচাপে পুৰণি সমিতিখন ভংগ কৰি আগন্তুক কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হয়। সভাই সৰ্বসন্মতিক্ৰমে মৃদুলা কলিতাক পুনৰ সভানেত্ৰী আৰু বিগত কাৰ্যকালত দক্ষ সংগঠক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে বিভিন্ন সামাজিক সংগঠনৰ অভিজ্ঞতাৰে সমৃদ্ধ পুৰবী হাজৰিকাক পুনৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰে। তেওঁলোকৰ নেতৃত্বত আগন্তুক কাৰ্যকালত পঞ্চমী মণ্ডলক অধিক শক্তিশালী আৰু সুসংগঠিত কৰি মহিলাসকলৰ জীৱিকা উন্নয়ন, উদ্যোগ আৰু আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত নতুন কাৰ্যসূচী গ্ৰহণ কৰাৰ সংকল্প লোৱা হয়। সভাত এগৰাকী আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিযুক্তি দিয়াৰ লগতে ২০২৬—২৭ বৰ্ষৰ বাজেট নিৰ্ধাৰণ কৰা হয়। অধিৱেশনখনত এটি বিশেষ আকৰ্ষণীয় দিশ হিচাপে সদস্যা পাপৰি দত্তৰ ৰচনাৰে প্ৰস্তুত কৰা পঞ্চমী মণ্ডল সংগঠনৰ এটি শীৰ্ষ গীত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। সভাত পাপৰি দত্তই শীৰ্ষ গীতটোৰ কথা পাঠ কৰি শুনোৱাৰ পিছত অনাগত দিনত পঞ্চমী মণ্ডলৰ সভা-সমিতি আৰু বিভিন্ন সাংগঠনিক কাৰ্যসূচীত গীতটো পৰিৱেশন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দিনজোৱা কাৰ্যসূচীৰ অংশ হিচাপে অধিৱেশনস্থলীত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। মহিলা সদস্যাসকলে গীত, নৃত্য, কবিতা আবৃত্তি আদি পৰিৱেশন কৰি অনুষ্ঠানটো অধিক মনোগ্ৰাহী কৰি তোলে। সাংস্কৃতিক কাৰ্যসূচীত মহিলা সদস্যাসকলৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে তেওঁলোকৰ সাংগঠনিক দক্ষতা আৰু প্ৰতিভাৰো সুন্দৰ প্ৰকাশ ঘটায়। অধিৱেশনত বক্তাসকলে গ্ৰামাঞ্চলৰ মহিলাসকলৰ জীৱন-জীৱিকাৰ মান উন্নয়ন, উপাৰ্জনৰ নতুন পথ সৃষ্টি, ক্ষুদ্ৰ উদ্যোগৰ প্ৰসাৰ আৰু সমবায়ভিত্তিক অৰ্থনৈতিক কাৰ্যকলাপ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মহিলাসকল একত্ৰিত হৈ সামূহিকভাৱে আগবাঢ়িলে পৰিয়ালৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ লগতে গ্ৰাম্য অৰ্থনীতি আৰু সামাজিক পৰিৱেশতো ইতিবাচক পৰিৱৰ্তন সাধন কৰিব পৰা যায় বুলি বক্তাসকলে মত প্ৰকাশ কৰে। মহিলাসকলক কেৱল আঁচনিৰ সুবিধা গ্ৰহণকাৰী হিচাপে সীমাবদ্ধ নাথাকি উৎপাদন, উদ্যোগ, ব্যৱসায় আৰু স্থানীয় অৰ্থনৈতিক বিকাশৰ সক্ৰিয় অংশীদাৰ হিচাপে আগুৱাই আহিবলৈ আহ্বান জনোৱা হয়। অধিৱেশনখনত বিভিন্ন মহিলা সদস্যাই নিজৰ সফলতাৰ অভিজ্ঞতাও প্ৰকাশ কৰে। আত্মসহায়ক গোটৰ সৈতে জড়িত হৈ বিভিন্ন জীৱিকামুখী কাৰ্যকলাপত অংশগ্ৰহণ কৰাৰ ফলত পৰিয়ালৰ আয় বৃদ্ধিৰ লগতে নিজৰ আত্মবিশ্বাস, সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু সামাজিক অংশগ্ৰহণ বৃদ্ধি পোৱাৰ কথাও সদস্যাসকলে উল্লেখ কৰে। অধিৱেশনখনত জিলা প্ৰকল্প প্ৰবন্ধক ৰিংকুমণি বুঢ়াগোহাঁই, খণ্ড প্ৰকল্প প্ৰবন্ধক অজয় কেৰ্কেতা, খণ্ড সমন্বয়ক শান্তনু গগৈ, বাবলু ৰহমান, অনুপল বৰা, গোলাঘাট সমবায় সমিতিৰ পৰ্যবেক্ষক জিলা পৰিষদৰ প্ৰতিনিধি নৰেন বড়ি, মধ্যমহুৰা পঞ্চায়তৰ সভাপতি কৰবী শইকীয়া, পঞ্চমিত্ৰ মণ্ডল সংগঠনৰ সভানেত্ৰী লীনা কলিতাৰ লগতে ২৫ গৰাকী সখী উপস্থিত থাকে। অধিৱেশনখনত মহিলা সদস্যাসকলৰ বিপুল আৰু স্বতঃস্ফূৰ্ত অংশগ্ৰহণে বিশেষ তাৎপৰ্য বহন কৰে। "ঐক্যৰ মাটিত স্বাৱলম্বিতাৰ বীজ, পঞ্চমীৰ হাতত সমৃদ্ধিৰ সেউজ সপোন"—এই দৃষ্টিবাক্যক সাৰোগত কৰি পঞ্চমী মণ্ডলৰ ৬, ৫৪৩ গৰাকী সদস্যাই আগন্তুক দিনত একতা, সহযোগিতা আৰু আত্মনিৰ্ভৰশীলতাৰ শক্তিৰে অধিক সুদৃঢ়ভাৱে আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰে। অধিৱেশনৰ শেষত সম্পাদিকা পুৰবী হাজৰিকাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে উপস্থিত সকলো সদস্যা, অতিথি আৰু সহযোগীসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

অইলৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ৰ নতুন আৱাসিক মুখ্য বিষয়া সঞ্জয় বাৰ্মা

কাইলৈ গ্ৰহণ কৰিব দায়িত্বভাৰ

অসম বাৰ্তা, দুলীয়াজান, ১ অক্টোবৰ ঃ ৰাজ্যৰ অন্যতম প্ৰধান ঔদ্যোগিক প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ দুলীয়াজানস্থিত ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ৰ পৰৱৰ্তী আৱাসিক মুখ্য বিষয়া হিচাপে কাইলৈ অৰ্থাৎ ১ অক্টোবৰৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰিব সঞ্জয় বাৰ্মাই। ডিব্ৰুগড়ৰ সন্তান সঞ্জয় বাৰ্মাই ডনবস্কৰ পৰা স্কুলীয়া শিক্ষা আৰু হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছত গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা মেকানিকেল ইঞ্জিনীয়াৰিঙত স্নাতক ডিগ্ৰী লাভ কৰিছিল। স্বৰ্গীয় ৰবীন্দ্ৰ কুমাৰ বাৰ্মা আৰু স্বৰ্গীয় ইন্দুবালা বাৰ্মাৰ সন্তান সঞ্জয় বাৰ্মাই ১৯৯১ চনৰ ৩ অক্টোবৰত দুলীয়াজানৰ প্ৰডাকচন অইল বিভাগত কাৰ্যবাহী শিক্ষানবিচ (Executive Trainee) হিচাপে অইলত নিজৰ কৰ্মজীৱনৰ পাতনি মেলিছিল। বিগত তিনিটা দশকতকৈও অধিক কাল তেল আৰু গেছ উৎপাদন খণ্ডত সেৱা আগবঢ়োৱা শ্ৰী বাৰ্মাই অইলৰ বহুকেইটা গুৰুত্বপূৰ্ণ কাৰিকৰী আৰু প্ৰশাসনিক পদত কাৰ্যনিৰ্বাহ কৰিছে। প্ৰডাকচন অপাৰেচনচত প্ৰায় ২০ বছৰৰো অধিক সময় কটোৱাৰ অন্তত তেওঁ ২০২০ চনত তেল আৰু গেছ উৎপাদন সেৱা (OGPS)ৰ মুখ্য মহাপ্ৰবন্ধক হিচাপে পদোন্নতি লাভ কৰে। পৰৱৰ্তী পৰ্যায়ত তেওঁ ক্ৰমে ইষ্টাৰ্ণ এছেটৰ কাৰ্যবাহী সঞ্চালক, প্ৰকল্প বিভাগৰ কাৰ্যবাহী সঞ্চালক, অইল গ্ৰীণ এনাৰ্জী লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু ৰাজস্থান ক্ষেত্ৰৰ কাৰ্যবাহী সঞ্চালকৰ দৰে গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে। ৰাজস্থান ক্ষেত্ৰত কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত তেওঁৰ সবল নেতৃত্বত অইলে বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। ২০২৫ চনৰ জুন মাহত বাশ্মৃতিৱা ব্লকৰ দ্ৰুত বাণিজ্যিকীকৰণৰ জৰিয়তে 'আৱিষ্কৃত সৰু ক্ষেত্ৰ নিবিদা ৰাউণ্ড III'ৰ অধীনত আৱণ্টিত কোনো ব্লকৰ পৰা বাণিজ্যিকভাৱে গেছ উৎপাদন কৰা প্ৰথমটো অপাৰেটৰৰ স্বীকৃতি অইলে লাভ কৰে। ইয়াৰ উপৰিও কেম্বে ব্লকত পেট্ৰ'লিয়াম অন্বেষণ অনুজ্ঞাপত্ৰ লাভ কৰাৰ মাত্ৰ সাত মাহৰ ভিতৰতে এটা কূপৰ সফল খনন আৰম্ভ কৰাৰ লগতে খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰতো তেওঁৰ অৱদান আছিল উল্লেখযোগ্য। এগৰাকী সফল আৰু দক্ষ বিষয়াৰ লগতে কৰ্মচাৰী-কেন্দ্ৰিক নেতৃত্বশৈলীৰ অধিকাৰী সঞ্জয় বাৰ্মাই কেইবাটাও ব্যৱস্থাপনা আৰু নেতৃত্ব বিকাশ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাংগঠনিক পৰিকল্পনাৰ ক্ষেত্ৰত বিশেষ দক্ষতা অৰ্জন কৰিছে। এগৰাকী নিয়মীয়া টেবুল টেনিছ খেলুৱৈ হিচাপে পৰিচিত বাৰ্মাই খেল-ধেমালিৰ লগতে গ্ৰন্থ অধ্যয়ন আৰু ভ্ৰমণ কৰিবলৈও খুবেই ভাল পায়।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল ভোটত জয়ী ছাত্ৰ পৰিষদ সমৰ্থিত প্ৰাৰ্থীৰ

গোলাঘাটৰ দুখনকৈ আগশাৰীৰ মহাবিদ্যালয়ত অসম ছাত্ৰ পৰিষদৰ সাফল্য

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ অক্টোবৰ ঃ গোলাঘাট জিলাৰ উচ্চশিক্ষাৰ দুখনকৈ অগ্ৰণী মহাবিদ্যালয় ক্ৰমে ফৰকাটিং মহাবিদ্যালয় আৰু কমাৰবন্ধা মহাবিদ্যালয়ত আজি অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীয়ে ঐতিহাসিক বিজয় সাব্যস্ত কৰে। কমাৰবন্ধা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ একতা সভাৰ ১৪টা পদৰ আটাইকেইটা পদতেই অসম ছাত্ৰ পৰিষদ (ACP) সমৰ্থিত প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰে। আনহাতে, ফৰকাটিং মহাবিদ্যালয়ত সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদককে ধৰি মুঠ ৭টা পদত জয়লাভ কৰে সংগঠনটোৰ সমৰ্থিত প্ৰাৰ্থীয়ে। কমাৰবন্ধা মহাবিদ্যালয়ৰ বিজয়ী প্ৰাৰ্থীসকল ক্ৰমে সভাপতি মনালিছা বৰা, সাধাৰণ সম্পাদক বসন্ত কাকতি, সহকাৰী সাধাৰণ সম্পাদক অংকুৰ তাঁতী, সাংস্কৃতিক সম্পাদক নয়না চেতিয়া, আলোচনী সম্পাদক চয়নিকা নেওগ, তৰ্ক প্ৰতিযোগিতা সম্পাদক, ববিতা শইকীয়া, উৎসৱ/ফাংচন সম্পাদক দেৱাশিস দাস, সাহিত্য সম্পাদক পৰিস্মিতা গগৈ, লঘু ক্ৰীড়া সম্পাদক সুশান্ত বৰা, ছাত্ৰী জিৰণি কোঠা সম্পাদক ৰাজশ্ৰী শইকীয়া, পাঠ্য কোঠা সম্পাদক চফিউৰ ৰহমান, গুৰু ক্ৰীড়া পংকজ চেত্ৰী, সমাজ সেৱা গণেশ কৰ্মকাৰ আৰু ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ পদত কৌশিক নাথে জয়লাভ কৰে আনহাতে, ফৰকাটিং মহাবিদ্যালয়ৰ বিজয়ী প্ৰাৰ্থীসকল ক্ৰমে সভাপতি শান্ত কুমাৰ সিংহ, উপ- সভানেত্ৰী লক্ষিপ্ৰিয়া ঠেঙাল, সাধাৰণ সম্পাদক শান্তনু শইকীয়া, সাংস্কৃতিক সম্পাদক লক্ষ্যজিত বৰা, গুৰু ক্ৰিয়া সম্পাদক জয়ন্ত বৰা, লঘু ক্ৰীড়া সম্পাদক বিকি হাজৰিকা আৰু ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত টিংকু শইকীয়াই বিজয় সাব্যস্ত কৰে। দুয়োখন মহাবিদ্যালয়ৰ বিজয়ী প্ৰাৰ্থীসকলক অসম গণ পৰিষদ দলৰ কেন্দ্ৰীয় সভাপতি অতুল বৰা, অসম ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ত্ৰিনয়ন বৰা আৰু এজিপিৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ড° নৃপেন বৰুৱা, সাধাৰণ সম্পাদক আছিকুৰ ৰহমান, অসম যুৱ পৰিষদৰ সাধাৰণ সম্পাদক বিশ্বজিৎ গগৈ, অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সভাপতি আৰ্ছিচজ্যোতি পৰাশৰ আৰু সমৰ্থনকাৰী নেতৃত্বই আন্তৰিক ওলগ জ্ঞাপন কৰে। ইয়াৰ লগতে অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক এহচান ৰাহ্বীৰ, ৰাছিম চৌধুৰী আদিয়ে নবীন ছাত্ৰ প্ৰতিনিধিসকলক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। নেতৃবৃন্দই আশা প্ৰকাশ কৰে যে এই বিজয়ী পেনেলে শিক্ষাৰ্থী সমাজৰ সৰ্বাংগীণ উন্নতি আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ দিশত নিষ্ঠাৰে কাম কৰি যাব। উল্লেখ্য যে ইয়াৰ পূৰ্বেও গোলাঘাটৰ কেউখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনতো বৃহৎ সাফল্য অৰ্জন কৰিছিল অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীয়ে।

ছেৰেলীয়া মজলীয়া বিদ্যালয়ত নতুন পৰিচালনা সমিতি গঠন

সভাপতি ইচুব আলী, উপসভাপতি অনিমা ওৰাং

অসম বাৰ্তা, জিনজিয়া, ১ অক্টোবৰ ঃ বিহালী প্ৰাথমিক শিক্ষা খণ্ডৰ ৰঙাগড় মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ ছেৰেলীয়া মজলীয়া বিদ্যালয়ত যোৱা ২৬ ছেপ্টেম্বৰত শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি নতুন বিদ্যালয় পৰিচালনা সমিতি গঠনৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সহকাৰী শিক্ষক সীমান্ত দাসে আঁত ধৰা সভাখনত পুৰণি সমিতিৰ সভাপতি ইচুব আলীয়ে সভাপতিত্ব কৰে। শতাধিক অভিভাৱক ৰাইজৰ উপস্থিতিত সভাত ঊনৈশজন সদস্যৰ নতুন সমিতি নিৰ্বাচিত কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিগন্ত দাসে কয়, ১৯৩৬ চনত ছেৰেলীয়াত শিক্ষানুৰাগী ৰাইজে প্ৰাথমিক বিদ্যালয় আৰু ১৯৮৯ চনত একেটা চৌহদতে মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰিছিল। পিছলৈ দুয়োখন বিদ্যালয় প্ৰাদেশিকীকৰণ হয় আৰু ২০২৪-২৫ শিক্ষা বৰ্ষত শিক্ষা বিভাগৰ একত্ৰীকৰণ নীতিৰ জৰিয়তে একত্ৰিত হৈ ছেৰেলীয়া মজলীয়া বিদ্যালয় হিচাপে আত্মপ্ৰকাশ কৰে। ২০৩৬ চনত বিদ্যালয়খনে এশ বছৰ সম্পূৰ্ণ কৰিব। সেয়ে এই সভাৰ গুৰুত্ব আছে বুলি তেওঁ উল্লেখ কৰে। বিদ্যালয়খনক এখন উন্নত বিদ্যালয় হিচাপে গঢ়ি তুলিবলৈ সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ বিচাৰি তেওঁ কয়, "বিদ্যালয় আমাৰ, সন্তান আমাৰ, সেয়ে বিদ্যালয়ৰ উন্নয়নৰ দায়িত্বও আমাৰ সকলোৰে। ৰঙাগড় মণ্ডল সমল কেন্দ্ৰৰে অধীনস্থ আনন্দৰাম ঢেকিয়াল ফুকন মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা প্ৰাক্তন ছাত্ৰ নেতা লৱ দৈমাৰীয়ে সভাখন উদ্বোধন কৰে। তেওঁ নতুন সমিতিখনক সমন্বিত প্ৰচেষ্টাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায় আৰু সমিতিয়ে কৰিব পৰা কেইবাটাও ব্যৱহাৰিক দিশ উদাহৰণ সহ ব্যাখ্যা কৰে। মুখ্য অতিথি তথা পৰ্যৱেক্ষক হিচাপে উপস্থিত থকা ৰঙাগড় মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক, লেখক হেমন্ত শৰ্মাই পৰিচালনা সমিতি গঠন সম্পৰ্কীয় বিভাগীয় নীতি-নিৰ্দেশনা সভাক অৱগত কৰে। তেওঁ কয়, সমিতিখন বিদ্যালয় আৰু সমাজৰ মাজৰ এক শক্তিশালী সংযোগসূত্ৰ। বিদ্যালয়ৰ সমস্যা চিনাক্ত কৰা, উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা, চৰকাৰী আঁচনি সঠিকভাৱে ৰূপায়ণত সহায় কৰা, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিশ্চিত কৰা আৰু বিদ্যালয় ত্যাগ ৰোধ কৰাত সমিতিৰ সক্ৰিয় ভূমিকা থাকিব লাগে। সমিতিক কেৱল আনুষ্ঠানিক সমিতি হিচাপে নহয়, বিদ্যালয় উন্নয়নৰ সক্ৰিয় অংশীদাৰ হিচাপে গঢ়ি তুলিবলৈও তেওঁ আহ্বান জনায়। অভিভাৱকসকলক সন্তানৰ মোবাইল আসক্তিক ইতিবাচক দিশত ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিয়াৰ লগতে তেওঁ নিজৰ ইংৰাজী গ্ৰন্থ Embracing Angerৰ বিষয়ে বক্তব্য ৰাখে। সভাত সহকাৰী শিক্ষক সীমান্ত দাস আৰু জুলী হাজৰিকাই গীত পৰিৱেশন কৰে। অভিভাৱক নাৰায়ণ ওৰাং আৰু নুৰী খাতুনে ৰাইজৰ হৈ একাষাৰ কয়। সভাত শিক্ষকৰ অভাৱকে ধৰি বিভিন্ন সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ, বিহালী বিধানসভা সমষ্টিৰ বিধায়ক, জিলা প্ৰশাসন আৰু বিহালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ২০৩৬ চনলৈকে বিদ্যালয়খনক এখন আদৰ্শ বিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ দহবছৰীয়া ৰোড মেপ তৈয়াৰ কৰাৰ দায়িত্ব পৰিচালনা সমিতিক প্ৰদান কৰা হয়। লগতে সাংসদ ৰঞ্জিত দত্ত, বিধায়ক মুনিন্দ্ৰ দাস আৰু স্থানীয় ৰাইজৰ উপস্থিতিত এখন বিশাল শৈক্ষিক অভিবৰ্তন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱো গৃহীত হয়। সভাত পুৰণি সমিতিৰ সভাপতি ইচুব আলীক তেওঁৰ তিনি বছৰীয়া নিঃস্বাৰ্থ সেৱাৰ স্বীকৃতি স্বৰূপে ফুলাম আৰু চেলেং চাদৰেৰে সম্বৰ্ধনা জনোৱা হয়। মুখ্য অতিথি হেমন্ত শৰ্মা আৰু উদ্বোধক লৱ দৈমাৰীকো গামোচা আৰু চেলেং চাদৰেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ৰাজহুৱা সভা ভংগৰ পিছত নিৰ্বাচিত সদস্যসকলৰ এখন পৃথক সভা অনুষ্ঠিত হয়। সেই সভাত সৰ্বসন্মতিক্ৰমে অভিভাৱক সদস্য ইচুব আলীক সভাপতি আৰু অভিভাৱক সদস্য অনিমা ওৰাংক উপসভাপতি নিৰ্বাচিত কৰা হয়। বিভাগীয় নিৰ্দেশ অনুসৰি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিগন্ত দাসে সদস্য সচিবৰ দায়িত্ব পালন কৰিব। প্ৰধান শিক্ষক দাস আৰু সহকাৰী শিক্ষক প্ৰেৰণা বৰা, জুলী হাজৰিকা আৰু সীমান্ত দাসৰ ব্যৱস্থাপনাত সভাখন সুচাৰুৰূপে অনুষ্ঠিত হয়।

গোলাঘাটত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি মহোৎসৱ উদ্‌যাপন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ অক্টোবৰ ঃ গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত গোলাঘাটস্থিত পণ্ডিত হেমচন্দ্ৰ গোস্বামী স্মৃতি ভৱনত ২৯ ছেপ্টেম্বৰত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি মহোৎসৱৰ উদযাপন কৰা হয়। গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি তিলেশ্বৰ তামোলী, প্ৰাক্তন সভাপতি অপৰাজিতা বৰুৱা, ৰাজিদুৰ ৰহমান, অনিল শৰ্মা, গোলাঘাট জিলা সাহিত্য সভাৰ বিষয়ববীয়া জলিলুৰ ৰহমান, সাবিত্ৰী তামোলী প্ৰমুখ্যে বহু সংখ্যক বিষয়ববীয়া আৰু গুণমুগ্ধ ব্যক্তিয়ে বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। মুকলি সভাখন শাখাৰ সভাপতি তিলেশ্বৰ তামোলীৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু সভাত আৰম্ভণি গীতৰ লগতে ভূপেন হাজৰিকাৰ ৰচিত গীত 'মানুহে মানুহৰ বাবে' পৰিবেশন কৰে মঞ্জুলিকা নেওগ শইকীয়াকে মুখ্য কৰি শাখাৰ সদস্য সদস্যাসকলে। সভাখনত নিৰ্দিষ্ট বক্তাৰ হিচাপে উপস্থিত থাকি বিশিষ্ট নিবন্ধকাৰ ডাঃ অজিত বৰুৱাই গীতিকাৰ, সুৰকাৰ হিচাপে ড° ভূপেন হাজৰিকা আৰু তেওঁৰ জীৱন এই বিষয়ত এক সাৰগৰ্ভ বক্তৃতা আগবঢ়ায়। গোলাঘাট জাতীয় মহাবিদ্যালয়ৰ ছাত্ৰ মলয় কাশ্যপ দত্তই সুধাকণ্ঠৰ এটি গীত বাঁহীৰ সুৰত সুন্দৰকৈ পৰিবেশন কৰে। মহাত্মা বাল্যভৱনৰ শিক্ষয়িত্ৰী কবিতা শৰ্মাই 'হে হে হে হে ঢোলে-দগৰে' গীতটি পৰিৱেশন কৰে। মহোৎসৱ অনুষ্ঠানটিৰ লগত সংগতি ৰাখি এখনি চিত্ৰ সম্বলিত শিশু কবিতা পুথি উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপিকা আৰু গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° দিপালী বৰা। লেখক, শিক্ষক প্ৰণৱজ্যোতি শইকীয়াই 'তেওঁৰ আবেলিৰ ধেমালি' কবিতা পুথিখনৰ বিষয়ে সবিশেষ বৰ্ণনা দিয়ে। দ্বিতীয়জন বক্তা, গ্ৰন্থ প্ৰকাশক ৰাজীৱ বল্লভ গোস্বামীয়ে শিশু সাহিত্য, অসমীয়া শব্দ উচ্চাৰণৰ বিষয়ে এক সুন্দৰ বক্তব্য আগবঢ়ায়। শেষত কণমানি অংগৰিকা শইকীয়াই এটি শিশু কবিতা আবৃত্তি কৰে। জাতীয় সংগীতেৰে সামৰণি পৰা মহোৎসৱ অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ সম্পাদিকা অঞ্জলি বাইলুং বুঢ়াগোহাঁয়ে আৰু শলাগৰ শৰাই আগবঢ়াই পদ্মাৱতী বৰাই।

মৰিগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ বাবে গৌৰৱৰ মুহূৰ্ত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ অক্টোবৰ ঃ দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ Hotel Radisson Bluত অনুষ্ঠিত ৰাজ্যিক ভিত্তিত পৰ্যালোচনাত তথা Orientation সভাত HPV ভেকচিনৰ প্ৰসাৰ আৰু ৰুটিন ইমিউনাইজেছনত মৰিগাঁও জিলাই ১০০ শতাংশ HPV ভেকচিন প্ৰদান কৰাত সম্পূৰ্ণ কৰাৰ বাবে স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ পৰা সন্মান লাভ কৰে। এই উল্লেখযোগ্য সাফল্যই মৰিগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ একত্ৰিত প্ৰচেষ্টা, নিষ্ঠা আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। এই সাফল্যৰ বাবে জিলা প্ৰশাসন, যুটীয়া সঞ্চালক, সকলো স্বাস্থ্য বিষয়া, জিলাৰ স্বাস্থ্য বিষয়া কৰ্মচাৰী, CHO, ANM, ASHA আৰু সমগ্ৰ স্বাস্থ্য কৰ্মীসকললৈ আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰা হৈছে। বিশেষভাৱে যুটীয়া সঞ্চালক মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হয়। তেখেতৰ নিৰন্তৰ দিহা-পৰামৰ্শ, সহযোগিতা আৰু নেতৃত্বই এই সফলতা অৰ্জনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই সন্মান মৰিগাঁৱৰ প্ৰতিগৰাকী সদস্যৰ কঠোৰ পৰিশ্ৰম, সমৰ্পণ আৰু দলীয় প্ৰচেষ্টাৰ ফল। এই সাফল্যই আগন্তুক দিনত ৰুটিন ইমিউনাইজেচন আৰু HPV টিকাকৰণ অভিযানক অধিক শক্তিশালী কৰি তুলিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব।

ডবকাত বন বিভাগৰ অভিযানত লক্ষাধিক টকাৰ মূল্যবান কাঠ জব্দ

অসম বাৰ্তা, ডবকা, ১ অক্টোবৰ ঃ বনজ সম্পদৰ অবৈধ সৰবৰাহ আৰু চোৰাং কাঠৰ ব্যৱসায়ৰ বিৰুদ্ধে হোজাই জিলা বন বিভাগে অভিযান অধিক তীব্ৰ কৰি তুলিছে। ইয়াৰ মাজতে আজি ডবকাত বন বিভাগে চলোৱা এক অভিযানত বৃহৎ পৰিমাণৰ মূল্যবান কাঠ জব্দ কৰিবলৈ সক্ষম হয়। আজি হোজাই দক্ষিণ নগাঁও বন সংমণ্ডলৰ বন প্ৰাধিকাৰী বিষয়া নয়নজ্যোতি ৰাজবংশীৰ নিৰ্দেশত আৰু ডবকা যমুনাভেলী বনাঞ্চলিক বিষয়া দীপক মহন্তৰ নেতৃত্বত বন বিভাগৰ এটা দলে এক গোপন খবৰৰ ভিত্তিত ডবকাৰ পূব যমুনা গাঁৱত এক অভিযান চলায়। অভিযানকাৰী দলটোৱে কামাল উদ্দিন নামৰ এজন লোকৰ ঘৰত অভিযান চলাই বৃহৎ পৰিমাণৰ মূল্যবান গছৰ কাঠ উদ্ধাৰ কৰি জব্দ কৰে। বন বিভাগৰ সূত্ৰই জানিবলৈ দিয়া মতে, জব্দ কৰা কাঠ খিনিৰ আনুমানিক বজাৰ মূল্য ডেৰ লক্ষাধিক টকা হ'ব পাৰে। অৱশ্যে জব্দকৃত কাঠৰ প্ৰকৃত পৰিমাণ আৰু সঠিক মূল্য সম্পৰ্কে বন বিভাগে পৰৱৰ্তী পৰ্যায়ত অধিক তথ্য প্ৰকাশ কৰিব বুলি জানিব দিছে। ইফালে বন বিভাগৰ অভিযান কাৰী দলটো উপস্থিত হোৱাৰ উমান পাই ঘৰৰ গৰাকী কামাল উদ্দিনে ঘটনা স্থলীৰ পৰা পলায়ন কৰা বুলি জানিব পৰা গৈছে। অভিযানৰ সময়ত তেওঁক আটক কৰিবলৈ সক্ষম নহল যদিও বন বিভাগে ঘটনাটোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, বনজ সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত বন বিভাগে বিগত সময় ছোৱাত ডবকা আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চল সমূহত অবৈধ কাঠৰ ব্যৱসায় আৰু চোৰাং কাঠ সৰবৰাহৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে। আজিৰ অভিযানৰ পাছত অবৈধভাৱে কাঠ মজুত ৰখা আৰু সৰবৰাহৰ সৈতে জড়িত চক্ৰটোৰ বিৰুদ্ধে বন বিভাগে পৰৱৰ্তী সময়ত অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰে বুলি জানিব পৰা গৈছে।

তিনিচুকীয়াৰ গুকান পুখুৰী চাহ বাগিচাত গোধন হত্যাৰ অভিযোগত এজনক আটক

অসম বাৰ্তা, তিনিচুকীয়া, ১ অক্টোবৰ ঃ তিনিচুকীয়া জিলাৰ গুকান পুখুৰী চাহ বাগিচাৰ মিএণ পট্টিত গোধন হত্যাৰ অভিযোগক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত শুভান আলী (২৪) নামৰ এজন যুৱকক আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে, গাঁওখনৰ উমানন্দ গোৱালাৰ এজনী গাই যোৱা কালিৰ পৰা সন্ধানহীন হৈ আছিল। আজি পুৱাৰ ভাগত গাইজনীৰ খোজ অনুসৰণ কৰি বিচাৰি যোৱাৰ সময়তে শুভান আলী নামৰ যুৱকজনক গাইজনী হত্যা কৰি মূৰৰ অংশ লৈ পলায়নৰ চেষ্টা কৰা অৱস্থাত স্থানীয় ৰাইজে আটক কৰিবলৈ সক্ষম হয় বুলি জানিবলৈ দিয়ে। ঘটনাৰ খবৰ লাভ কৰি গেলাপুখুৰী আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অভিযোগ অনুসৰি গাইজনীৰ মূৰৰ অংশ আৰু ভুৰু উদ্ধাৰ কৰাৰ লগতে যুৱকজনক আটক কৰে। ইফালে, ঘটনা সন্দৰ্ভত সোধা-পোছাৰ বাবে যুৱকজনৰ মাতৃ আৰু ভগ্নীকো আৰক্ষীয়ে থানালৈ নিয়ে বুলি জানিব পৰা গৈছে। ঘটনাটোক কেন্দ্ৰ কৰি বজৰং দল আৰু ৰাষ্ট্ৰীয় বজৰং দলৰ তিনিচুকীয়া জিলা সমিতিৰ বিষয়ববীয়া সকলে সৰৱ হৈ পৰিছে। ঘটনাৰ সৈতে জড়িত সকলো লোকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংগঠন দুটাই তিনিচুকীয়া জিলা প্ৰশাসনক আহ্বান জনাইছে।

হাউলীৰ যশিহাটীপাৰাত NIAৰ অভিযান

জেহাদী কাৰ্যকলাপৰ সৈতে জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ ৰকিবুল ইছলাম

অসম বাৰ্তা, কুমুল্লী পাৰা, ১ অক্টোবৰ ঃ বৰপেটা জিলাৰ হাউলীৰ যশিহাটীপাৰা গাঁৱত আজি ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (NIA)-ই অভিযান চলোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। জেহাদী কাৰ্যকলাপৰ সৈতে জড়িত থকাৰ অভিযোগত গাঁওখনৰ ৰকিবুল ইছলাম নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, NIAৰ অভিযানৰ সময়ত ৰকিবুল ইছলামক আটক কৰাৰ পিছত গ্ৰেপ্তাৰ কৰা হয়। অৱশ্যে, অভিযানৰ নিৰ্দিষ্ট কাৰণ, গোচৰৰ সৈতে জড়িত অন্যান্য তথ্য আৰু তদন্তকাৰী সংস্থাই লাভ কৰা তথ্য-প্ৰমাণৰ বিষয়ে এই পৰ্যন্ত সবিশেষ জানিব পৰা হোৱা নাই। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সৈতে জড়িত বিষয়সমূহৰ তদন্তৰ ক্ষেত্ৰত সংশ্লিষ্ট সংস্থাৰ নিৰপেক্ষ অনুসন্ধান আৰু আইনগত প্ৰক্ৰিয়াৰ বিশেষ গুৰুত্ব আছে। আনহাতে, অভিযুক্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগ আদালতত প্ৰমাণিত নোহোৱা পৰ্যন্ত তেওঁক দোষী বুলি গণ্য কৰিব নোৱাৰি। এই ঘটনাৰ সন্দৰ্ভত NIA অথবা সংশ্লিষ্ট আৰক্ষী প্ৰশাসনৰ আনুষ্ঠানিক বিবৃতি প্ৰকাশ পালে অভিযানৰ উদ্দেশ্য আৰু গোচৰটোৰ বিষয়ে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

মাজুলীত পথ সুৰক্ষা আৰু পথ দুৰ্ঘটনা ৰোধৰ বাবে মাজুলী জিলা প্ৰশাসনৰ গুৰুত্বপূৰ্ণ বৈঠক

অসম বাৰ্তা, মাজুলী, ১ অক্টোবৰ ঃ মাজুলীৰ পথ সুৰক্ষা ব্যৱস্থা সুদৃঢ় কৰা আৰু পথ দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে, জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত ছেপ্টেম্বৰ মাহৰ জিলা পথ সুৰক্ষা সমিতিৰ (District Road Safety Committee - DRSC) গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, ACS মহোদয়ৰ সভাপতিত্বত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালীন শুভদৰ্শিনী, IPS মহোদয়াৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ সামগ্ৰিক পথ সুৰক্ষা ব্যৱস্থা আৰু শেহতীয়া চৰকাৰী নিৰ্দেশনাসমূহৰ ৰূপায়ণ সন্দৰ্ভত বিতং পৰ্যালোচনা কৰা হয়। বৈঠকত গ্ৰহণ কৰা মূল সিদ্ধান্ত আৰু নিৰ্দেশনাসমূহ: মহাবিদ্যালয় আৰু স্পৰ্শকাতৰ স্থানত নাকা চেকিং: বিশেষকৈ মহাবিদ্যালয়সমূহৰ সন্মুখত আৰু জিলাখনৰ বিকোনো সম্ভাব্য স্থানত হঠাৎ নাকা চেকিং চলোৱা হ'ব, যাতে ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মৰ মাজত যান-বাহন আইনৰ কঠোৰ পালন সুনিশ্চিত হয়। কঠোৰ আইনী ব্যৱস্থা ঃ হেলমেটবিহীন বাইক চালক, তীব্ৰ বেগত বাহন চলোৱা (Over-speeding) আৰু উচ্ছৃংখল চালকৰ বিৰুদ্ধে পৰিবহণ আৰু আৰক্ষী বিভাগক 'শূন্য সহনশীলতা' (Zero Tolerance) নীতি গ্ৰহণ কৰি জৰিমনা তথা দৃষ্টান্তমূলক আইনী ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হয়। PM Rahat কেচলেচ চিকিৎসা সেৱা (Cashless Treatment): পথ দুৰ্ঘটনাত পতিত ব্যক্তিসকলৰ প্ৰাণ ৰক্ষাৰ স্বাৰ্থত চৰকাৰী আঁচনিৰ অধীনত ১ লাখ ৫০ হাজাৰ টকা পৰ্যন্ত তাৎক্ষণিক নগদবিহীন চিকিৎসা (Cashless Treatment) সেৱাৰ সুবিধা সঠিকভাৱে কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। হিট এণ্ড ৰান (Hit and Run) ক্ষতিপূৰণ ঃ 'হিট এণ্ড ৰান' দুৰ্ঘটনাত আক্ৰান্ত ভুক্তভোগী অথবা নিহতসকলৰ পৰিয়ালে যাতে চৰকাৰী সাহায্য আৰু ক্ষতিপূৰণৰ ধন কোনো অসুবিধা নোহোৱাকৈ লাভ কৰে, সেই সন্দৰ্ভত ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিয়া হয়। উক্ত বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত অংশুৰূপা বৰগোহাঁই, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়া, সহকাৰী আয়ুক্ত দীপ্তিমণি টায়ে, সহকাৰী আয়ুক্ত অনুৰাগ প্ৰীতম বৰবৰা, মাজুলী আৰু উজনি মাজুলী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াদ্বয় আৰু জিলা প্ৰশাসনৰ তথা সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

বিজনীৰ কাছদহাত ছখনকৈ গৰু ভৰ্তি গাড়ী জব্দ

১০জনক গ্ৰেপ্তাৰ বিজনী আৰক্ষীৰ

অসমবাৰ্তা, বিজনী, ১ অক্টোবৰ ঃ ৰাজ্যত অব্যাহত আছে গৰুৰ অবৈধ সৰবৰাহ। ইয়াৰ মাজতে সোমবাৰে দুপৰীয়া চিৰাং জিলাৰ বিজনী আৰক্ষীৰ অভিযানত অবৈধ ভাৱে সৰবৰাহ কৰি থকা অৱস্থাত ছয় খনকৈ গৰু ভৰ্তি গাড়ী জব্দ কৰা হয়। গোপন খবৰৰ ভিত্তিত বিজনী মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত আৰু বিজনী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিতুল মণি দাসৰ নেতৃত্বত বিজনী আৰক্ষীৰ এটা দলে অভিযান চলাই বঙাইগাঁও আৰু চিৰাং জিলাৰ সীমামূৰীয়া অঞ্চল কাছদহাত জব্দ কৰে অবৈধ গৰু ভৰ্তি গাড়ী কেইখন। উল্লেখ্য যে একাংশ অবৈধ গৰু ব্যৱসায়ীয়ে ছয়খন গাড়ীত সৰ্বমুঠ ৫১টা গৰু কঢ়িয়াই লৈ বঙাইগাঁও জিলাৰ ভাঙাৰা হৈ নাংলা অভিমুখে যৈ থকা অৱস্থাত আৰক্ষীৰ জালত পৰে গাড়ী কেইখন। জব্দকৃত গাড়ী কেইখনৰ নম্বৰ ক্ৰমে এএছ ০২ ডিচি ১২৭২, এএছ ২৬ এচি ২৬১৩, এএছ ২৬ এচি ২৮৪২, এএছ ৩১ চি ২০০৫, এএছ ২৬ ইচি ৩৫০৮ আৰু এছ ২৬ এচি ০৭৪৮। পিছত জব্দকৃত গাড়ী সহ গৰু সমূহ আৰক্ষীয়ে বিজনী থানালৈ লৈ আহে। ইফালে এই অবৈধ গৰু সৰবৰাহৰ সৈতে জড়িত থকা ১০ জনকৈ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত লোক কেইজনক ক্ৰমে বঙাইগাঁও জিলাৰ ৪ নং ভাঙাৰা নিবাসী ছাহজামাল শেখ(৩৭), ৩ নং ভাঙাৰাৰ আবুল কালাম(৩৫), জাকিৰ হুছেইন(২২), চিৰাঙৰ চতো আমগুৰী নিবাসী বক্কৰ আলী(৫০), মহিদুল আলী(২১), মোহৰ আলী(৩০), ছানিদুল ইছলাম(১৮) লগতে জিলাখনৰ কাজলগাঁও থানাৰ অন্তৰ্গত ২নং দেৱালগুৰী নিবাসী মুছাৰফ ইছলাম(২১), বৰপথাৰ নিবাসী ৰাছিদুল ইছলাম(২২) আৰু ২ নং চৌবাবাৰী নিবাসী ৰুকমান আলী(১৮)। সম্প্ৰতি গ্ৰেপ্তাৰ কৰা ১০জন লোকক বিজনী থানাত ৰখা হৈছে।

ৰাইজৰ সন্মতি আৰু ভূমিৰ বৈধ ব্যৱহাৰ স্পষ্ট কৰাৰ দাবী জীপাল কৃষক-শ্ৰমিক সংঘৰ

বোকাখাত সমষ্টিৰ বকুলি চাপৰিত পাম অইলৰ খেতিক লৈ তীব্ৰ প্ৰতিবাদ

অসম বাৰ্তা, নুমলীগড়, ১ অক্টোবৰ ঃ বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত ১ নং বকুলি চাপৰিত পাম অইলৰ খেতি কৰাৰ প্ৰচেষ্টাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজ আৰু জীপাল কৃষক-শ্ৰমিক সংঘৰ মাজত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। সংগঠনটোৰ অভিযোগ অনুসৰি, স্থানীয় ব্ৰহ্মপুত্ৰ নৈপৰীয়া অঞ্চলটোৰ ৫০০ বিঘাৰো অধিক পৰম্পৰাগত চৰনীয়া ভূমি ব্যৱহাৰ কৰি পাম অইলৰ খেতি সম্প্ৰসাৰণৰ প্ৰস্তুতি চলোৱা হৈছে। স্থানীয় ৰাইজৰ সন্মতি অবিহনে উক্ত ভূমিত পাম অইলৰ পুলি ৰোপণ কৰা হৈছে বুলিও সংগঠনটোৱে অভিযোগ কৰিছে। জীপাল কৃষক-শ্ৰমিক সংঘৰ মতে, বকুলি চাপৰিৰ লগতে ২ নং বকুলি চাপৰি, হালধিআটি, উখৰচৌ, বালি চাপৰি, মাজৰ চাপৰি, শওণপাৰা চাপৰি, কৈবৰ্ত চাপৰি, চাৰিঘৰীয়া, শংকৰ চাপৰি, চকলাপাৰি, শিয়াল চাপৰি, তুলসীবাৰী, নহৰে চাপৰি, কাচিকটা, মহাইভুৰি, পাটৰি চাপৰি, ভকত চাপৰি আৰু টিকিৰাই চাপৰিকে ধৰি বিস্তৃত নৈপৰীয়া অঞ্চলৰ ৰাইজে দীৰ্ঘদিন ধৰি পশুধনৰ চৰনীয়া ভূমি হিচাপে এই অঞ্চল ব্যৱহাৰ কৰি আহিছে। স্থানীয় ৰাইজ আৰু জীপালৰ অভিযোগ অনুসৰি, 'গুল্লু টেমেৰা বহুমুখী কৃষি সমবায় ঋণ সমিতি'ৰ জৰিয়তে উক্ত ভূমিত কৃষি কাৰ্যৰ প্ৰস্তুতি চলোৱা হৈছিল। যোৱা ২৫ আগষ্টত উক্ত স্থানত অনুষ্ঠিত 'বীজ সিঁচা অনুষ্ঠান'ত গোলাঘাট জিলা কৃষি বিষয়া ৰঞ্জন বৰুৱা আৰু নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক ভাস্কৰ পৰাশৰ উপস্থিত থকাৰ কথা সংগঠনটোৱে উল্লেখ কৰিছে। তেতিয়া মাটি মাহ, সৰিয়হ আৰু তিলৰ দৰে ৰবি শস্যৰ খেতি কৰাৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰা হৈছিল বুলি জানিবলৈ দিয়া হৈছে। কিন্তু পৰৱৰ্তী সময়ত উক্ত ভূমিত পাম অইলৰ পুলি ৰোপণ কৰা হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। ফলত ৰবি শস্যৰ কৃষি প্ৰকল্প আৰু পাম অইলৰ খেতিৰ মাজত প্ৰকৃত সম্পৰ্ক কি, সেই বিষয়ে প্ৰশাসনৰ পৰা স্পষ্টীকৰণ বিচাৰিছে প্ৰতিবাদকাৰীসকলে। এই অভিযোগক কেন্দ্ৰ কৰি মঙলবাৰে জীপাল কৃষক-শ্ৰমিক সংঘই স্থানীয় ৰাইজক লগত লৈ বকুলি চাপৰিত দিনজোৰা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। সংগঠনটোৱে পৰম্পৰাগত চৰনীয়া ভূমি ব্যৱসায়িক বহুৰাষ্ট্ৰীয় শস্যৰ বাগিচালৈ ৰূপান্তৰ কৰাৰ প্ৰচেষ্টাৰ বিৰোধিতা কৰে। জীপালৰ মুখ্য উপদেষ্টা সোণেশ্বৰ নৰহে অভিযোগ কৰে যে স্থানীয়

পৰম্পৰাগত চৰনীয়া ভূমিত পাম অইলৰ পুলি ৰোপণৰ অভিযোগ

জনজাতীয় ৰাইজৰ পৰম্পৰাগতভাৱে ব্যৱহৃত নৈপৰীয়া ভূমিত তেওঁলোকৰ সন্মতি অবিহনে পাম অইলৰ খেতি কৰিবলৈ দিয়া নহ'ব। তেওঁৰ প্ৰশ্ন—স্থানীয় ৰাইজৰ সন্মতি লোৱা হৈছে নে নাই আৰু সেই ভূমি পাম অইলৰ দৰে বাণিজ্যিক খেতিৰ বাবে ব্যৱহাৰৰ আইনী অনুমতি কোন ব্যৱস্থাৰ অধীনত দিয়া হৈছে? নৰহে লগতে কয় যে পাম অইলৰ খেতিক কেন্দ্ৰ কৰি স্থানীয় জনগোষ্ঠীৰ মাজত বিভাজন বা সংঘাত সৃষ্টি হ'ব পৰা কোনো পৰিস্থিতি মানি লোৱা নহ'ব। ভূমি আৰু জীৱিকাৰ অধিকাৰ সুৰক্ষাৰ বাবে অধিক গণপ্ৰতিৰোধ গঢ়ি তোলাৰ কথাও তেওঁ প্ৰকাশ কৰে। জিলা আয়ুক্তৰ হস্তক্ষেপৰ দাবী জীপাল কৃষক-শ্ৰমিক সংঘৰ মুখপাত্ৰ প্ৰবীণ পেগুৱে বকুলি চাপৰিৰ বিষয়টোত গোলাঘাট জিলা আয়ুক্তক প্ৰত্যক্ষভাৱে হস্তক্ষেপ কৰি বিবাদ নিষ্পত্তিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ দাবী জনায়। পেগুৰ অভিযোগ অনুসৰি, স্থানীয় ৰাইজ আৰু সংশ্লিষ্ট পক্ষৰ মাজত সৃষ্টি হোৱা সংঘাতৰ পৰিপ্ৰেক্ষিতত দেৰগাঁও থানাত দুয়োপক্ষৰ গোচৰ পঞ্জীয়ন হৈছে। এনে পৰিস্থিতিত বিষয়টো অধিক জটিল হোৱাৰ পূৰ্বেই জিলা প্ৰশাসনে আলোচনাৰ মাধ্যমেৰে সমাধানৰ উদ্যোগ ল'ব লাগে বুলি তেওঁ দাবী কৰে। তেওঁ বকুলি চাপৰিত এখন ৰাজহুৱা শুনানি অনুষ্ঠিত কৰি স্থানীয় ৰাইজৰ বক্তব্য গ্ৰহণ কৰাৰ লগতে ভূমিৰ বৈধ ব্যৱহাৰ, পাম অইলৰ পুলি ৰোপণৰ অনুমতি আৰু প্ৰকল্পটোৰ চৰকাৰী অনুমোদনৰ বিষয়ে ৰাজহুৱা কৰাৰ দাবী জনায়। চৰকাৰৰ পাম অইল নীতি বনাম স্থানীয় উদ্বেগ অসম চৰকাৰে National Mission on Edible Oils—Oil Palm (NMEO-OP)ৰ অধীনত ৰাজ্যত পাম অইলৰ খেতি সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দি আহিছে। চৰকাৰৰ নীতি অনুসৰি পাম অইলৰ উৎপাদন বৃদ্ধি কৰিলে দেশৰ খাদ্যতেলৰ আমদানি-নিৰ্ভৰতা হ্ৰাস কৰাৰ লগতে কৃষকৰ আয় বৃদ্ধিৰ সম্ভাৱনা আছে। আনহাতে, পাম অইলৰ বৃহৎ পৰিসৰৰ একক খেতিক লৈ পৰিৱেশ, ভূমি ব্যৱহাৰ আৰু স্থানীয় জীৱিকাৰ ওপৰত সম্ভাব্য প্ৰভাৱ সম্পৰ্কে বিশেষজ্ঞ মহলত আলোচনা চলি আহিছে। বিশেষকৈ নদী আৰু জলাশয়ৰ কাষৰ সংবেদনশীল অঞ্চলত বৃহৎ পৰিসৰৰ বাণিজ্যিক খেতি আৰম্ভ কৰাৰ পূৰ্বে ভূমি, পানী, জৈৱ-বৈচিত্ৰ্য আৰু স্থানীয় জীৱিকাৰ ওপৰত বৈজ্ঞানিক মূল্যায়নৰ প্ৰয়োজনীয়তাৰ বিষয়টোও উত্থাপিত হৈছে। বকুলি চাপৰিৰ ঘটনাই এতিয়া কেৱল পাম অইলৰ খেতিক লৈ হোৱা প্ৰতিবাদতে সীমাবদ্ধ নথকা এক বৃহত্তৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। চৰনীয়া ভূমিৰ আইনী স্থিতি কি, ভূমি কাৰ অধীনত, কৃষি কাৰ্যৰ কোনো চৰকাৰী অনুমোদন আছে নে নাই, স্থানীয় ৰাইজৰ সন্মতি গ্ৰহণ কৰা হৈছিল নে নাই আৰু ৰবি শস্যৰ প্ৰকল্পৰ অধীনত পাম অইলৰ পুলি ৰোপণ কৰা হৈছে নে পৃথক কোনো আঁচনিৰ অধীনত কৰা হৈছে, এই সকলো প্ৰশ্নৰ উত্তৰ এতিয়া স্থানীয় ৰাইজে বিচাৰিছে। জীপাল কৃষক-শ্ৰমিক সংঘই স্পষ্ট কৰি দিছে যে পৰম্পৰাগত চৰনীয়া ভূমি সংৰক্ষণ, স্থানীয় ৰাইজৰ জীৱিকাৰ অধিকাৰ আৰু পৰিৱেশ সুৰক্ষাৰ বিষয়ত আপোচ কৰা নহ'ব। আনহাতে, বিষয়টো অধিক সংঘাতময় হোৱাৰ পূৰ্বে গোলাঘাট জিলা প্ৰশাসন আৰু কৃষি বিভাগে সকলো পক্ষক লৈ আলোচনাত বহি তথ্য-প্ৰমাণৰ ভিত্তিত স্থিতি স্পষ্ট কৰাৰ দাবী জনাইছে সংগঠনটোৱে।

জেহাদী কানেকশ্বনৰ সন্দেহত দুজন আটক

বৰপেটাৰোডত এন.আই.এ.ৰ অভিযান

অসম বাৰ্তা, বৰপেটাৰোড, ১ অক্টোবৰ ঃ ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ আৰু জেহাদী কানেকশ্বনৰ সন্দেহত বৰপেটাৰোডত একেদিনা অভিযান চলাই দুজন ব্যক্তিক আটক কৰিছে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাই (NIA)। মঙলবাৰে বৰপেটা জিলাৰ ৯টাকৈ পৃথক স্থানত চলোৱা এক বৃহৎ অভিযানৰ জৰিয়তে এই লোক দুজনক আটক কৰা হয়। আটক কৰা ব্যক্তি দুগৰাকী হ'ল—নিছুখাৰ যাকুব আলী আজাদ নগৰৰ মুস্তাফিজুৰ ৰহমান, প্ৰাপ্ত তথ্য অনুসৰি, এন.আই.এ.ৰ এটা তদাৰকী দলে অভিযান চলোৱাৰ পিছতে দুয়োজকে বৰপেটাৰোড আৰক্ষী থানালৈ লৈ আহে। বৰ্তমান আৰক্ষী থানাখনতে তেওঁলোকক কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত তত্তাৱধান কৰি জেৰা আৰু তদন্ত অব্যাহত ৰাখিছে তদন্তকাৰী দলটোৱে। ৰাষ্ট্ৰদ্ৰোহী কাৰ্যকলাপৰ সৈতে জড়িত থকাৰ গুৰুতৰ অভিযোগত এই অভিযান চলোৱা হৈছে বুলি জানিব পৰা গৈছে।

গোলাঘাটত অত্যধিক মাত্ৰাত ড্ৰাগছ সেৱন কৰি পুনৰ উচ্চ শিক্ষিত যুৱকৰ অকাল মৃত্যু

অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১ অক্টোবৰ ঃ কোন দিশে গতি কৰিছে গোলাঘাটৰ যুৱ প্ৰজন্ম? সম্প্ৰতি সমাজত বৰবিহ ৰূপে ছানি ধৰা ড্ৰাগছৰ কবলত পৰি পুনৰ গোলাঘাটত মৃত্যু মুখত পৰিল ৩৫ বছৰীয়া এজন সুন্দৰ সুঠাম চেহেৰাৰ যুৱক। অত্যধিক মাত্ৰাত ড্ৰাগছ সেৱন কৰাৰ ফলতেই যুৱকজনে অকাল মৃত্যুক আকোঁৱালি ল'বলগীয়া হয়। জানিব পৰা মতে নিউজিলেণ্ডৰ পৰা বৃত্তিমূলক (হোটেল মেনেজমেণ্ট) শিক্ষা গ্ৰহণ কৰি গোলাঘাটলৈ প্ৰায় এবছৰৰ পূৰ্বে ঘূৰি আহিছিল শ্যামন্ত শইকীয়া নামৰ যুৱকজন। অত্যধিক ড্ৰাগছ সেৱন কৰি আজি পুৱা নিজ ঘৰৰ কোঠালিত বিছনাত বহি থকা অৱস্থাত মৃত্যু হয় এই যুৱকজনৰ। যোৱা নিশা নিচামুক্তি কেন্দ্ৰৰ পৰা মাত্ৰ ঘৰ ঘূৰি আহিছিল যুৱকজন। নিচাৰ পৰা মুক্ত হৈ নিজ বন্ধুৰ সৈতে নিশা ঘৰতেই আছিল যুৱকজন। আজি পুৱা বন কৰা ব্যক্তিয়ে মৃত অৱস্থাত উদ্ধাৰ কৰে শ্যামন্তক। মুখেৰে ফেন ওলাই কৰি বহি থকা অৱস্থাতেই মৃত্যু হৈছিল যুৱকজনৰ। ঘটনাস্থলীত ফৰেনচিকৰ দল উপস্থিত হৈ আৰম্ভ কৰিছে প্ৰাৰম্ভিক তদন্ত। সন্দেহ অনুসৰি ঘৰলৈ ঘূৰি আহি অত্যধিক মাত্ৰাত ড্ৰাগছ সেৱন কৰাৰ ফলতেই মৃত্যু হয় যুৱকজনৰ। উল্লেখ্য যে নিউজিলেণ্ডৰ পৰা বৃত্তিমূলক শিক্ষা গ্ৰহণ কৰি অসমলৈ আহি ড্ৰাগছৰ কৰাল গ্ৰাসত পৰিছিল যুৱকজন। আনহাতে প্ৰায় চাৰি বছৰৰ পূৰ্বে শ্যামন্তৰ পিতৃ ডাঃ ৰঞ্জিত কুমাৰ শইকীয়াৰ ঘৰৰ ওপৰৰ ছাদৰ পৰা পৰি অকাল মৃত্যু হৈছিল, ঠিক তেনেকৈ কিছু বছৰৰ পূৰ্বে শ্যামন্তৰ জ্যেষ্ঠ ভাতৃ গীতাৰ্থ শইকীয়া অত্যধিক সুৰাপান কৰি জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছিল। ইফালে শাৰীৰিক অসুস্থতাৰ বাবে শ্যামন্তৰ মাতৃয়ে দীৰ্ঘদিনৰ পৰা থাকিবলৈ লয় ডিব্ৰুগড়ৰ মাতৃ গৃহৰ পৰিয়ালৰ সৈতে। কালি নিচামুক্তি কেন্দ্ৰৰ পৰা আহি আজি ডিব্ৰুগড়ৰ মাতৃৰ ওচৰলৈ যোৱা কথা আছিল শ্যামন্তৰ। কিন্তু কাল আমনিশা নামি আহে পৰিয়ালটোলৈ আজি পুৱাৰ ভাগতে আহিল দুঃসংবাদটো। যুৱকজনৰ অকাল মৃত্যুক কেন্দ্ৰ কৰি গোলাঘাটত সৃষ্টি হৈছে চাঞ্চল্যৰ।

ডিব্ৰুগড়ৰ এমজেবিটি বাছ আস্থানত সময়সূচী আৰু পৰিচালনাক লৈ উত্তেজনা

ইষ্টাৰ্ণ বাছ এছ'চিয়েশ্যনৰ নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ অক্টোবৰ ঃ ডিব্ৰুগড় মহানগৰৰ বহু বছৰ ধৰি অৱহেলিত হৈ পৰি থকা ঐতিহাসিক মুৰলীধৰ জালান আস্থানলৈ শেহতীয়াকৈ বাছ আস্থান স্থানান্তৰ কৰাৰ পাছৰে পৰাই বিভিন্ন সমস্যাই দেখা দিছে। বৰ্তমান আস্থানটোত বাছ চলাচলৰ সময়সূচী আৰু পৰিচালনাক কেন্দ্ৰ কৰি সংশ্লিষ্ট লেচী পক্ষ আৰু বাছ মালিক সন্থাৰ মাজত অব্যাহত থকা সংঘাত তীব্ৰতৰ হৈ উঠিছে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত সাধাৰণ পৰিষদৰ বৈঠকৰ সিদ্ধান্তমৰ্মে ইষ্টাৰ্ণ বাছ অনাৰ্ছ এছ'চিয়েশ্যনে জালান বাছ আস্থানত উপস্থিত হৈ সমগ্ৰ বিষয়টো সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিজাকৈ টাইম কীপাৰ বা লাইনমেন নিয়োগ কৰাৰ কথা ঘোষণা কৰে। সংবাদ মাধ্যমক অৱগত কৰি ইষ্টাৰ্ণ বাছ অনাৰ্ছ এছ'চিয়েশ্যনৰ প্ৰতিনিধিসকলে কয় যে, বাছ আস্থানৰ এই বিশৃংখলতা আৰু সমস্যা সমাধানৰ বাবে তেওঁলোকে দীৰ্ঘদিন ধৰি জিলা প্ৰশাসন, পৌৰসভা তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে বাৰে বাৰে যোগাযোগ কৰি আহিছে। কিন্তু প্ৰশাসনিক পৰ্যায়ৰ পৰা কোনো সুনিৰ্দিষ্ট বা ফলপ্ৰসূ সমাধান নোপাই অৱশেষত বাধ্য হৈ সংস্থাটোৱে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণৰ পথ বাছি ল'বলগীয়া হৈছে। সন্থাই দাবী কৰা মতে, এটি পঞ্জীয়নভুক্ত বাছ মালিক সংস্থা হিচাপে তেওঁলোকৰ নিজা নিয়ম আৰু নীতি-নিৰ্দেশনা আছে। ইয়াৰ অধীনত বাছৰ টাইম কাৰ্ড প্ৰদান, টাইম টেবুল সংৰক্ষণ আৰু টাইম কীপাৰ বা লাইনমেন নিযুক্তি দিয়াৰ সম্পূৰ্ণ নিয়মগত অধিকাৰ তেওঁলোকৰ আছে। কিন্তু শেহতীয়াকৈ এই সুসংহত ব্যৱস্থাক সম্পূৰ্ণৰূপে আওকাণ কৰি একাংশ লেচী আৰু আন কিছু ব্যক্তিয়ে বাছ চলাচলৰ সময়সূচী তথা নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিয়াৰ অপচেষ্টা চলাইছে বুলি তেওঁলোকে অভিযোগ তোলে। এছ'চিয়েশ্যনৰ আন এক গুৰুতৰ অভিযোগ হ'ল- কোনোধৰণৰ আগজাননী বা পূৰ্বসূচনা অবিহনে হঠাতে পাৰ্কিং মাচুল ৮০ টকাৰ পৰা বৃদ্ধি কৰি পোনপটীয়াকৈ ১০০ টকা ধাৰ্য কৰা হৈছে। এই অনৈতিক মাচুল বৃদ্ধিৰ বিৰুদ্ধে পৌৰনিগমৰ ওচৰত অভিযোগ দাখিল কৰাৰ বাবেই তেওঁলোকৰ দ্বাৰা নিযুক্ত লাইনমেনসকলক বিভিন্ন প্ৰকাৰে হাৰাশাস্তি কৰাৰ লগতে দায়িত্ব পালনত বাধা প্ৰদান কৰা হৈছে বুলিও সন্থাই ক্ষোভ প্ৰকাশ কৰে। সংস্থাটোৰ তথ্য অনুসৰি, যোৱা ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ বন্ধৰ পিছদিনা অৰ্থাৎ ১৬ আগষ্টৰ পৰাই এই সংঘাত অধিক তীব্ৰ ৰূপ লয়। বাছ চলাচলৰ সঠিক সময়সূচীৰ অভাৱত আৰু খেলিমেলিৰ ফলত সাধাৰণ যাত্ৰীসকল ৰাস্তাকৈয়ে দুৰ্দশাৰ সন্মুখীন হ'ব লগা হৈছে। বহু গুৰুত্বপূৰ্ণ বাছ নিৰ্ধাৰিত সময়ত গন্তব্যস্থানত উপস্থিত হ'ব নোৱাৰাত যাত্ৰী আৰু ছাত্ৰ-ছাত্ৰী আৰু দৈনিক যাত্ৰা কৰা লোকসকল ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে। এই সমগ্ৰ সমস্যাটো অৱগত কৰি জিলা প্ৰশাসন, পৌৰসভাৰ আয়ুক্ত তথা মেয়ৰলৈ লিখিত আবেদন আৰু এজাহাৰ দাখিল কৰা হৈছিল যদিও আজিলৈকে কোনো আশানুৰূপ বা ইতিবাচক সঁহাৰি লাভ কৰা নাই বুলি এছ'চিয়েশ্যনে অভিযোগ কৰে। বৰ্তমান ইষ্টাৰ্ণ বাছ অনাৰ্ছ এছ'চিয়েশ্যনৰ অধীনত প্ৰায় ৭৫খন যাত্ৰীবাহী বাছ পৰিচালিত হৈ আছে। এই বাছসমূহ ডিব্ৰুগড়ৰ পৰা যোৰহাট, লক্ষীমপুৰ, ধেমাজি, চিলাপথাৰ, ধলা, জাগুন, ডুমডুমা আৰু তিনিচুকীয়াকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ পথত চলাচল কৰে। এই সকলোবোৰ বাছৰ চলাচল শৃংখলাবদ্ধ কৰিবলৈ আৰু সংঘাত এৰাই চলিবলৈ আজিৰ পৰাই প্ৰতিখন বাছৰ বাবে নিজা টাইম কীপাৰ বা লাইনমেন নিয়োগ কৰাৰ সিদ্ধান্ত কাৰ্যকৰী কৰা হৈছে। প্ৰশাসনে যদি শীঘ্ৰে এই সমস্যাটো নজৰ দি উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে পৰৱৰ্তী সময়ত সংস্থাটোৱে আৰু অধিক কঠোৰ গণতান্ত্ৰিক আন্দোলন বা পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি প্ৰশাসন আৰু সংশ্লিষ্ট পক্ষক সকীয়াই দিছে।

মানৱদৰদী চিকিৎসক ডাঃ নিত্যানন্দ গগৈৰ দেহাৱসান

বৃহত্তৰ নামতি অঞ্চলত গভীৰ শোকৰ ছাঁ

অসম বাৰ্তা, আমগুৰি, ১ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি অঞ্চলটোৰ এগৰাকী প্ৰসিদ্ধ, মানৱদৰদী চিকিৎসক ডাঃ নিত্যানন্দ গগৈ আজি পুৱা ৫-৩০ বজাত নামতিৰ মৰাণকাৰী সন্নিকৈ গাঁৱৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। চিকিৎসা সেৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থকা অমায়িক ব্যক্তিজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ নামতি অঞ্চলৰ লগতে শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি শিৱসাগৰ জিলাখনৰ কালুগাঁও আৰু গেলেকী স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আগবঢ়োৱাৰ পাছত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত (জয়সাগৰ)ত অধীক্ষকৰ দায়িত্ব পালন কৰিছিল। তাৰ পাছতে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ পৰা যুটীয়া সঞ্চালক হিচাপে দায়িত্ব পালন কৰি অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰি নামতিৰ লগতে সমীপৰ্তী অঞ্চলত আৰ্থিকভাৱে দুৰ্বল লোকসকলক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰি অসহায় লোকসকলৰ বিভিন্ন সময়ত ঔষধ যোগান ধৰিছিল। চিকিৎসা প্ৰদানক কেৱল পেছা হিচাপে গ্ৰহণ নকৰি সমাজৰ প্ৰতি এক দায়িত্ব হিচাপে গ্ৰহণ কৰা চিকিৎসকগৰাকীৰ সৰলতা, অমায়িক ব্যৱহাৰ আৰু সেৱাৰ মনোভাৱে বৃহত্তৰ নামতি অঞ্চলৰ ৰাইজৰ হৃদয়ত বিশেষ স্থান দখল কৰিছিল। তেওঁ চিকিৎসা ক্ষেত্ৰতে নহয়, বিভিন্ন সামাজিক, শৈক্ষিক, সাংস্কৃতিক আৰু জনকল্যাণমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। আনহাতে, আজি ডাঃ নিত্যানন্দ গগৈৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পাছতে পুৱা তেওঁৰ বাসগৃহত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনৰ প্ৰতিনিধিৰ লগতে অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। ইয়াৰ মাজতে পুৱা ছাত্ৰনেতা ধ্ৰুৱজ্যোতি কলিতাৰ আঁত ধৰা এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোত নামতি জ্যেষ্ঠ নাগৰিক সন্থা, নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, নামতি স্বহীদ পিয়লি ফুকন মহাবিদ্যালয়, নামতি চাৰিআলি বৃক্ষবন্ধু সমাজ, নামতি প্ৰেছ ক্লাব, পি এম শ্ৰী ৮০৬ নং কৰুণাসাগৰ প্ৰাথমিক বিদ্যালয়, ৰংৰাআলি মধ্য ইংৰাজী বিদ্যালয়, নামতিৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতি, মিছ্ৰাজান বাস উদযাপন সমিতি, নামতি উন্নয়ন সমিতি, নামতি আঞ্চলিক ছাত্ৰ সন্থা, আহোম সভা, নামতি মাইগুৰী চেতিয়া গাঁও নামঘৰ পৰিচালনা সমিতি, নামতি চাৰিআলি ব্যৱসায়ী সন্থা, ভেটেনেৰী নামঘৰ পৰিচালনা সমিতি, নামতি আলি গাঁও পঞ্চায়ত, নামতি দুৰ্গাপূজা আৰু কালিপূজা সমিতি, বৃক্ষবন্ধু, নামতি আঞ্চলিক পেঞ্চনাৰ সন্থা, নামতি প্ৰেছ গীল্ড, নামতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আৰু ব্যক্তিয়ে ডাঃ গগৈৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পণ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰা বিভিন্নজনৰ ভাষণত ডাঃ নিত্যানন্দ গগৈৰ সমাজৰ প্ৰতি থকা অৱদান আৰু দৰিদ্ৰ-অসহায় লোকৰ প্ৰতি আগবঢ়োৱা সেৱাৰ কথা স্মৰণ কৰি গভীৰ শোক প্ৰকাশ কৰে। উপস্থিত সকলে চিকিৎসকগৰাকীৰ মৃত্যুক বৃহত্তৰ নামতি অঞ্চলৰ বাবে এক অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে। তদুপৰি, শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈ আৰু নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক ময়ুৰ বৰগোহাঁই, নাজিৰাৰ প্ৰাক্তন বিধায়ক দেৱব্ৰত শইকীয়াই ডাঃ নিত্যানন্দ গগৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। নিত্যানন্দ গগৈয়ে চিকিৎসা সেৱা আৰু সমাজসেৱাৰ ক্ষেত্ৰত আগবঢ়াই যোৱা অৱদান ৰাইজৰ মাজত স্মৰণীয় হৈ থাকিব।

গেলেকী আৰক্ষীৰ জালত গৰু চোৰ

নাগালেণ্ডৰ পৰা আটক অভিযুক্ত মনোজ গগৈ

অসম বাৰ্তা, গেলেকী, ৩০ ছেপ্টেম্বৰ ঃ গেলেকী আৰক্ষীয়ে এক সফল অভিযান চলাই অঞ্চলটোত চাঞ্চল্য সৃষ্টি কৰা গৰু চোৰ কাণ্ডৰ সৈতে জড়িত এজন প্ৰধান অভিযুক্তক নাগালেণ্ডৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ধৃত অভিযুক্তজন মনোজ গগৈ (২৭) বুলি চিনাক্ত কৰা হৈছে। তেওঁ গেলেকীৰ বগিচাপাৰিৰ এটা গৰু চুৰিৰ ঘটনাৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকাৰ অভিযোগ আছে। আৰক্ষী সূত্ৰে প্ৰকাশ পোৱা মতে, যোৱা ১৭ ছেপ্টেম্বৰৰ নিশা গেলেকী বগিচাপাৰি নিবাসী বাবুল উৰাং নামৰ লোকজনৰ গো-পালন গৃহৰ পৰা দুটাকৈ পশুধন বলপূৰ্বক চুৰি কৰি নিয়াৰ মূল অভিযোগ আছিল এই অভিযুক্তৰ বিৰুদ্ধে। এই ঘটনাৰ লগত জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে ইয়াৰ পূৰ্বে পৰশমণি বৰঠাকুৰ (৩০) নামৰ দুজন যুৱকক (৩১) নামৰ মজনু যুৱকক ডিব্ৰুগড়ৰ পৰা আটক কৰিছিল। ইয়াৰোপৰি, উক্ত ১৭ ছেপ্টেম্বৰৰ নিশাতেই গৰু চুৰিত ব্যৱহৃত AS-04-BC-8499 নম্বৰৰ এখন ব'লেৰ' বাহনসহ মানসজ্যোতি গগৈ নামৰ আন এজন যুৱককো গেলেকী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। ঘটনাৰ পিছৰে পৰা পলাতক হৈ থকা অভিযুক্তক আটক কৰিবলৈ গেলেকী আৰক্ষীয়ে তীব্ৰ অভিযান অব্যাহত ৰাখিছিল। শেহতীয়াকৈ গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া (OC) প্ৰদীপ শইকীয়াৰ নেতৃত্বত যোৱা এটা বিশেষ দলে গোপন সূত্ৰৰ পম খেদি নাগালেণ্ড যংলক আৰক্ষীৰ সহযোগত নাগালেণ্ডৰ পৰা মনোজ গগৈক আটক কৰিবলৈ সক্ষম হয়। এই সমগ্ৰ ঘটনা সন্দৰ্ভত গেলেকী আৰক্ষী থানাত ৩৯/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছে। আৰক্ষীয়ে আজি ধৃত অভিযুক্তজনক স্থানীয় আদালতলৈ প্ৰেৰণ কৰাৰ লগতে এই চোৰ চক্ৰটোৰ লগত জড়িত অন্যান্য লোকসকলৰ সন্ধানত অধিক তদন্ত অব্যাহত ৰাখিছে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন